● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**শাৰদীয় শুভেচ্ছা**

আমাৰ সমূহ পঢ়ুৱৈ, লেখক-লেখিকা, এজেণ্ট-হকাৰ, বিজ্ঞাপনদাতা আৰু শুভাকাংক্ষীলৈ শাৰদীয় দুৰ্গোৎসৱৰ শুভকামনা যাচিলো। শৰতৰ সুবাসে আটাইৰে মনলৈ কঢ়িয়াই আনক অনাবিল আনন্দ— তাৰেই কামনা।

*'দৈনিক অগ্ৰদূত' সম্পাদনা*



www.dainikagradoot.in

৫ ৰিলিয়াম এম্পছনৰ সমালোচনা তত্ত্ব
১৫ সাঁতোৰত অভিলেখ গঢ়ি আস্থাৰ সোণ
৪ একনায়কত্ববাদৰ অনুশীলন

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৫৩ তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১৬ আহিন ১৪২৯ ভাস্কৰাব্দ ৩ অক্টোবৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 3 October 2022 মূল্য ঃ ৯.০০ টকা

## তথাপি শৰৎ!

■ প্ৰাঞ্জলসেন ডেকা

**এনেকৈয়ে** আহিল শৰৎ! বতৰ আৰু পৰিৱেশক লৈ লক্ষ্য ৰাখিয়ে ঋতুবিলাকৰ নামকৰণ কৰা হৈছিল যদিও সেইবোৰৰ বৈশিষ্ট্যসমূহ অটুট আছেনে তাকে লৈ চৰ্চা চলিছে বিভিন্ন মহলত; কিয়নো ঋতুৰ শেহতীয়া ৰেহ-ৰূপে বিশ্বজুৰি গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে।

শৰতকে শ্ৰেষ্ঠ ঋতুৰ আখ্যা দি থোৱা হৈছে ঠিকেই, কিন্তু তাৰ সেই মাদকতা ক'ত! শুভ্ৰ শেৱালিৰ দলিচা আৰু নিয়ৰসিক্ত বতৰ এতিয়া পুৰণি গীত-কবিতাতে আৱদ্ধ। এই অক্টোবৰত ৩৫-৩৭ ডিগ্ৰী চেলচিয়াছ উত্তাপত, চকু মেলিব নোৱাৰা ৰ'দত শৰতৰ সুবাস পাম ক'ত! অথচ বিশ্বকৰ্মা পূজাই যেন ১০ পৃষ্ঠাত চাওক

**দৈনিক অগ্ৰদূত**

দুৰ্গোৎসৱৰ উপলক্ষে তিনি আৰু চাৰি অক্টোবৰত আমাৰ কাৰ্যালয় বন্ধ থকা হেতুকে চাৰি আৰু পাঁচ অক্টোবৰৰ 'দৈনিক অগ্ৰদূত' প্ৰকাশ নাপায়। পৰৱৰ্তী সংখ্যা প্ৰকাশ পাব ছয় অক্টোবৰ, বৃহস্পতিবাৰে।

*কাৰ্যাধ্যক্ষ*

■ ৰাজ্যত উলহ-মালহেৰে শাৰদীয় দুৰ্গোৎসৱ ■ সপ্তমীৰ দিনা পূজাথলীত ভিৰ অসংখ্য লোকৰ ■ এফালে ক্ৰিকেট মেচ, আনফালে পূজাৰ বাবে গুৱাহাটীৰ ঠায়ে ঠায়ে প্ৰচণ্ড যান-জঁট

# দেৱীৰ চৰণত আজি মহাষ্টমীৰ মহা অৰ্ঘ্য



*সপ্তমীত দেৱী দুৰ্গাৰ আশিস ল'লে ভক্তই, মহানগৰীত দেওবাৰে।*

■ কদৰ কমিছে বেলুন-পিষ্টলৰ ঃ অত্যাধুনিক খেলনাৰ প্ৰতিহে ধাউতি

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২ অক্টোবৰ ঃ** 'যা দেৱী সৰ্বভূতেষু মহা গৌৰী ৰূপেন সংস্থিতা; নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ'—নৱৰাত্ৰিৰ অষ্টমদিনা মহাগৌৰীৰ ৰূপত কাইলৈ শক্তিৰ অধিষ্ঠাত্ৰী দেৱী মা দুৰ্গাৰ চৰণত বৈদিক প্ৰথাৰে আগবঢ়োৱা হ'ব মহাঅষ্টমীৰ যথাবিহিত পূজা-অৰ্চনা। আজি সপ্তমী তিথিৰ দিনা সমগ্ৰ ৰাজ্যতে বিধি অনুসৰি সপ্তমী বিহিত পূজা আগবঢ়োৱাৰ পাছত কাইলৈ শাৰদীয় দুৰ্গোৎসৱৰ সবাতোকৈ গুৰুত্বপূৰ্ণ অষ্টম দিনটোত মহাঅষ্টমী পূজাৰ অৰ্ঘ্য অৰ্পণ কৰিবলৈ সম্পূৰ্ণ কৰা হৈছে প্ৰস্তুতি। কাইলৈ অষ্টমী পূজাৰ দিনটোতে মহাগৌৰীৰূপী দেৱীক বলি-বিধানেৰে পূজা-অৰ্চনা কৰিবলৈ গুৱাহাটীৰ কামাখ্যা মন্দিৰ, উগ্ৰতাৰা মন্দিৰকে ধৰি কে'বাখনো থানত সম্পূৰ্ণ কৰা হৈছে প্ৰস্তুতি। প্ৰবাদ অনুসৰি অষ্টমী তিথিৰ দিনা মহাগৌৰী ৰূপত দেৱী দুৰ্গা জাগ্ৰত হৈ থাকে শক্তিপীঠ কামাখ্যা ধামত। পূৰ্বৰ দুটা বছৰ ক'ভিড মহামাৰীৰ বাবে কামাখ্যা মন্দিৰত কেৱল আনুষ্ঠানিকতাহে পালনৰ পাছত ১০ পৃষ্ঠাত চাওক

■ টি-২০ ঃ খেলপথাৰত সৰ্পৰ উপস্থিতিত হতচকিত দুই দলৰ খেলুৱৈ

## বৰ্ষাপাৰাত ফ্লাড লাইট নুমাই যোৱা বাবে প্ৰায় ২৫ মিনিট খেল বন্ধ

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২ অক্টোবৰ ঃ** বিতৰ্কই যেন লগ নেৰিব অসম ক্ৰিকেট সন্থাৰ বৰ্ষাপাৰা ষ্টেডিয়ামৰ বিতৰ্কই। আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টি-২০ মেচখন চলি থকাৰ মাজতে ফ্লাড লাইটৰ বিজুতিয়ে এচিএক পুনৰ অস্বস্তিকৰ পৰিস্থিতিত পেলায়। কিয়নো লাইট হঠাৎ নুমাই যোৱা বাবে প্ৰায় ২৫ মিনিটৰ খেল বন্ধ ৰাখিবলগীয়া হয়। সূৰ্য কুমাৰ যাদৱ, কে এল ৰাহুল, বিৰাট কোহলি, ৰোহিত শৰ্মা আৰু দীনেশ কাৰ্তিকৰ বেটিং আঠ পৃষ্ঠাত চাওক



জাতিৰ পিতালৈ শ্ৰদ্ধা মুখ্যমন্ত্ৰীৰ

## আধ্যাত্মিকতা আৰু নৈতিকতাবোধ আছিল গান্ধীৰ জীৱনাদৰ্শ

স্টাফ ৰিপ'ৰ্টাৰ



**গুৱাহাটী, ২ অক্টোবৰ ঃ** গান্ধী জয়ন্তী উপলক্ষে কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ উদ্যোগত শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপত আয়োজিত অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰাৰ লগতে অহিংসাৰ পূজাৰী, মহান ১০ পৃষ্ঠাত চাওক

**সংগ-প্ৰসংগ**

■ দয়ানন্দ পাঠক

## অধ্যাপক-প্ৰকাশক বদন চন্দ্ৰ বৰুৱা



...লৈকে বদন আমাৰ মাজত এইগৰাকী পাহৰিলেও আমি পাহৰিব নোৱাৰো। এনে এটা সময় আছিল যিটো সময়ত তেওঁ আছিল আমাৰ বাবে দিকদৰ্শক, দাৰ্শনিক বন্ধু আৰু সহযাত্ৰী। আজি তেওঁ আমাৰ মাজৰ পৰা অকালতে হেৰাই ১০ পৃষ্ঠাত চাওক

■ ইণ্ডোনেছিয়াত পদপিষ্ট-শ্বাসৰুদ্ধ হৈয়েই প্ৰাণ হেৰুৱালে অধিকাংশই

## ফুটবল মেচত সংঘৰ্ষত নিহত ১৭৪





■ নিউজ ব্যুৰ'

**জাভা, ২ অক্টোবৰ ঃ** ইণ্ডোনেছিয়াত সংঘটিত হ'ল বিশ্বৰ ফুটবল ইতিহাসৰ অন্যতম দুখজনক ঘটনা। খেলপথাৰত প্ৰৱেশ কৰি হিংসাৰ আশ্ৰয় লোৱা একাংশ সমৰ্থকক নিৰস্ত্ৰ কৰাৰ বাবে আৰক্ষীয়ে লোৱা কঠোৰ পদক্ষেপৰ ফলতে পদপিষ্ট হৈ প্ৰাণ হেৰুৱালে কমেও ১৭৪জন দৰ্শকে। লগতে প্ৰায় ১৮০জন লোক গুৰুতৰভাৱে আহত হয়। এই ঘটনাক ফুটবল বিশ্বৰ অন্যতম শোকাবহ ষ্টেডিয়াম দুৰ্যোগ আখ্যা দিয়া হৈছে। ইণ্ডোনেছিয়া চৰকাৰৰ লগতে বিশ্ব ফুটবল মহলেও এই ঘটনাত গভীৰ ১০ পৃষ্ঠাত চাওক

### পূৰ্বেও ষ্টেডিয়ামত সংঘটিত হিংসাত নিহত কে'বাশ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২ অক্টোবৰ ঃ** যোৱা নিশা ইণ্ডোনেছিয়াৰ পূব জাভাত অনুষ্ঠিত এখন ফুটবল খেলত হোৱা হিংসাত্মক ঘটনাত ১৭৪জন দৰ্শক নিহত হ'ল। দুই দলৰ সমৰ্থকে খণ্ডযুদ্ধত লিপ্ত হোৱাৰ পাছত আৰক্ষীৰ কন্দুৱা গেছৰ বাবে একাংশ দৰ্শকে বাহিৰলৈ ওলাবলৈ চেষ্টা কৰাৰ সময়তে পদপিষ্ট হৈ তিনি শতাধিক লোক হতাহত হয়। এই ঘটনাক ১০ পৃষ্ঠাত চাওক

হেকাৰৰ আক্ৰমণৰ বলি জনসংযোগ ■ মন্ত্ৰীৰ টেবুললৈ আৰু ফাইল নাযায়

## জনতা ভৱনত আৰম্ভ হ'ল ই-অফিচ

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২ অক্টোবৰ ঃ** তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰখনত খোজ দি আজিৰে পৰা ৰাজ্য প্ৰশাসনৰ হৃদপিণ্ডস্বৰূপ জনতা ভৱনত আৰম্ভ কৰা হ'ল ই-অফিচ ব্যৱস্থা। ইয়াৰ লগে লগে জনতা ভৱনত অতীত হোৱাৰ দিশে অগ্ৰসৰ হ'ল কাগজৰ ফাইল। এতিয়াৰে পৰা আৰু জনতা ভৱনৰ পিয়ন বা চকীদাৰে হাতত গুৰুত্বপূৰ্ণ ফাইল লৈ ইটো বিভাগৰ পৰা সিটো বিভাগলৈ বা ইখন টেবুলৰ পৰা সিখন টেবুললৈ ঘূৰি ফুৰিব নালাগে। প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰীৰ টেবুলত থকা কম্পিউটাৰৰ জৰিয়তে ই-ফাইল আদান প্ৰদান কৰিব বিষয়া-কৰ্মচাৰীসকলে। নিঃসন্দেহে ৰাজ্য প্ৰশাসনৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হোৱা ই-অফিচ ব্যৱস্থা আৰম্ভ হোৱাৰ ক্ষণতে পিছে দুষ্ট চক্ৰৰ ভাবুকিৰ সন্মুখীন হ'ল ৰাজ্য চৰকাৰ। লক্ষ্যণীয় যে গান্ধী জয়ন্তী উপলক্ষে আজি অসম সচিবালয়ত কাগজৰ ফাইলৰ ব্যৱস্থাৰ অৱসান ঘটাই ই-অফিচ ব্যৱস্থা আৰম্ভ কৰাৰ প্ৰাকমুহূৰ্তত আঠ পৃষ্ঠাত চাওক

কামপুৰক সোপাধৰা সন্দেহত উত্তেজনা

## পুৱতি নিশা এজনক আটক ক্ষুব্ধ জনতাৰ, আৰক্ষীৰ লাঠিচালনা

অগ্ৰদূত বাৰ্তা

**কামপুৰ, ২ অক্টোবৰ ঃ** আজি নগাঁও জিলাৰ কামপুৰত সোপাধৰাৰ সন্দেহত এক উত্তপ্ত পৰিস্থিতিৰ উদ্ভৱ হয়। সোপাধৰাৰ সন্দেহত স্থানীয় লোকে এজন অচিনাকি লোকক ১০ পৃষ্ঠাত চাওক

নগাঁও-কলিয়াবৰ-বৰপেটাৰ তত্ত্বাৱধায়ক নেতাৰ স'তে বিশেষ আলোচনাত মিলিত হ'ব সভাপতি

## কংগ্ৰেছৰ তিনি আসন কাঢ়ি অনাৰ বাবে তৎপৰ নড্ডাও

স্টাফ ৰিপ'ৰ্টাৰ



**গুৱাহাটী, ২ অক্টোবৰ ঃ** পৰৱৰ্তী লোকসভা নিৰ্বাচনত অসম তথা উত্তৰ-পূৰ্বাঞ্চলত শাসকীয় বিজেপিৰ মূল নিৰ্বাচনী ইছ্যু হ'ব উন্নয়ন আৰু শান্তি। অহা সাত অক্টোবৰত গুৱাহাটীত উপস্থিত হ'বলগীয়া বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই লোকসভা নিৰ্বাচনত দলৰ নিৰ্বাচনী ইছ্যু তথা ৰণকৌশল ব্যক্ত কৰি আঠ অক্টোবৰত ৰাজহুৱা সমাবেশৰ জৰিয়তে নিৰ্বাচনী যুঁজলৈ সাজু হ'বলৈ দলীয় কৰ্মীসকলক আহ্বান জনাব। ৰাজ্যিক বিজেপিৰ এক শীৰ্ষ সূত্ৰই সদৰী কৰা তথ্য মতে, সাত অক্টোবৰৰ বিয়লি গুৱাহাটীত উপস্থিত হ'বলগীয়া বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিজনে পদ্মভৱনত দলৰ সাংসদ, বিধায়ক, বিষয়ববীয়াসকলৰ স'তে সুকীয়া সুকীয়াকৈ আলোচনাত মিলিত হ'ব। প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিজেপিৰ আঠ পৃষ্ঠাত চাওক

ঘটনাস্থলীৰ পৰা সাতশ মিটাৰ আঁতৰত ওপঙি উঠিল

## নাও দুৰ্ঘটনাত সন্ধানহীন হোৱাৰ চাৰিদিন পাছত চক্ৰ বিষয়াৰ মৃতদেহ উদ্ধাৰ

**ধুবুৰী, ২ অক্টোবৰ ঃ** সুদীৰ্ঘ ৭২ ঘণ্টাৰ মূৰত আজি ধুবুৰীত ব্ৰহ্মপুত্ৰৰ বুকুত উদ্ধাৰ হ'ল নাও দুৰ্ঘটনাৰ ফলত সন্ধানহীন হৈ থকা ধুবুৰীৰ ৰাজহ চক্ৰ বিষয়া সঞ্জু দাসৰ মৃতদেহ। দুৰ্ঘটনা সংঘটিত হোৱা স্থানৰ পৰা প্ৰায় সাতশ মিটাৰ দূৰত্বত পানীত ওপঙি থকা অৱস্থাত এছডিআৰএফ আৰু ১০ পৃষ্ঠাত চাওক



*প্ৰয়াত বিষয়ালৈ শ্ৰদ্ধাঞ্জলি, ধুবুৰীত।*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ৩১° | ২৪° |
| ডিব্ৰুগড় | ৩১° | ২৪° |
| দিল্লী | ৩২° | ২৫° |
| কলকাতা | ২৮° | ২৬° |
| মুম্বাই | ২৮° | ২৬° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৮° | ১৯° |
| শ্বিলং | ২৩° | ১৮° |

*২ অক্টোবৰ, ২০২২*

## অসম সন্তান সুজয় লাল থাউছেন চিআৰপিএফৰ সঞ্চালক প্ৰধানৰ পদত



■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২ অক্টোবৰ ঃ** কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (চিআৰপিএফ)ৰ নতুন সঞ্চালক প্ৰধানৰূপে নিযুক্তি দিয়া হৈছে অসম সন্তান সুজয় লাল থাউছেনক। কেন্দ্ৰীয় চৰকাৰে এক নিৰ্দেশনাযোগে ১০ পৃষ্ঠাত চাওক

**চেঙা তেল**



*সকলোতে দাম বঢ়াই ৰাইজৰ যিদৰে জ্বলা-কলা খুৱাইছা, তাকে চাবলৈ ওলাই আহিলো!*






দৈনিক অগ্ৰদূত
গুৱাহাটী, ৩ অক্টোবৰ, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

## টুক্ৰাপাৰা প্ৰাথমিক বিদ্যালয়ত এজন শিক্ষকে কৰিছে পাঠদান

অগ্ৰদূত বাৰ্তা
**সোণতলী, ২ অক্টোবৰ ঃ** কামৰূপ জিলাৰ ছয়গাঁও শিক্ষা খণ্ডৰ অন্তৰ্গত এখন বিদ্যালয়ত কেৱল এগৰাকী শিক্ষয়িত্ৰীয়ে চলাবলগীয়া হৈছে পাঠদান কাৰ্য। উল্লেখ্য যে ভিতৰদুৱাৰ টুক্ৰাপাৰা প্ৰাথমিক বিদ্যালয়ত বৰ্তমানলৈ ৮৯ গৰাকী ছাত্ৰ-ছাত্ৰী আছে যদিও তাৰ বিপৰীতে মাত্ৰ এগৰাকী শিক্ষয়িত্ৰী থকা ছাত্ৰ-ছাত্ৰীক পাঠদান কৰাত অসুবিধাৰ সৃষ্টি হোৱাৰ আঠ পৃষ্ঠাত চাওক

**আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে সেনাৰ এমকে-১ অৰ্জুন টেংক, কেদাৰনাথ মন্দিৰৰ আৰ্হিৰ পূজা মণ্ডপে**

# সমন্বয়ৰ চানেকি নগাঁৱৰ শতাধিক পূজাত

## আজি নগাঁৱত পূজা চাব মুখ্যমন্ত্ৰী ড° শৰ্মাই

বিশেষ সংবাদদাতা
**নগাঁও, ২ অক্টোবৰ ঃ** বিভিন্ন ধৰ্ম, ভাষা, জাতি, বৰ্ণ, সম্প্ৰদায়ৰ লোকৰ বসতিস্থল নগাঁও চহৰৰ শতাধিক পূজাথলীত সমন্বয়ৰ চানেকি উজলি উঠা পৰিলক্ষিত হৈছে। শাৰদীয় দুৰ্গা পূজাৰ আজি মহাসপ্তমীৰ দিনটোত সন্ধিয়াৰ পৰাই চহৰখনৰ বিভিন্ন পূজা মণ্ডপে মণ্ডপে সকলো জাতি-জনগোষ্ঠী, ভাষা-ধৰ্মৰ লোকৰ সোঁত ব'বলৈ ধৰে। এইবাৰ চহৰখনৰ বেলতলা (খ্ৰীষ্টান পট্টি, এডিপি ৰোড)ৰ বিখ্যাত জানকী নাথ সেন উকীলৰ ঘৰৰ দুৰ্গা মন্দিৰৰ ১৭৩ সংখ্যক দুৰ্গা পূজা, হয়বৰগাঁও বীণাপানি পূজা সমিতিৰ ১৫৩ সংখ্যক দুৰ্গা পূজা, নগাঁও বাঙালী সন্মিলনীৰ ১২৯ সংখ্যক দুৰ্গা পূজা, আমোলাপট্টি পূজা উৎসৱ সমিতিৰ ১২৭ সংখ্যক দুৰ্গা পূজা, ফৌজদাৰীপট্টি সাৰ্বজনীন দুৰ্গা পূজা উৎসৱ সমিতিৰ ১২৫ সংখ্যক দুৰ্গা পূজা, পানীগাঁও কালীবাৰী দুৰ্গা পূজা সমিতিৰ ১০২ সংখ্যক দুৰ্গা পূজা ৰাইজৰ অন্যতম আকৰ্ষণ হৈ পৰিছে। শতবৰ্ষ গৰকা এই পূজাকেইখনত আজি যথেষ্ট সংখ্যক লোকৰ ভিৰ হোৱা দেখা যায়। ইপিনে, নগাঁও চহৰৰ কেইখনমান পূজা সমিতিয়ে লাখ লাখ টকা ব্যয় কৰি অত্যধিক কাৰুকাৰ্য, আলোকসজ্জাৰে চমক সৃষ্টি কৰা পৰিলক্ষিত হৈছে। চমৎকাৰৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি এইবাৰো চহৰখনৰ শংকৰ মিছন পথ সাৰ্বজনীন পূজা সমিতিয়ে (আইটিআইৰ সমীপৰ) বিখ্যাত কেদাৰনাথ মন্দিৰৰ আৰ্হিত নিৰ্মাণ কৰা সুন্দৰ পূজা মণ্ডপেৰে পুনৰবাৰ চমক সৃষ্টি কৰিছে। ঠিক একেদৰে, হয়বৰগাঁও মাকালি সংঘই নিৰ্মাণ কৰা (সমন্বয়ৰে ভৰপূৰ আমাৰ গাঁও) আৰ্হিৰ পূজা মণ্ডপো ৰাইজৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হৈ পৰিছে। ইপিনে, চহৰখনৰ নগাঁও মাৰোৱাৰী হৰিজন কমিটীয়ে ভাৰতীয় সেনাৰ এমকে এক অৰ্জুন টেংক আৰ্হিত নিৰ্মাণ কৰা পূজা মণ্ডপটোও ৰাইজৰ বাবে আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হৈ পৰা পৰিলক্ষিত হৈছে।

**আজি নগাঁৱলৈ পূজা চাবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা**

ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা কাইলৈ পুৱাৰ ভাগতেই নগাঁৱত উপস্থিত হ'ব। আঠ পৃষ্ঠাত চাওক



**আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ ঘোষণা মন্ত্ৰী জয়ন্ত মল্লৰ**

## নলবাৰীত সাত নৱেম্বৰৰ পৰা ৮৯ সংখ্যক ৰাস মহোৎসৱ



অগ্ৰদূত বাৰ্তা
**নলবাৰী, ২ অক্টোবৰ ঃ** ক'ভিড কালীন পৰিস্থিতিৰ বাবে যোৱা দুটা বছৰ বন্ধ হৈ থকাৰ পাছত এইবাৰ নলবাৰীৰ শ্ৰীশ্ৰীহৰিমন্দিৰত ১৩ দিনীয়াকৈ ভগৱান শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপন কৰা হ'ব। উল্লেখ্য যে ১৯৩৩ৰ পৰা নিৰৱচ্ছিন্নভাৱে উদ্‌যাপন কৰি উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহত ধৰ্মীয় অনুষ্ঠান পবিত্ৰ শ্ৰীশ্ৰীহৰিমন্দিৰৰ ৮৯ সংখ্যক ৰাস মহোৎসৱ এইবাৰ অহা সাতৰ পৰা ১৩ দিনীয়াকৈ উদ্‌যাপন কৰা হ'ব বুলি সংবাদমেল যোগে ঘোষণা কৰে ৮৯ সংখ্যক ৰাস মহোৎসৱৰ পৰিচালনা সমিতিৰ সভাপতি তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। শ্ৰীশ্ৰীহৰিমন্দিৰৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত হৰিমন্দিৰ পৰিচালনা সমিতিৰ সভাপতি অশোক শৰ্মা, সাধাৰণ সম্পাদক নগেন ডেকা, ৰাস মহোৎসৱৰ পৰিচালনা সমিতিৰ আঠ পৃষ্ঠাত চাওক

## এটা জাতিৰ প্ৰথম পৰিচয় হৈছে লোককলা-কৃষ্টি-সংস্কৃতি পৰম্পৰা এইবোৰ

### ঠেলামৰাৰ বামুণপুখুৰীত ৰাইজৰ উদ্যোগত চতুৰ্থ বাৰ্ষিক কৰম উৎসৱ

অগ্ৰদূত বাৰ্তা
**ঠেলামৰা, ২ অক্টোবৰ ঃ** শোণিতপুৰ জিলাৰ ঠেলামৰা ৰাজহ চক্ৰ অঞ্চলৰ বামুণপুখুৰীত যোৱা ৩০ ছেপ্টেম্বৰত বামুণপুখুৰী ৰাইজৰ উদোগত উলহ-মালহেৰে চতুৰ্থ বাৰ্ষিক কৰম উৎসৱ উদ্‌যাপন কৰা হয়। ৩০ ছেপ্টেম্বৰত পুৱা পতাকা উত্তোলনৰে আৰম্ভ হয় সমূহ কাৰ্যসূচী। পতাকা উত্তোলনৰ পাছত মেঘাই আটি প্ৰাথমিক বিদ্যালয়ত বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে সোণাই-ৰূপাই অভয়াৰণ্যৰ বনাঞ্চলিক বিষয়া বিভূতি মজুমদাৰে। বিদ্যালয় চৌহদত বিদ্যালয়খনৰ সহকাৰী শিক্ষক দীপু মহন্ত আৰু উদ্‌যাপন সমিতিৰে মিলি কে'বাটাও মূল্যবান বৃক্ষৰোপণ কৰি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ স'তে পৰিৱেশ ৰক্ষাৰ সম্পৰ্কে মত বিনিময় কৰে। উক্ত দিনাই সন্ধিয়া সাত বজাত প্ৰচলিত ৰীতি-নীতিৰে কৰম ডাল আদৰি আনি বেদীত স্থাপন কৰে কানুৰাম গোৱালাই। ইয়াৰ পাছত ৰামেশ্বৰ গোৱালাই কৰম কাহিনীৰ পাঠও ব্যাখ্যা কৰে। সংবাদকৰ্মী হৰেন ভূমিজে পৰিচালনা কৰা সাংস্কৃতিক কাৰ্যসূচীত নিশা অনুষ্ঠিত হোৱা ঝুমুৰ প্ৰতিযোগিতাৰ মঞ্চ মুকলি কৰে লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰীয়ে। ড° অধিকাৰীয়ে নিজৰ বক্তব্যত কয় যে 'এটা জাতিৰ প্ৰথম পৰিচয় হৈছে তেওঁলোকৰ লোককলা-কৃষ্টি-সংস্কৃতি পৰম্পৰা এইবোৰ।' এই কৃষ্টি-সংস্কৃতিয়ে আমাৰ জাতীয় জীৱনত বহু আঠ পৃষ্ঠাত চাওক

## পুত্ৰ প্ৰাঞ্জলৰ ভৱিষ্যৎ ৰাজনীতিৰ কথা নাজানে পিতৃ ঘাটোৱাৰে ঃ বৰা

**ডিগবৈ, ২ অক্টোবৰ ঃ** 'পুত্ৰ প্ৰাঞ্জল সিং ঘাটোৱাৰৰ ভৱিষ্যৎ ৰাজনীতিৰ কথা নাজানে পৱন সিং ঘাটোৱাৰে।' এই মন্তব্য প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ। যোৱা নিশা ডিগবৈ কৰম সন্মিলনত বৰাই প্ৰাঞ্জল ঘাটোৱাৰে বিজেপিত যোগদান কৰিব বুলি খবৰ ওলোৱা প্ৰসংগত কয় 'মই কালি ডিব্ৰুগড় জিলা কংগ্ৰেছৰ কাৰ্যালয়ত পৱন সিং ঘাটোৱাৰক লগ কৰি বহু কথা আলোচনা কৰোঁতে তেওঁ এই জনমত কংগ্ৰেছ কেতিয়াও ত্যাগ নকৰো বুলি দৃঢ়তাৰে জনায়।' কিন্তু পুত্ৰ প্ৰাঞ্জল ঘাটোৱাৰৰ ভৱিষ্যৎ ৰাজনীতিৰ কথা পৱন সিং ঘাটোৱাৰে একো নাজানো বুলি বৰাক ক'লে বুলি কয়। ইয়াৰ আঠ পৃষ্ঠাত চাওক

## বালিজানত পত্নী-পুত্ৰই লাঠিৰে মৰিয়াই হত্যা কৰিলে এজনক

অগ্ৰদূত বাৰ্তা
**দুলীয়াজান, ২ অক্টোবৰ ঃ** পূজাৰ আনন্দ চলি থকাৰ মাজতেই যোৱা নিশা প্ৰায় ১১ বজাত টিংৰাই আৰক্ষী চকীৰ অন্তৰ্গত বালিজান চাহ বাগিচাৰ খেৰবাৰী শ্ৰমিক লাইনৰ নিৱাসী চুকৰা ভূমিজ (৩৫)ক পত্নী পূৰ্ণিমা ভূমিজ (৩৭) আৰু পুত্ৰ সমীৰ ভূমিজে (২০) নিজ গৃহতেই লাঠিৰে মৰিয়াই মৰিয়াই নৃশংসভাৱে হত্যা কৰে। উল্লেখ্য যে চুকৰাৰ স'তে দ্বিতীয় বিবাহ কৰা ডুমডুমাৰ তৰাজান চাহ বাগিচাৰ নিবাসী পত্নী পূৰ্ণিমা আৰু পুত্ৰ সমীৰৰ স'তে মাজে সময়ে ঘৰুৱা সমস্যাৰ বাবে কাজিয়া-পেছাল হৈ আছিল। যোৱা নিশাও প্ৰথমে স্বামী আৰু পত্নীৰ মাজত প্ৰথমে কথাৰ তৰ্কাতৰ্কি হয় আৰু পাছলৈ ই কাজিয়াৰ সূত্ৰপাত ঘটে। পৰৱৰ্তী অৱস্থাত পত্নী আৰু পুত্ৰই চুকৰাক নিজ গৃহতেই লাঠিৰে মৰিয়াই মৰিয়াই নৃশংসভাৱে হত্যা কৰে বুলি আৰক্ষী সূত্ৰই সদৰী আঠ পৃষ্ঠাত চাওক

**অবৈধ সম্পৰ্কৰ ভয়ংকৰ পৰিণতি**

## বৰপথাৰত পিতৃ-পত্নী-বন্ধুৱে হত্যা কৰিছিল চম্পকক

**বৰপথাৰ, ২ অক্টোবৰ ঃ** অবৈধ সম্পৰ্কৰ পৰিণতিতেই সংঘটিত হৈছিল বৰপথাৰৰ নৃশংস, নিষ্ঠুৰ, অমানৱীয় ঘটনা। ঘটনাটো সংঘটিত হৈছে ধনশিৰি মহকুমাৰ বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত শেনচোৱা গাঁৱত। যোৱা ২৮ ছেপ্টেম্বৰত শেনচোৱা গাঁৱৰে বাসিন্দা চম্পক সন্দিকৈৰ মৃতদেহ ডিঙিত কাপোৰৰে মেৰিয়াই থোৱা অৱস্থাত উদ্ধাৰ হৈছিল নিজ গৃহতে। বাহিৰৰ পৰা তলাবন্ধ অৱস্থাত আছিল কোঠাটো। আনহাতে, সেইদিনাৰ পৰাই পলাতক অৱস্থাত আছিল মৃত চম্পকৰ পত্নী ৰিকুমণি সন্দিকৈ। ইয়াৰ পাছতে ঘটনাই জোঁকাৰি গৈছিল সমগ্ৰ অসম। পিতৃ প্ৰদীপ সন্দিকৈয়ে অভিযোগ তুলিছিল চম্পকৰ পত্নীয়েই হত্যা কৰা বুলি। আনহাতে, বৰপথাৰ আৰক্ষী থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত আৰম্ভ হৈছিল আৰক্ষীৰ তদন্ত। ইয়াৰ পাছতে তিনি দিনৰ অন্তত ডিমাপুৰৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হ'ল মূল অভিযুক্ত মৃত চম্পকৰ পত্নী ৰিংকুমণিক। ৰিংকুমণিক গ্ৰেপ্তাৰৰ পাছতে আৰক্ষীৰ সোধ-পোছত আঠ পৃষ্ঠাত চাওক

**পূজা চাবলৈ পাই উল্লাসৰ সীমা নাই অনাথ শিশুৰ**

## নগাঁৱৰ ৰাজ্যিক নাৰী-শিশুগৃহৰ আৱাসীক পূজা দৰ্শন কৰোৱালে বিধায়কে



বিশেষ সংবাদদাতা
**নগাঁও, ২ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ আজি মহাসপ্তমীৰ পুৱা নগাঁও চহৰৰ আমোলাপট্টিস্থিত ৰাজ্যিক নাৰী আৰু শিশুগৃহত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত হৈ শিশুগৃহ আৰু নাৰীগৃহত থকা আৱাসীসকলক পূজাৰ অভিনন্দন জ্ঞাপন কৰে। পূজা আহিলেই বিশেষকৈ শিশুসকলৰ মন উখল-মাখল হৈ পৰে। পৰিয়ালৰ লগত পূজা চাবলৈ যোৱা, দেৱী মাক দৰ্শন কৰাকে ধৰি পূজা বুলিলেই অলেখ পৰিকল্পনা। কিন্তু এনে কিছু শিশু আছে যিসকলে নিজৰ অভিভাৱক তথা পৰিয়ালৰ অভাৱত উৎসৱ-পাৰ্বণ আদিৰ পৰা বঞ্চিত হৈ পৰে। নগাঁৱৰ ৰাজ্যিক নাৰী আৰু শিশুগৃহত আশ্ৰয় লৈ থকা পিতৃ-মাতৃ তথা পৰিয়ালবিহীন অনাথ শিশুসকলৰ মনতো পূজা চোৱাৰ প্ৰবল ইচ্ছা থাকে। তেওঁলোকৰ মনৰ ইচ্ছাৰ বিষয়ে বিধায়ক শৰ্মাই জানিব পাৰি আজি সপ্তমী পূজাৰ দিনটোত তেওঁলোকৰ কাষত উপস্থিত হয় গৈ। পৰৱৰ্তী সময়ত আঠ পৃষ্ঠাত চাওক

## ডিগবৈত দুৰ্ঘটনাত মৃত্যু মটৰচাইকেল আৰোহী

**ডিগবৈ, ২ অক্টোবৰ ঃ** তিনিচুকীয়া জিলা ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত ডিগবৈ দুলীয়াজান সংযোগী পথত অৱস্থিত বৰজানত এক শোকাৱহ মটৰচাইকেল দুৰ্ঘটনা সংঘটিত হয়। তথ্য অনুসৰি কালি প্ৰায় সাত বজাত ডিগবৈ বালিজানৰ নিবাসী অইল ইণ্ডিয়া লিমিটেডৰ স্থায়ী কৰ্মচাৰী ফনিধৰ মেচৰ পুত্ৰ প্ৰাঞ্জল মেচ (২৭) ওৰফে গৌতমে বালিজানস্থিত নিজ বাসগৃহৰ পৰা দুলীয়াজানত অৱস্থিত ভাড়াঘৰলৈ এ এছ-২৩ টি-৯৮৪৫ নম্বৰৰ কেটিএম আঠ পৃষ্ঠাত চাওক

**অনলাইন বুকিঙৰ মাধ্যমেৰে পৰ্যটকে প্ৰৱেশ কৰিব লাগিব মানাহত**

## পৰ্যটকৰ বাবে মুকলি হ'ল মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশদ্বাৰ

অগ্ৰদূত বাৰ্তা
**শালবাৰী, ২ অক্টোবৰ ঃ** পৰ্যটকৰ বাবে আজি পুনৰ মুকলি হ'ল প্ৰকৃতিৰ ৰাণী বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশদ্বাৰ। ৰাষ্ট্ৰীয় উদ্যানখনৰ চেণ্ট্ৰেল ৰেঞ্জ অৰ্থাৎ বাঁহবাৰী ৰেঞ্জৰ মূল প্ৰৱেশদ্বাৰত আয়োজিত অনুষ্ঠানৰ মাজেৰে আজি ৰঙা ফিটা কাটি ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে মুকলি কৰে বিটিআৰৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে। ইয়াৰ পূৰ্বে বাঁহবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ পৰা প্ৰৱেশদ্বাৰলৈ বিভাগীয়



বহুকেইটা হাতী সমন্বিতে এক সাংস্কৃতিক শোভাযাত্ৰাও কৰা হয়। উল্লেখ্য যে এইবাৰ মানাহত প্ৰৱেশৰ বাবে সকলো পৰ্যটকে অনলাইনযোগে বুকিং কৰাটো বাধ্যতামূলক কৰা হৈছে। ইয়াৰ বাবে মুকলি কৰা হৈছে এটা ৱেবছাইট। আনহাতে, সদ্যহতে ৰাষ্ট্ৰীয় উদ্যানখনত ৰিভাৰ ৰাফটিঙৰ ব্যৱস্থা মুকলি কৰা নাই যদিও উদ্যানখনৰ বাঁহবাৰী, ভূঞাপাৰা, পানবাৰী তিনিটা ৰেঞ্জতে পৰ্যটকে জীপ ছাফাৰিৰ আঠ পৃষ্ঠাত চাওক

## জামুগুৰিত তিনিদিনীয়া কাৰ্যসূচীৰে গুৰু জয়ন্তী সমাৰোহ

অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ২ অক্টোবৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ভক্তি-ধৰ্ম-আদৰ্শৰে প্ৰতিষ্ঠিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজ, জামুগুৰি আঞ্চলিক শাখা সমাজৰ উদ্যোগত অহা চাৰি অক্টোবৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৭৪ সংখ্যক গুৰু জয়ন্তী সমাৰোহভাগ বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰিছে। জামুগুৰিহাটৰ পাঞ্চজন্য বৰ নামঘৰ ক্ষেত্ৰত অনুষ্ঠিত হ'ব লগা গুৰু জয়ন্তীভাগৰ কাৰ্যসূচী অনুসৰি চাৰি অক্টোবৰত উত্তৰ চিলাবন্ধা গাঁও পঞ্চায়তৰ সভাপতি জয়ন্ত বৰাহ আঠ পৃষ্ঠাত চাওক

## তেজপুৰ কেন্দ্ৰীয় কাৰাগাৰত চেনিটেৰী নেপকিন নিষ্কাসন যন্ত্ৰ মহিলা কাৰাবন্দীলৈ



ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ২ অক্টোবৰ ঃ** গান্ধী জয়ন্তী উপলক্ষে আজি ৰাজ্যৰ আন পাঁচখন কেন্দ্ৰীয় কাৰাগাৰৰ স'তে তেজপুৰ কেন্দ্ৰীয় কাৰাগাৰৰ মহিলা কাৰাবন্দীসকলৰ বাবে চেনিটেৰী নেপকিন নিষ্কাসন কৰা এক যন্ত্ৰ উদ্বোধন কৰা হয়। শোণিতপুৰৰ অতিৰিক্ত উপায়ুক্ত ৰুমি বৰুৱাই আজি এই আনুষ্ঠানিকতা ৰূপায়ণ কৰে। উল্লেখ্য যে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ পৰিকল্পনা অনুসৰি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণ, সমাজ কল্যাণ বিভাগৰ উদ্যোগত আৰু অসম কাৰাগাৰ মুখ্যালয়ৰ সহযোগত চেনিটেৰী নেপকিন নিষ্কাসনৰ আধুনিক প্ৰযুক্তিৰ এই যন্ত্ৰ আঠ পৃষ্ঠাত চাওক

## সৰুপথাৰত ধৰা পৰিল তিনিজনকৈ ড্ৰাগছ সৰবৰাহকাৰী



**সৰুপথাৰ, ২ অক্টোবৰ ঃ** সৰুপথাৰত মহাসপ্তমীৰ দিনাই তিনিজনকৈ ড্ৰাগছ সৰবৰাহকাৰী আৰক্ষীৰ জালত পৰে। জানিব পৰা তথ্য অনুসৰি পুৱা ১০ বজাত সৰুপথাৰ নগাজৰী গাঁৱত বোকাজান কাৰ্বি আংলং হৈ নগাজৰী দিশে আহি থকা অৱস্থাত দুজন ড্ৰাগছ সৰবৰাহকাৰী সৰুপথাৰ দুই নম্বৰ কৈৰিগাঁওৰ ক্ৰমে মাৰফৎ আলি আৰু হজৰত আলি হাতে লোটে ধৰা পৰে। সৰুপথাৰ আৰক্ষীয়ে তেওঁলোকৰ পৰা তিনিটা চাবোন কেচত অনা ৩৪ গ্ৰাম সন্দেহযুক্ত ব্ৰাউন চুগাৰ আৰু এখন ৰঙা বৰণৰ এ এছ-০৫ আৰ- ৩৬৮৩ নম্বৰৰ টি ভি এচ আপাচী মটৰ চাইকেল জব্দ কৰে। তেওঁলোক দুয়োকে আটক কৰি সৰুপথাৰ থানালৈ নিয়াৰ ঠিক দুঘণ্টা পাছতেই পুনৰ সৰুপথাৰ ই-ৰিক্সা আস্থানৰ সমীপত আঠ পৃষ্ঠাত চাওক

## আজি হোজাইলৈ মুখ্যমন্ত্ৰী

অগ্ৰদূত বাৰ্তা
**হোজাই, ২অক্টোবৰ ঃ** কাইলৈ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হোজাই চহৰ ভ্ৰমণ কৰিব। তেওঁ দুপৰীয়াৰ ভাগত হেলিকপ্টাৰেৰে আহি হোজাইৰ বিহুতলী খেলপথাৰত নামিব। কাইলৈ তেওঁ হোজাইৰ ৰাম কৃষ্ণ মিছন, ভাৰত সেৱাশ্ৰম সংঘ, বাৰোৱাৰী পূজাৰ লগতে কে'বাখনো পূজাথলী পৰিদৰ্শন কৰিব। মুখ্যমন্ত্ৰীয়ে বিয়লি হোজাইৰ বন বিভাগৰ আৱৰ্ত ভৱনত জিৰণি ল'ব আৰু ইয়াতে বিয়লি দুই বজাৰ পৰা চাৰি বজাৰ ভিতৰত সংবাদদাতাসকলক সাক্ষাৎ কৰিব।

## তামুলপুৰত বিটিআৰ প্ৰধান বড়োৰ কে'বাটাও গ্ৰাম্য পথৰ উদ্‌ঘাটন



অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ২ অক্টোবৰ ঃ** তামুলপুৰ জিলা সদৰত কালি আবেলি বিটিআৰ প্ৰধান প্ৰমোদ বড়োই কে'বাটাও গ্ৰাম্য পথ উদ্‌ঘাটন কৰে। বিটিআৰ প্ৰধানজনে ১৫ বিত্তীয় বৰ্ষৰ আঁচনিৰ ধনেৰে নিৰ্মিত ৰঙিয়া-ভূটান পথৰ পৰা তামুলপুৰ বাণিজ্য মহাবিদ্যালয় সংযোগী পথ, গেৰুৱা সংযোগী পথ, ১১ মাইলৰ পৰা চোকামাৰী সংযোগী পথ, জিলা সদৰ মটঙাচ'কৰ পৰা বাৰেইগাঁও কল'নি সংযোগী পথ, তামুলপুৰ-ওদালগুৰি পথৰ পৰা বেলবাৰী সংযোগী পথকেইটাৰ ফিটা কাটি উদ্‌ঘাটন কৰে। পথ উদ্‌ঘাটন কৰি বিটিআৰ প্ৰধানজনে সংবাদ মাধ্যমৰ আগত কয় যে বিটিআৰৰ পাঁচোখন জিলা সদৰৰ লগত সংযোগী পথসমূহৰ লগতে সকলো গ্ৰাম্য পথসমূহ পকীকৰণৰ বাবে ব্যৱস্থা কৰা হৈছে। আঠ পৃষ্ঠাত চাওক

## সৰুপেটাৰ কৃতী শিক্ষক সিদ্ধেশ্বৰ নাথৰ দুৰ্ঘটনাত মৃত্যু

অগ্ৰদূত বাৰ্তা
**সৰুপেটা, ২ অক্টোবৰ ঃ** বৃহত্তৰ সৰুপেটা অঞ্চলৰ কৃতী শিক্ষক সিদ্ধেশ্বৰ নাথ (৮৬)ৰ যোৱা নিশা সৰুপেটাৰ সমীপৰ ভালাগুৰী গাঁৱৰ ৰেলৰে ক্ৰছিঙৰ সমীপৰ ৰেল লাইনৰ ওপৰত সংঘটিত এক দুৰ্ঘটনাত মৃত্যু হয়। পৰিয়ালৰ সূত্ৰই সদৰী কৰা মতে, নাথ কিছুদিন আগৰে পৰা শাৰীৰিকভাৱে অসুস্থ হৈ আছিল। আনহাতে, এনে কাৰণতেই ফুৰিবলৈ যোৱা অৱস্থাত অন্যমনস্ক অৱস্থাত থকা কৃতী শিক্ষকজনে ৰেলৰ খুন্দাত আঠ পৃষ্ঠাত চাওক

## দুৰ্গোৎসৱৰ ভিৰৰ মাজতে বকো চহৰত অঘটন ঃ ৰাজপথত জ্বলিল যাত্ৰীবাহী বাছ

অগ্ৰদূত বাৰ্তা
**বকো, ২ অক্টোবৰ ঃ** দুৰ্গোৎসৱৰ ভিৰৰ মাজতে আজি সন্ধিয়া বকো চহৰত অঘটন সংঘটিত হ'ল। চাৰিওফালে ধোঁৱাই ছানি ধৰিলে।



হৈ চৈ লাগিল পলকতে। বকো চহৰৰ মাজমজিয়াত ১৭ নম্বৰ ঘাইপথত জ্বলিবলৈ লয় এখন যাত্ৰীবাহী বাছ। কাৰিকৰী বিজুতিৰ বাবে সংঘটিত হয় এই ঘটনা। চালকৰ আসনৰ তলত জ্বলি উঠে জুই। ফলত হুৱাদুৱা লাগে চৌপাশে। ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হয় অগ্নি নিৰ্বাপক বাহিনীৰ বাহন। নিৰ্বাপিত কৰা হয় জুই। এএছ-২৫-এফচি-০৪৪৮ নম্বৰৰ বাছখনত সংঘটিত হয় এই অঘটন। ঘটনাস্থলীত বকো আৰক্ষী উপস্থিত হৈ নিয়ন্ত্ৰণ কৰে পৰিস্থিতি। গুৱাহাটীৰ পৰা ছমৰীয়া অভিমুখে গৈ আছিল বাছখন। কোনো হতাহতিৰ খবৰ নাই।

**শোণিতপুৰৰ ৪৪১ খন পূজাত ভক্তৰ সমাগম ঃ তেজপুৰ ৰাজহ চক্ৰত ১৩৬ খন পূজা**



## জাকজমকতাৰ বিপৰীতে সাত্ত্বিকতাক গুৰুত্ব

ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ২ অক্টোবৰ ঃ** দুৰ্গতিনাশিনী দশভুজাৰ আৰাধনাৰে শোণিতপুৰ তথা তেজপুৰৰ পূজা মণ্ডপসমূহত আজি পুৱাৰ পৰাই ভক্তৰ সোঁত আৰম্ভ হয়। শোণিতপুৰ প্ৰশাসনৰ তথ্য অনুসৰি, এইবাৰ জিলাখনত মুঠ ৪৪১খন পূজা অনুষ্ঠিত হোৱাৰ বিপৰীতে কেৱল তেজপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চলত অনুষ্ঠিত হৈছে ১৩৬ খন দুৰ্গা পূজা। দেৱী দুৰ্গাৰ স্তুতি, নামেৰে তেজপুৰৰ বিভিন্ন পূজা মণ্ডপ উজ্জীৱিত হোৱাৰ বিপৰীতে জাকজমকতাৰ সলনি তেজপুৰৰ বহুকেইখন পুৰণা পূজাত গুৰুত্ব দিয়া হৈছে সাত্ত্বিকতাকহে। উল্লেখ্য যে তেজপুৰত প্ৰথম ৰাজহুৱা দুৰ্গা পূজা অনুষ্ঠিত হৈছিল ১৮৮৭ত। দ্বিতীয়খন ৰাজহুৱা দুৰ্গা পূজা কলিবাৰীত তেজপুৰ অসমীয়া ভাষা উন্নতি সাধিনী সভাই আৰম্ভ কৰিছিল ১৯০৭ত। এইখন পূজাৰ আঁত ধৰিয়েই তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰে ১৯০৯ৰ পৰা ধাৰাবাহিকভাৱে সম্পূৰ্ণ সাত্ত্বিক পৰিৱেশত বিগত ১১৪ বছৰ ধৰি পালন কৰি আহিছে আঠ পৃষ্ঠাত চাওক

## অগণন ভক্তৰ সমাবেশ নলবাৰী কলেজ চ'কৰ দেৱী পূজাত



**দুৰ্গা পূজা অসমীয়া সংস্কৃতিৰ প্ৰধান অংগ ঃ শৰ্মা**

**নলবাৰী, ২ অক্টোবৰ ঃ** আই গোসাঁনী ৰূপত শক্তিৰ অধিষ্ঠাত্ৰী দেৱী যুগ যুগৰ পৰাই পূজিত— সময়ত স্থানীয় ভাষাত দেৱীৰ নামকৰণ কৰিছিল যদিও কালিকা পুৰাণ আৰু দেৱী ভাগৱত ৰচনা হোৱাৰ পাছত দেৱীৰ নামসমূহ সংস্কৃতীয় আঠ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

# সাহিত্য আৰু জীৱন



# ৱিলিয়াম এম্পছনৰ সমালোচনা তত্ত্ব

## ভাষা হ'ল এটা সামাজিক সত্য আৰু ব্যক্তিগত অভিজ্ঞতাৰ অংশ



ড° আনন্দ বৰমুদৈ

**ৰবাৰ্ট** গ্ৰেইভছ আৰু লৰা ৰাইডিঙে শ্বেক্সপীয়েৰৰ ১২৯ নম্বৰৰ চনেটটোৰ (The expense of spirit in a waste of shame) যি ব্যাখ্যা দাঙি ধৰিছিল তাত অৰ্থৰ ভিন্নতা প্ৰকাশ পাইছিল। সেই ব্যাখ্যাই ৱিলিয়াম এম্পছনক প্ৰভাৱিত কৰিছিল আৰু তেওঁ সেই ধৰণৰ ব্যাখ্যা সাধাৰণভাৱে ইংৰাজী কবিতাত প্ৰয়োগ কৰিবলৈ বিচাৰিছিল। সেই অন্বেষণৰে ফল তেওঁৰ বিখ্যাত Seven Types of Ambiguity গ্ৰন্থ। সমালোচকসকল কিতাপখনৰ শিৰোণামতে থকা ambiguity শব্দটো লৈ বৰ সুখী নাছিল। Ambiguity, অৰ্থাৎ দ্ব্যৰ্থতা শব্দটোৱে বৰ্ণনাত্মক গদ্যৰ দৃষ্টিকোণৰ কথাহে ইংগিত কৰে য'ত কেৱল মাত্ৰ এটা অৰ্থহে পাঠকে বিচাৰে। দ্বিতীয় বা তৃতীয় অৰ্থৰ উপস্থিতিয়ে সমস্যাৰহে সৃষ্টি কৰে। দ্ব্যৰ্থতা পৰিভাষাটোৱে অৰ্থৰ সমৃদ্ধিতকৈ সন্দেহ, অনিশ্চিত আৰু সমস্যাৰ কথাহে কয়।

সমালোচক ৰিমছাট আৰু ব্ৰুকছৰ মতে এম্পছনৰ সাত ধৰণৰ দ্ব্যৰ্থকৰ শ্ৰেণী বিভাজনক বৰ কটকটীয়া বুলি ধৰিব নালাগে। এটাৰ লগত আন এটা কেতিয়াবা ওপৰা উপৰি হৈ যায় আৰু সময়ত সংজ্ঞাবোৰ যথেচ্ছাচাৰী হৈ পৰে। ভাষাৰ ভিন্ন দিশৰ প্ৰতি বিশ্লেষণৰ যোগেদি পাঠকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ তেনে শ্ৰেণী বিভাজনৰ প্ৰয়োজন হৈছিল। সমালোচক দুগৰাকীয়ে এম্পছনৰ মনঃস্তাত্ত্বিক পক্ষপাতিত্বৰ উদাহৰণ হিচাপে Seven Typesৰ পৰা শ্বেক্সপীয়েৰৰ ১৬ নম্বৰ চনেটটোৰ (But wherefore donot you a mightier way) বিশ্লেষণৰ পৰা এটা উদ্ধৃতি দিছে, 'এই ধৰণৰ ব্যৰ্থতা, তিনিভাগত ভগাব পাৰি। এভাগত ই এবাৰ বুজি পোৱাৰ পাছত মনৰ মাজত বোধগম্য একক এটা হৈ সদায় থাকি যায়। দ্বিতীয় বিধত প্ৰতিবাৰ কম কষ্টতে অৰ্থোদ্ধাৰৰ আনন্দ লাভ কৰিব পাৰি। আনবিধ দ্ব্যৰ্থতাৰ কথা কোৱা হৈছে যে তাক আৱিষ্কাৰ নকৰাহে ভাল। কবিতা এটা কোন শ্ৰেণীৰ দ্ব্যৰ্থ্যতাত পৰিব সেই কথা নিৰ্ভৰ কৰিব পাঠকৰ মানসিক অভ্যাস আৰু সমালোচনাত্মক মতামতৰ ওপৰত।' এই উদ্ধৃতিৰ পৰা দেখা যায় যে শ্ৰেণী বিভাজন কবিতাৰ ভিত্তিত নকৰি পাঠকৰ ভিত্তিতহে কৰা হৈছে। প্ৰথম আৰু দ্বিতীয়বিধ দ্ব্যৰ্থতাৰ মাজৰ বিভাজন নিখুঁত নহয়। প্ৰতিবাৰ পুনৰ পঠনত পাঠকৰ শ্ৰম ক্ৰমান্বয়ে কমি গৈ থাকিলে এসময়ত গৈ শ্ৰম নলগাই হ'ব। তৃতীয় বিধৰ দ্ব্যৰ্থতা বিভ্ৰান্তিকৰ। ইয়াত পাঠক সজাগেই হ'ব নালাগিব যে তেওঁ দ্ব্যৰ্থতাৰ মুখামুখি হৈছে। ৰিমছাট আৰু ব্ৰুকছৰ মতে এম্পছনে ইয়াত কবিতা এটাৰ প্ৰতি তিনি ধৰণৰ সঁহাৰিৰ শ্ৰেণীবিভাজন কৰিছে। তেওঁ তিনিবিধ কবিতা অথবা পঠনত তিনিটা স্তৰৰ বিভাজন কৰা নাই।

মূল্যায়নৰ ক্ষেত্ৰত এম্পছনে সনঃস্তাত্ত্বিক দিশৰ ওপৰত দিয়া গুৰুত্বৰ নেতিবাচক প্ৰভাৱ আছে। তেওঁৰ পদ্ধতি এটা সাধাৰণ আৰু এটা ভাল কবিতাৰ ওপৰত একেদৰে প্ৰয়োগ কৰিব পাৰি। এই বিষয়ে তেওঁ নিজেও অৱগত আছিল। উদাহৰণ স্বৰূপে এলিয়টে শ্যেলীৰ Sky Lark কবিতাটোৰ প্ৰথম স্তৱকটোৰ সমালোচনাত কোৱা কথাৰ এম্পছনে উল্লেখ কৰিছে আৰু কৈছে যে এলিয়টে বিভিন্ন যিবোৰ চিত্ৰকল্পক সম্পৰ্কবিহীন বুলি কৈছিল সিবিলাকৰ মাজত সম্পৰ্ক প্ৰতিষ্ঠা কৰিব পাৰি। কিন্তু তেওঁৰ নিজৰ মতামত এনে ধৰণৰ ঃ শ্যেলীৰ কবিতাটোৰ চিন্তাত বহুত খেলিমেলি আছে। চিন্তাৰ খেলিমেলিয়ে কবিতাটোৰ সৰল গীতিধৰ্মী প্ৰবাহক বাধাগ্ৰস্ত কৰাটো ব্যাখ্যা কৰিব পাৰি। সেই কাৰণেই কিন্তু ই ন্যায্য নহয়। এই ধৰণৰ দ্ব্যৰ্থতাই বহুত বেয়া কবিতাৰ পৰাও আনন্দ আহৰণ কৰিব পাৰে।

ৰিমছাট আৰু ব্ৰুকছৰ মতে Seven Typesৰ অন্ততঃ এঠাইত এম্পছনে মূল্যৰ সমস্যাটো দেখ দেখকৈ আলোচনা কৰিছে। দ্ব্যৰ্থতা মূল্যৱান, ই আমনিদায়ক খেলিমেলি নহয়। ই যিমান দূৰ জটিলতা, সূক্ষ্মতা আৰু চিন্তাৰ সংক্ষিপ্তকৰণ,আৰু পাঠকে ইতিমধ্যে জনা কথাটোক ক্ষিপ্ৰতাৰে কোৱাৰ সুযোগ গ্ৰহণ কৰিব পাৰে, দ্ব্যৰ্থতা ন্যায্য। কিন্তু দ্ব্যৰ্থতা আপদ হয় আৰু ই সন্মান পোৱাৰ অযোগ্য হয় যদি ই চিন্তাৰ দুৰ্বলতাৰ পৰা আহে আৰু অযথা বিষয়ক দুৰ্বোধ্য কৰে। পাঠকক তেতিয়া ই বিসংগতিৰ ধাৰণা এটাহে দিয়ে। দ্ব্যৰ্থতাই অৰ্থক জটিল আৰু সমৃদ্ধ কৰে। কিন্তু দুৰ্বোধ্য নকৰে। দ্ব্যৰ্থতাৰ এই ধৰণৰ ন্যায্যতাই এম্পছনৰ সমালোচনাত জ্ঞান সম্পৰ্কীয় প্ৰৱণতাৰ কথা কয়। কিন্তু কিছুমান ঠাইত আন আগ্ৰহে জ্ঞান সম্পৰ্কীয় উপাদানক ঢাকি ধৰে। অনেক পণ্ডিত আৰু সমালোচকে ৱিলিয়াম এম্পছনৰ বিৰুদ্ধাচৰণ কৰাৰ কাৰণ তেওঁৰ ৰেকুন সদৃশ অনুসন্ধিৎসা। তেওঁলোকে এম্পছনৰ সমালোচনাত ঘড়ী এটা খুলি ইনো কেনেকৈ চলে তাকে চাবলৈ বিচৰা দুষ্ট ল'ৰা এটাৰ দুষ্টালিহে দেখা পায়।

এম্পছনৰ The Structure Complex words গ্ৰন্থতো মনঃস্তাত্ত্বিকতা এক প্ৰধান উপাদান। মনঃস্তত্ত্বক লৈ তেওঁ কিছুমান মুকলি আলোচনা কৰিছে। তেওঁলোকৰ অসচেতন উদ্দেশ্যৰ বিষয়ে চিন্তাচৰ্চা কৰিছে। লেখকৰ ব্যক্তিগত বিশ্বাস, তেওঁ দৰ্শক পাঠকৰ ওপৰত কৰিব পৰা কৌতুক, পাঠকৰ সঁহাৰি, বিশেষ দৰ্শকে ঐতিহ্যৰ পৰা আহৰণ কৰা ধ্যান ধাৰণাৰ পৰীক্ষা, দ্ব্যৰ্থতাক গঢ় দিয়া সাহিত্য পৰম্পৰা, ইয়াৰ সংবেদনশীলতা অথবা মূৰ্খামি আদিক তেওঁ পৰীক্ষা কৰিছিল। সমালোচকৰ মতে এম্পছনে এই গ্ৰন্থত জ্ঞান সংক্ৰান্তীয় স্থিতিৰ ফালে আগবাঢ়িছিল। কিতাপখনৰ প্ৰথম অধ্যায়তে তেওঁ ৰিচাৰ্ডছৰ এটা নীতি অগ্ৰাহ্য কৰিছিল যে কবিতাত শব্দৰ অনুভূতি অৰ্থনিৰ্ভৰ নহয়। এম্পছনে এই কথাত মন কৰিছিল যে ৰিচাৰ্ডছে The Philosophy of Rhetoric লিখাৰ সময়লৈকে তেওঁ নিজেও এই কথা ভাবিছিল যে কবিয়ে অৰ্থৰ কথা চিন্তা কৰিব নালাগে। ৰিচাৰ্ডছে এই বুলিহে যুক্তি প্ৰদৰ্শন কৰিছিল যে কবিতা পঢ়োতে অৰ্থই আবেগক নিয়ন্ত্ৰণ কৰিব লাগে। পুৰণি অলংকাৰ শাস্ত্ৰই দ্ব্যৰ্থতাক ভাষাৰ দোষ বুলি গণ্য কৰি তাক নোহোৱা কৰিবৰ চেষ্টা কৰিছিল, কিন্তু নতুন অলংকাৰ শাস্ত্ৰই দ্ব্যৰ্থতাক ভাষাৰ শক্তিৰ অপৰিহাৰ্য ফলাফল বুলি গণ্য কৰে আৰু তাক আমাৰ অনেক গুৰুত্বপূৰ্ণ উক্তিৰ, বিশেষকৈ কবিতা আৰু ধৰ্মৰ ক্ষেত্ৰত, মাধ্যম বুলি গণ্য কৰে।

ৰিচাৰ্ডছে এই কথা মানি লৈছে যে শব্দৰ দ্ব্যৰ্থতা স্বয়ংসম্পূৰ্ণ নহয়। ভাষাৰ মাধ্যমেদি হোৱা যোগাযোগৰ অৱস্থাটোৱেই হৈছে সেই ভাষা ব্যৱহাৰ কৰা মানুহবোৰৰ অনুৰূপতা। ভাষা হ'ল এটা সামাজিক সত্য আৰু ব্যক্তিগত অভিজ্ঞতাৰ অংশ। সুস্থিৰ প্ৰসংগৰ পৰা সুস্থিৰ অৰ্থ আহৰণ কৰা হয়। 'কটাৰী' শব্দটোৰ অৰ্থ সুস্থিৰ, কাৰণ যিবোৰ প্ৰসংগত শব্দটো ব্যৱহাৰ কৰা হয়। সেইবোৰ কম-বেছি পৰিমাণে একেই। বিজ্ঞান আৰু কাৰিকৰী জগতত শব্দ একোটাৰ অৰ্থ সীমিত হৈ থাকে। বিজ্ঞানৰ কাৰিকৰী ভাষাৰ বাহিৰত শব্দৰ অৰ্থৰ পৰিৱৰ্তন হয় ।তাকে নোহোৱা হ'লে ভাষাই তাৰ সূক্ষ্মতা আৰু নমনীয়তা হেৰুৱাব। সূক্ষ্মতা আৰু নমনীয়তাৰ কথাটো বিশেষভাৱে মন কৰিবলগীয়া। শব্দ এটাৰ নমনীয়তা যদি হেৰাই যায়, তাক যদি অকণমান সম্প্ৰসাৰিত কৰি বা অকণমান আঁতৰাই আনি নতুন প্ৰসংগ এটাত ব্যৱহাৰ কৰিব নোৱাৰি, তাৰ সূক্ষ্মতাও নোহোৱা হয়। তেনে শব্দক দ্ব্যৰ্থবোধক কৰি ব্যৱহাৰ কৰিব নোৱাৰি। দ্ব্যৰ্থক কৰি ব্যৱহাৰ কৰিব নোৱাৰা শব্দক যথাযথ অৰ্থতো ব্যৱহাৰ কৰিব নোৱাৰি। শব্দাৰ্থৰ যথাৰ্থতাৰ এই ধাৰণা এই বিষয়ত আমাৰ সাধাৰণ ধাৰণাৰ পৰা পৃথক। যথাৰ্থতাৰ পৰম্পৰাগত ধাৰণা বৈজ্ঞানিক পৰিভাষাৰ প্ৰকৃতিৰ ওপৰতহে প্ৰতিষ্ঠিত। বৈজ্ঞানিক ভাষাৰ নিজা ধৰণৰ যথাৰ্থতা আছে, কিন্তু তাৰ বাহিৰত আন সকলো আমোদজনক আলোচনাত শব্দৰ যি যথাৰ্থতা তাক সূক্ষ্মতা বুলিও ক'ব পাৰি।

যিসকলে এম্পছনৰ পদ্ধতিৰ বিৰোধিতা কৰে তেওঁলোকে ভাবে যে এই পদ্ধতিত পাঠ এটাত যিকোনো অৰ্থই বিচাৰি পাব পাৰি। আন এটা অভিযোগ আছিল যে সৰল আৰু ভাবপ্ৰৱণতাৰে লিখা কবিতাক অৱহেলা কৰা হৈছিল। ৱৰ্ডছৱৰ্থ অথবা ব্লেইকৰ সৰল গীতি কবিতাবিলাকক লৈ এই ধৰণৰ সমালোচকে কি কৰিব সেই প্ৰশ্নও উত্থাপন কৰা হৈছিল। এই প্ৰসংগত অৱশ্যে ৰিমছাট আৰু ব্ৰুকছে সেই প্ৰতিবাদৰ সীমাবদ্ধতাৰ কথাও উল্লেখ কৰিছে। প্ৰতিবাদ কৰাসকলে ভাবে যে জটিল গাঁথনি এটাই লেখকৰ উদ্দেশ্যৰো সমানে জটিল ৰূপ প্ৰতিফলিত কৰিব লাগিব। কিন্তু কবিতা এটাৰ গাঁথনিৰ তত্ত্বক কবিতাটোৰ ৰচনাৰ তত্ত্বৰ লগত একে কৰিব নোৱাৰি। কোনোবাই কেতিয়াবা কবিতাৰ এটা মহৎ শাৰী অথবা স্তৱক উদ্ধৃত কৰি প্ৰমাণ কৰিব খোজে যে সৰল কবিতাও মহৎ হ'ব পাৰে। এইটোও এটা ভুল ধাৰণাহে। কাৰণ শাৰীটো বা স্তৱকটোৱে তাৰ কাব্যিক শক্তি আহৰণ কৰে সাহিত্যিক যি প্ৰসংগৰ পৰা সেই শাৰী বা স্তৱক উঠাই অনা হৈছে তাৰ ওপৰত। সমালোচক দুগৰাকীয়ে এটা আমোদজনক উদাহৰণ দাঙি ধৰিছে। 'কিংলীয়েৰ' নাটকৰ এটা বিখ্যাত শাৰী 'Ripeness is all'। শাৰীটো এডগাৰৰ সংলাপৰ। শ্বেক্সপীয়েৰৰ বিখ্যাত ট্ৰেজেডি নাটকখনৰ প্ৰসংগৰ লগত পৰিচিত নোহোৱা মানুহ এজনে এই শাৰীটোৰ শক্তি উপলব্ধি কৰিব নোৱাৰে। শ্বেক্সপীয়েৰৰ নাটকখন নপঢ়া ফলমূলৰ বেপাৰী এজনক 'Ripeness is all'। বুলি কথাষাৰ শুনালে তেওঁ সেই কথাষাৰৰ কাব্যিক শক্তিৰ বিষয়ে একো ধাৰণা কৰিব নোৱাৰিব। আমি প্ৰসংগৰ পৰা আঁতৰাই আনিছো বুলি ভবা বাক্য এটায়ো তাৰ শক্তি সাহিত্যিক প্ৰসংগৰ পৰাই আহৰণ কৰে।



এমএইছ আব্ৰামছে A glossary of Literary Termsত এম্পছনৰ দ্ব্যৰ্থতাৰ বিষয়ে লিখিছে যে সাধাৰণ ব্যৱহাৰত দ্ব্যৰ্থতাক ৰচনা শৈলীৰ ত্ৰুটি হিচাপেহে গণ্য কৰা হয়। অৰ্থৰ য'ত স্পষ্টতাৰ প্ৰয়োজন দ্ব্যৰ্থতাই তাত অৰ্থক অস্পষ্টহে কৰে। কিন্তু ৱিলিয়াম এম্পছনৰ Seven types of Ambiguity ১৯৩০ত প্ৰকাশ পোৱাৰ পাছত দ্ব্যৰ্থতা হৈ পৰিল এক কাব্যিক কৌশল আৰু কবিতাৰ সমালোচনাত পৰিভাষাটো বহুলভাৱে ব্যৱহৃত হ'বলৈ ধৰিলে। শব্দ এটা অথবা বিশেষ ধৰণৰ প্ৰকাশে বিভিন্ন অৰ্থ কৰাটো কাব্যিক কৌশল হিচাপে পৰিগণিত হোৱাত ambiguity শব্দটোৰ পূৰ্বৰ নিন্দাসূচক অৰ্থৰো অন্ত পৰিল।

দ্ব্যৰ্থতাৰ উদাৰণ দিবলৈ আব্ৰামছে শ্বেক্সপীয়েৰৰ Antony and cleopatra নাটকৰ পৰা ক্লিওপেট্ৰাৰ সংলাপ এটাৰ পৰা চাৰিশাৰী তুলি দিছে। 'Come thou mortal wretch/with the sharp teeth this knot intrinsicate/of life at once untie/ Poor venomous food,/ Be angry and dispatch.' এই সংলাপ বিভিন্ন তাৎপৰ্যৰে সমৃদ্ধ। ইয়াত mortal শব্দটোৱে বিভিন্ন অৰ্থ কৰিছে। Mortal মানে মৰণশীল, মৃত্যু ঘটাব পৰা। একে সময়তে এই অৰ্থও কৰিব পাৰে যে যিডাল সাপে ক্লিওপেট্ৰাক খুঁটি মাৰিব সেই সাপডলো মৰণশীল। Wretch শব্দটোৱে ঘৃণা আৰু পুতৌ উভয়কে উদ্ৰেক কৰিছে। Dispatch শব্দটোৰ 'খৰধৰ কৰা' আৰু 'হত্যা কৰা' দুয়োটা অৰ্থই প্ৰাসংগিক। ৱিলিয়াম এম্পছনৰ কবিতাৰ ব্যাখ্যা কৰা ধৰণে কাব্যিক ভাষাৰ জটিলতা আৰু সমৃদ্ধিৰ বিষয়ে পাঠকক সজাগ কৰিলে। এই পদ্ধতিৰ সমালোচকে কয় যে দ্ব্যৰ্থতাৰ তীব্ৰ অনুসন্ধানৰ ফলত কেতিয়াবা পঠন অতিপঠন হ'বগৈ পাৰে। অতি পঠনৰ ফলত কেতিয়াবা শব্দ বা স্তৱক একোটাৰ স্ববিৰোধী ব্যাখ্যাও ওলাব পাৰে।

ই. বি বাৰগামৰ দৰে মাৰ্ক্সবাদী সমালোচকৰ মতে কবিতাৰ ব্যাখাও সমাজ বিজ্ঞানীৰ প্ৰেক্ষাপট প্ৰয়োজনীয়।কবিতাৰ সৰলতাৰ কথাটো তেওঁলোকে অৱহেলা নকৰে। বাৰগামৰ মতে এনেকুৱা কোনো নিংকিন গীতি কবিতা নাই যি তাৰ সৰলতাৰ কাৰণে লজ্জিত হ'ব লাগে। এম্পছনৰ পদ্ধতিত তেওঁ একো আসোঁৱাহ দেখা নাই, কিন্তু তাত তেওঁ সামাজিক প্ৰসংগৰ অভাৱ দেখা পাইছে। তেওঁৰ মতে মানৱীয় অভিজ্ঞতাৰ সম্পৰ্কলৈ আহিলে সৰল ধাৰণা এটাও জটিল হৈ পৰিব পাৰে। কবিতাৰ অৰ্থৰ সমস্যা আন সকলো ধৰণৰ অৰ্থৰ সমস্যাৰ দৰে মূলতে সমাজ বিদ্যাগত। ডেভিড ফুলাৰৰ মতে Seven Typesৰ শ্ৰেণী বিভাগৰ লক্ষ্য চিন্তাৰ পৰিচ্ছন্নতাহে, শ্ৰেণী বিভাগৰ কঠোৰতা নহয়। অৱশ্যে সূক্ষ্মতাক বাদ দি পৰিচ্ছন্নতাক তেওঁ লক্ষ্য কৰা নাই। শাব্দিক ব্যাখ্যাৰ বিশেষ পদ্ধতি তেওঁৰ চিন্তাৰ মুখ্য বিষয় হ'লেও তাৰ অন্তৰালত কবিতাৰ মৌলিক প্ৰকৃতিৰ চিন্তা সোমাই আছে। পাঠ এটাত লেখক এজনে লেখাৰ আগতে ভবাতকৈ অনেক বেছি অৰ্থ সোমাই থাকিব পাৰে। এম্পছনৰ সমালোচনাৰ গুৰুত্বপূৰ্ণ কথাটো হ'ল চিন্তা আৰু অনুভূতিৰ সূক্ষ্মতাক অনুধাৱন কৰা।

*ফোন ঃ ৯৮৬৪২৩২০৮৬*

## মাৰ্ক টুৱেইনৰ উপন্যাসত

# আফ্ৰিকীয়-আমেৰিকীয় ক্ৰীতদাস



আমেৰিকান সাহিত্যত মাৰ্ক টুৱেইনৰ যি স্থান, সেই স্থান আন কোনেও পূৰাব নোৱাৰে। জীৱনৰ তেনেই সাধাৰণ যেন লগা ঘটনাটোৱে বহুমূলীয় ৰত্নৰ সন্ধান দিব পাৰে। মাৰ্ক টুৱেইনৰ উপন্যাস ৰচনাতো জীৱনৰ কিছুমান অতি তুচ্ছ গুৰুত্বহীন ঘটনাৰ চিত্ৰণৰ মাজেদি ধৰাৰ বুকুত নিৰৱচ্ছিন্ন ধাৰাৰে বৈ থকা মানৱ জীৱনৰ অপৰাজেয় ইতিহাস বৰ্ণিত হৈছে। মানুহ প্ৰকৃতিৰ সন্তান। পাছে পোছাকী সভ্যতাৰ নামত মানুহে ক্ৰমশঃ নিজকে প্ৰকৃতিৰ পৰা বিচ্ছিন্ন কৰিছে আৰু ক্ৰমশঃ লোভ, স্বাৰ্থপৰতা আৰু হৃদয়হীনতাৰ চোলা পিন্ধি নিজকে 'নতুন মানুহ' ৰূপে চিনাকি দিছে। সভ্যতাৰ 'গতি প্ৰদানকাৰী' বুলি নিজকে পৰিচয় দিয়া এই চাম ব্যক্তিৰ একাংশই নিজতকৈ তুচ্ছ জ্ঞান কৰা ব্যক্তি সমুদায়ক নিজ শিকলিৰে বান্ধি পেলায়। আমেৰিকা নামৰ 'নতুন পৃথিৱী'খনত বাস কৰিবলৈ অহা ইউৰোপীয় শ্বেতকায় মুষ্টিমেয় মানুহখিনিয়েও তেনেকুৱা এটা ধাৰণা পোষণ কৰিছিল।

সিবিলাকে ঔপনিবেশিকতাবাদ আৰু ঔপনিবেশিক বাণিজ্যৰ 'বৰ' স্বৰূপে লাভ কৰা আফ্ৰিকীয় মহাদেশৰ পৰা চলে-বলে হস্তগত কৰা আফ্ৰিকীয় মূলৰ কৃষ্ণাংগ লোকসমূহক নিজৰ নিজৰ অৰ্থনৈতিক লাভালাভৰ একো একোটা উপাদানৰূপে গণ্য কৰি সিবিলাকৰ নকৈ গঢ় দিয়া কপাহ আৰু ধপাতৰ বাগানত হাড়ভগা পৰিশ্ৰমত নিযুক্ত কৰিছিল। অৰ্থনৈতিক লাভালাভৰ Balance Sheet -ত এই মানুহবোৰ অৰ্থাৎ ক্ৰীতদাসবোৰ একো একোটা গাণিতিক সংখ্যা মাত্ৰ আছিল; মূল্য কম-বেছি হৈছিল। সিবিলাকক মানুহৰ শাৰীত ধৰা হোৱা নাছিল, সিবিলাক যেন নিৰ্জীৱ মানুহ হিচাপে পণ্যসমূহৰ মাজৰ এটাহে আছিল। সিবিলাকৰ কোনো মৌলিক অধিকাৰ নাছিল। সিবিলাকে বিয়া-বাৰু কৰাব

### সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন



নোৱাৰিছিল, সম্পত্তি আহৰণ কৰি তাক সংৰক্ষণ কৰিব নোৱাৰিছিল। নিজস্ব গোষ্ঠীয় ৰীতি-নীতিৰে তেনে পুৰুষ-নাৰী এক হোৱাৰ ফলত যি সন্তানে জন্ম লাভ কৰিছিল, সেই সন্তানো তেনে দম্পতীৰ মালিকৰ সম্পত্তিৰূপে গণ্য হৈছিল। মালিকে নিজৰ অৰ্থনৈতিক বা ব্যৱসায়িক লাভালাভৰ বাবে তেনে শিশুকো নিষ্ঠুৰভাৱে তাৰ পিতৃ-মাতৃৰ বুকুৰ মাজৰ পৰা আজুৰি নি বিক্ৰী কৰি দিব পাৰিছিল বা সেই ক্ৰীতদাস দম্পতী আৰু অন্যান্য ক্ৰীতদাসৰ ওপৰত নিজৰ প্ৰভুত্ব আৰু কঠোৰ শাসন বৰ্তাই ৰাখিবলৈ দুৰ্ভগীয়া শিশুক হত্যাও কৰিব পাৰিছিল। তাৰ বাবে তেনে নিষ্ঠুৰ শ্বেতাংগ ব্যক্তিক আইন মতে দণ্ড দিয়াৰ কোনো ব্যৱস্থা নাছিল। তেনে কিছুমান হৃদয়বিদাৰক মৰ্মস্পৰ্শী চিত্ৰ আমি ঊনবিংশ শতিকাৰ Black American Literature-ত পঢ়িবলৈ পাওঁ।

আমাৰ আলোচ্য লেখক মাৰ্ক টুৱেইনো সেই একেটা শতিকাতে জন্ম লাভ কৰিছিল। তেওঁৰ বিশ্ববিখ্যাত উপন্যাস কৃতি The Adventures of Tom Sawya, The Adventures of Hucklebery Finn-ত কৃষ্ণাংগ ক্ৰীতদাস চৰিত্ৰই ভুমুকি মাৰিছে। এইখিনিতে মন কৰিবলগীয়া যে টম চয়াৰৰ জেঠায়েক পলিৰ ঘৰত কৃষ্ণাংগ ক্ৰীতদাস জিম আৰু হালকবাৰীৰ সংগী হোৱা কৃষ্ণাংগ জিম একে নাছিল। আণ্টি পলিৰ ক্ৰীতদাস জিম এটা সৰু ল'ৰা আছিল। সেই জিম সৰল প্ৰকৃতিৰ অজলা ল'ৰা আছিল। হাকলবাৰীৰ ফিনৰ জীৱন পৰিক্ৰমাত কোনো এটা বিশেষ কেঁকুৰিত উপস্থিত হোৱা জিম নামৰ ক্ৰীতদাসজন মধ্য বয়সীয়া ব্যক্তি আছিল। জিম হাকলবাৰীৰ পোষ্য মাতৃ লেডী ডগ্‌লাচৰ ভনীয়েক মিচ ৱাটচনৰ ঘৰুৱা ক্ৰীতদাস আছিল। মিচ ৱাটচনে জিমক অন্য এজন ক্ৰীতদাস ব্যৱসায়ীক বিক্ৰী কৰি দিবলৈ লোৱা বুলি শুনি জিমে পলায়ন কৰি নৈৰ পাৰৰ জন-প্ৰাণীহীন হাবি এখনত লুকাই আশ্ৰয় লৈছিল। একে ঠাইতে হাকলবাৰীও লুকাই আছিল। দুয়ো পৰস্পৰৰ মুখামুখি হোৱাৰ পাছত পৰস্পৰৰ পলায়নৰ কাহিনী শুনিছিল। জিমে হাকলবাৰীক বিশ্বাস কৰিছিল যদিওবা হাকলবাৰী শ্বেতবৰ্ণৰ আছিল। হাকলবাৰীয়ে জিমহঁতৰ নিচিনা দুৰ্ভগীয়া লোকৰ সংঘাতজৰ্জৰ জীৱনগাঁথা উপলব্ধি কৰে। হাকে জিমৰ কথা শুনাৰ পাছত জিমক মুক্ত কৰিবলৈ সংকল্পবদ্ধ হৈছিল। উপন্যাসখন পঢ়িলে ক'তো হাকক ক্ৰীতদাস বিৰোধী আন্দোলনত যোগদান কৰা দেখুওৱা নাই। পাছে হাকৰ কথা-বতৰাৰ পৰা এনে লাগে যে জিমৰ মংগলময় ভৱিষ্যতৰ বাবে সি 'নকৰিব লগীয়া' কামো কৰিব। ক্ৰীতদাস বিৰোধী আন্দোলনত যোগ দান কৰিব বুলি কোৱাটো তেনে এটা পদক্ষেপ। জিমহঁতৰ আচাৰ-আচৰণ মসৃণ নহয়। তৎসত্ত্বেও হাকলবাৰীৰ শৰীৰৰ ছাঁৰ দৰে লাগি ফুৰিছে। জিমৰ এই দায়িত্ববোধ প্ৰশংসনীয়।

সেইখন সমাজত হয়তো হাকলবাৰীৰ নিচিনা অন্য ব্যক্তিও আছিল যিয়ে ক্ৰীতদাস ব্যৱসায়ক কঠোৰভাৱে নিন্দা কৰিছিল আৰু ক্ৰীতদাস প্ৰথাটো লুপ্ত কৰিবলৈ আহোপুৰুষাৰ্থ কৰিছিল।

জিমহঁতৰ নিচিনাবোৰৰ ভিতৰত যিবোৰ ভাগ্যবান সিবিলাকেহে দয়ালু মালিক লাভ কৰে। কেতিয়াবা ভাগ্য পৰিৱৰ্তন ঘটিলে তেনে মালিকৰ পৰা ক্ৰীতদাসবোৰ অন্য কাৰোবাৰ হাতলৈ হস্তান্তৰিত হয়। সেই হস্তান্তৰ প্ৰক্ৰিয়া বহুতৰ বাবে পীড়াদায়ক হয়। ফলত সুযোগসন্ধানী ক্ৰীতদাস কৌশলেৰে পলায়ন কৰি দাসত্বৰ শিকলি খহাবলৈ চেষ্টা কৰে। বেছিভাগ ক্ষেত্ৰতে তেনে পলৰীয়া ক্ৰীতদাস ধৰা পৰে আৰু নিষ্ঠুৰ শাস্তিৰ সন্মুখীন হয়। হাকলবাৰী ফিনৰ নামৰ ক্ৰীতদাসটোৰো জীৱনগাঁথাই এক বিচিত্ৰ গতি লাভ কৰিছে। হাকৰ ছত্ৰছায়াত থকা জিমক হাকৰ নতুন ছলনাকাৰী বন্ধু দুজনে কৌশলেৰে বিক্ৰী কৰি দিছিল। কিন্তু পাছত গম পোৱা গৈছিল যে জিমক টম ছয়াৰৰ সম্পৰ্কীয় ব্যক্তি এগৰাকীয়ে ক্ৰয় কৰিছিল। জিমক তাৰ গৰাকীনীয়ে ইতিমধ্যে মুক্তি দিয়াৰ কথা গম পোৱাৰ পাছত জিমে Freeman ৰূপে স্বস্তিৰ নিশ্বাস ত্যাগ কৰিছিল। জিমৰ লগত জড়িত উপকাহিনীটোৰ সমাপ্তি সেইদৰে মধুৰভাৱে হোৱাত পাঠকৰ মনো পৰিতৃপ্ত নোহোৱাকৈ নাথাকে।

*(আগলৈ) ইমেইল- neevarani11@gmail.com*

*সাহিত্যৰথী বেজবৰুৱাই অসমীয়া জাতিক সৰ্ব দিশত আগবঢ়াই নিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈ পৰাধীন অসমৰ থলুৱা কেলেহুৱা শোষিত বঞ্চিত তথা অন্তঃসাৰ শূন্য জাতিটোক উদ্ধাৰৰ বাবে অসমৰ গৌৰৱময় ঐতিহ্য বন্দনাৰে জাতিটোক জাগ্ৰত কৰিবলৈ সংকল্প লৈছিল।*

## সাম্প্ৰতিক কালত

# সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰাসংগিকতা

আশুবোধ কলিতা

**ঊনবিংশ** শতিকাৰ শেষ দশককেইটা অসমীয়া ভাষা সাহিত্যৰ নৱ জাগৰণৰ আৰম্ভণিৰ যুগ বুলিব পাৰি। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ যুগত আৰম্ভ হোৱা সোণালী যুগটোৱেই ঊনবিংশ শতিকাৰ তৃতীয় দশক মানৰ পৰা লাহে লাহে ম্লান পৰিবলৈ আৰম্ভ কৰে। ১৮২৬ত হোৱা ইয়াণ্ডাবু সন্ধিৰ পাছত অসমত ইংৰাজৰ শাসন আৰম্ভ হয়। ইংৰাজসকলে ৰাজ্য শাসনৰ সুবিধাৰ বাবে কলকাতাৰ পৰা কিছুমান পাশ্চাতা শিক্ষাৰে শিক্ষিত বাঙালী কেৰাণী আনিব লগা হয়। ইংৰাজসকলৰ লগত অহা এই কেৰাণীসকল আছিল উগ্ৰ বাংলা ভাষা প্ৰেমী। তেওঁলোকৰ ষড়যন্ত্ৰৰ বাবে ভাৰতবৰ্ষৰ ভিতৰতেই এটা প্ৰাচীন ঐতিহ্যপূৰ্ণ ভাষা অসমীয়াই নিজৰ দেশতেই এলাগী হ'বলগীয়া হ'ল। এইসকল বাংলা ভাষী কৰ্মচাৰীয়ে অসমীয়া ভাষা এটা নিশকতীয়া ঐতিহ্যবিহীন বাঙালী ভাষাৰ অন্তৰ্গত দোৱান ভাষা এই ভাষাৰ স্কুল-কলেজ বা আদালতত মাধ্যম হোৱাৰ যোগ্যতা নাই বুলি ইংৰাজসকলক বুজালে। সেই বাবে অসমীয়া ভাষাৰ পৰিৱৰ্তে বাংলা ভাষা অসমৰ ৰাজ্য ভাষা হ'ব লাগে বুলি আৰ্জি কৰাত ইংৰাজসকলে অসমীয়া ভাষাক স্কুল-কলজেৰ পৰা বিতাড়ন কৰি ১৮৩৬ত বাংলা ভাষাক মাধ্যম হিচাপে গ্ৰহণ কৰিলে। দুৰ্ভগীয়া চিৰ চেনেহী আই অসমীয়াৰ যুগৰ মুখৰ ভাষা মাত্ৰ কেইজনমান স্বাৰ্থান্বেষী বাংলা ভাষা প্ৰেমীৰ বাবে নিজৰ দেশতে মাত মাতিব নোৱাৰা হ'ল। ইংৰাজ শাসনকৰ্তাসকলে গ্ৰহণ কৰা এই ভুল সিদ্ধান্তৰ বাবে আনন্দৰাম ঢেকীয়াল ফুকনে A Few Remarks in Assamese Language নামৰ এখন সৰু পুস্তিকা লিখি ইংৰাজ শাসন কৰ্তাক প্ৰদান কৰি অসমত পুনৰ অসমীয়া ভাষা প্ৰৱৰ্তনৰ বাবে দাবী জনাইছিল। আমেৰিকাৰ বেপ্তিষ্ট মিছনাৰীসকলে পোন প্ৰথমে শিৱসাগৰত প্ৰৱেশ কৰি তেওঁলোকে অসমীয়া ভাষাৰ ওপৰত জাপি দিয়া বাঙালী ভাষাই যে অসমীয়া ভাষাৰ নিচিনা এটা ঐতিহ্যপূৰ্ণ ভাষাৰ বিলুপ্তি ঘটাব সেই কথা উপলব্ধি কৰি তেওঁলোকে অসমীয়া ভাষা অধ্যয়ন কৰি নিজে শিকি লৈ ১৮৪৬ত 'অৰুণোদই' মাহেকীয়া আলোচনী এখন প্ৰকাশ কৰি অসমীয়া ভাষা চৰ্চাৰ এখন ক্ষেত্ৰ ৰচনা কৰি অসমীয়া মানুহ অসমীয়া ভাষাৰ চৰ্চাৰ সুবিধা কৰি দিয়ে। এই আলোচনীয়ে অসমীয়া সমাজক দেশ-বিদেশৰ জ্ঞানৰ ভাণ্ডাৰৰ সন্ধেদ দিয়ে আৰু পাশ্চাত্যৰ ভাব ধাৰাৰে আধুনিক চিন্তাচৰ্চাৰ প্ৰতিষ্ঠা কৰে। 'অৰুণোদই'ত ড° নাথান ব্ৰাউন, ড° মাইলছ ব্ৰনছন, এ কে গাৰ্নি, নিধিৰাম ফাৰৱেল আদি লেখকসকলে লিখা বিভিন্ন সৃষ্টিৰাজি প্ৰকাশ পাইছিল। আনন্দৰাম ঢেকিয়াল ফুকন, ধুতিৰাম হাজৰিকা, দীননাথ বেজবৰুৱা হৰকান্ত বৰুৱা, সদৰমীন, কাশীনাথ চক্ৰৱৰ্তী ৰঘুনাথ গোস্বামী আদিয়ে অৰুণোদইত লিখা-মেলা কৰি অসমীয়া ভাষা সাহিত্যৰ চৰ্চা কৰিছিল। কিন্তু যিহেতু চৰকাৰী নিৰ্দেশৰ ফলত স্কুল-কলেজ আদিৰ আদালত আদিত অসমীয়া ভাষাৰ প্ৰচলন বন্ধ হোৱাত অসমীয়া ভাষাৰ কঁকালৰ হাঁড় ভাঙি পেলালে যাৰ ফলত ১৮৩৬ৰ পৰা অসমত অসমীয়া ভাষা সাহিত্যৰ জগতখনত অন্ধকাৰ যুগে বিৰাজ কৰিলে। ১৮৩৬ত ইংৰাজসকলে অসমত অসমীয়া ভাষা বিতাড়ন কৰি বাঙালী ভাষা প্ৰচলন কৰিছিল। পাছত তেওঁলোকে লাভ কৰা বিভিন্ন দাবীৰ পৰা বুজিব পাৰিলে তেওঁলোকে নভবা নিচিন্তাকৈ বাংলা ভাষা অসমত প্ৰচলন কৰি অসমীয়া ভাষা সাহিত্যৰ বাবে এটা অপূৰণীয় ক্ষতি সাধন কৰিলে। তেওঁলোকে কৰা এই ভুল শুধৰণি কৰিবলৈ তেওঁলোকৰ ৩৬ বছৰ সময়ৰ প্ৰয়োজন হ'ল আৰু ১৮৭২ত পুনৰ অসমত অসমীয়া ভাষাক স্কুল-কলেজ, আদালত আদিত অসমীয়া ভাষা প্ৰচলন কৰিলে। ইতিমধ্যে ১৮৮৯ত চন্দ্ৰ প্ৰসাদ আগৰৱালাৰ সম্পাদনাত প্ৰকাশ পোৱা জোনাকীয়ে অসমীয়া সাহিত্যলৈ নতুন দিগন্তৰ সূচনা কৰিলে। তদুপৰি উচ্চ শিক্ষাৰ কাৰণে কলিকতালৈ পঢ়িবলৈ যোৱা লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে কলেজীয়া ছাত্ৰসকলক কলিকতাত একত্ৰ কৰি অসমীয়া ভাষা সাহিত্যৰ উন্নতি সাধিনী সভা গঠন কৰি সাহিত্য চৰ্চাৰ বাট মুকলি কৰে। ১৮৮৯ত প্ৰকাশ পোৱা জোনাকী কাকতে অসমীয়া সাহিত্যৰ আকাশ উজ্জ্বলাই তুলিলে। এইসকল ছাত্ৰৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা আছিল অসমীয়া ভাষা সাহিত্যৰ অতন্ত্ৰ প্ৰহৰী। চিৰ জাগ্ৰত জাতীয় প্ৰেমেৰে উদ্বুদ্ধ লক্ষ্মীনাথ বেজবৰুৱাই জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ অসমবাসীৰ সত্তাক জাতীয় চেতনা তথা সাংস্কৃতিক চেতনাৰে উদ্ৰেক ঘটোৱাটোৱেই আছিল তেওঁৰ প্ৰধান লক্ষ্য। লক্ষ্মীনাথ বেজবৰুৱাৰ জাতীয় চেতনাৰ মূলতেই আছিল ঐতিহ্য চেতনা তথা সাংস্কৃতিক দায়ৱদ্ধতা- বেজবৰুৱাৰ অসমীয়া ভাষা-প্ৰীতি আছিল তুলনাহীন। তেওঁৰ এই ভাষা প্ৰীতিক জাগ্ৰত কৰি তুলিছিল সেই সময়ৰ কিছুমান পৰিস্থিতিয়ে। ১৮৭২ত বাঙালী ভাষা অসমৰ পৰা বিতড়ন হ'ল যদিও কিছুমান বাঙালী ভাষীৰ ষড়যন্ত্ৰৰ বাবে স্কুল-আদালত আদিত বাঙালী ভাষাই প্ৰচলন হৈ আছিল। বেজবৰুৱাই প্ৰাথমিক শিক্ষা বাঙালী ভাষাতেই শিকিব লগা হৈছিল— এনেবোৰ পৰিস্থিতিয়ে অসমীয়া ভাষাৰ ওপৰত চলা অপশক্তিৰ বিৰুদ্ধে নীৰৱে সংগ্ৰাম চলাবলৈ তেওঁ অসমীয়া সকলো শ্ৰেণীৰ মানুহক আহ্বান জনাইছিল। এই নীৰৱ সংগ্ৰামত তেওঁ হাতে কামে লাগি পৰে আৰু সাহিত্যৰ এনে এটা দিশ নাই যি দিশত বেজবৰুৱাই সাহিত্য ৰচনা কৰা নাই। এই ক্ষেত্ৰত বেজবৰুৱা সম্পৰ্কত সুনীতি কুমাৰ চেটাৰ্জীয়ে কৈছিল— 'সাহিত্যৰ এনে এটা দিশ নাই য'ত লক্ষ্মীনাথ বেজবৰুৱাই হাত দিয়া নাছিল আৰু য'তেই তেওঁৰ হাতৰ পৰশ লাগিছিল সেয়েই সুন্দৰ হৈ পৰিছিল।' সেইদৰে ড° বাণীকান্ত কাকতিও বেজবৰুৱা সম্পৰ্কে লিখিছে— 'বেজবৰুৱাৰ ৰচনাৰ প্ৰতিটো শব্দৰ ভিতৰেদি তেওঁৰ সুগভীৰ স্বদেশ অনুৰাগ তথা স্বদেশ প্ৰীতি বিদ্যমান। স্বদেশ প্ৰীতিক সাহিত্যৰ মূল মন্ত্ৰ হিচাপে আৰম্ভ কৰি শেষৰ আধ্যাত্মিক ৰচনাৱলীলৈকে সকলোবোৰ একে জাতীয়তাবাদৰ ঐক্য সূত্ৰেৰে বন্ধা।'

সাহিত্যৰথী বেজবৰুৱাই অসমীয়া জাতিক সৰ্ব দিশত আগবঢ়াই নিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈ পৰাধীন অসমৰ থলুৱা কেলেহুৱা শোষিত বঞ্চিত তথা অন্তঃসাৰ শূন্য জাতিটোক উদ্ধাৰৰ বাবে অসমৰ গৌৰৱময় ঐতিহ্য বন্দনাৰে জাতিটোক জাগ্ৰত কৰিবলৈ সংকল্প লৈছিল। তেওঁৰ সুবিশাল বিভিন্ন দিশৰ সাহিত্যৰাজিৰ মাজত সেই সুৰেই প্ৰতিধ্বনিত হৈছে। অসমীয়া জাতি ভাষা-সাহিত্য-সংস্কৃতি তথা অসমৰ গৌৰৱময় ঐতিহ্যক অৱহেলা কৰা সকলো ব্যক্তিকেই তেওঁ বিভিন্ন লেখনিৰে শক্তি শেল মাৰি জাতীয় চেতনাৰে উদ্বুদ্ধ হ'বলৈ আহ্বান জনাইছিল। অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি পিঠি দিয়া শিক্ষিত চামলৈ উদ্দেশ্য কৰি বেজবৰুৱাই লিখিছিল।

'দুখীয়া হওক দৰিদ্ৰ হওক তেওঁ মাতৃ ভাষা



পৰ ভাষা পৰ ধৰ্ম কিয় কৰা আশা।'

বেজবৰুৱাই নিজেও আত্মসমালোচনা নকৰাকৈ থকা নাছিল। শ্ৰীমন্ত শংকৰদেৱৰ নিচিনা এগৰাকী বিশ্ব গুৰু অসমতে থাকোতে বেলেগ গুৰুলৈ মন মেলা দেখি নিজকে ধিক্কাৰ দিছিল।

'গুৰু লাগে মোক শিক্ষিত শিষ্য মই
জগতৰ জাননী দিলো।
জগতৰে গুৰু শংকৰ ঘৰতে
আছিল
অন্ধলাই নিচিনিলো।

অসমৰ অতীত গৌৰৱ সুঁৱৰি নতুন প্ৰজন্ম স্বদেশ প্ৰেমেৰে জাগ্ৰত কৰিবলৈ বেজবৰুৱাৰ জাতীয় সংগীত নামৰ কবিতাত সুন্দৰভাৱে বৰ্ণনা কৰি গৈছে— যিসকল মহান ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত অসমীয়া সভ্যতা তথা সংস্কৃতি গঢ় লৈ উঠিছে সেই ভাষা-সাহিত্য বিশ্ব দৰবাৰত অসমীয়া জাতিক থিয় কৰাব লাগিব। আন জগতৰ পৰা আৰম্ভ কৰি মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱ আদি মহান মনীষীসকলৰ আদৰ্শৰে—

'হেৰা অসমীয়া নোহোৱা দুখীয়া
কিহৰ দুখীয়া হ'বা
নিজ নালাহৰি নিজক সুঁৱৰি
লাগাচোন সফল হ'বা।'

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সুবিশাল সাহিত্য প্ৰতিভা দেখি তেওঁ বিস্ময় বিমুগ্ধ হৈছিল আৰু এইগৰাকী প্ৰতিভাধৰ মহাগুৰু সত্ৰ নামঘৰত সীমাবদ্ধ হৈ থকা দেখি তেওঁ আক্ষেপ কৰিছিল আৰু গুৰুজনাক জগত সভালৈ উলিয়াই আনি তেওঁৰ বিশাল প্ৰতিভাৰ বিষয়ে বিভিন্ন গ্ৰন্থ ৰচনা কৰি বেজবৰুৱাই শ্ৰীমন্ত শংকৰদেৱক আধুনিক যুগত পোহৰলৈ আনি দেখুৱাই দিয়ে যে শ্ৰীমন্ত শংকৰদেৱ এগৰাকী অবিনশ্বৰ মহাপুৰুষ যি গৰাকী মহাপুৰুষ বিশ্বৰ যিকোনো শ্ৰেষ্ঠ সাহিত্যিকৰ শাৰীত থ'ব পাৰি। বেজবৰুৱাই অসমীয়া জাতিক সোঁৱৰাই দিবলৈ সক্ষম হৈছিল যে অসমীয়া জাতিয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নিচিনা বিশ্ব প্ৰতিভাধৰ মহাপুৰুষৰ জন্ম দি গৌৰৱ অৰ্জন কৰিব পাৰিছে। বেজবৰুৱাই শ্ৰীশ্ৰী শংকৰদেৱ নামৰ জীৱনী গ্ৰন্থ ৰচনা কৰাৰ উদ্দেশ্য সম্পৰ্কত তেওঁ কৈছে— আমাৰ ঘাই অভিপ্ৰায় শংকৰদেৱৰ জীৱনৰ কিছু কথা অৱগত কৰি মুকলি কৰিবৰ চেষ্টা কৰা আৰু তেওঁৰ অমূল্য গ্ৰন্থবোৰত থকা ৰচনাৰ সৌন্দৰ্য আৰু জ্ঞানোপদেশ কৰি শিক্ষা আদিলৈ আঙুলিয়াই দিব পাৰিলে সেইবোৰলৈ লোকৰ মনোযোগ আকৰ্ষণ কৰা। বেজবৰুৱাই যি লক্ষ্য লৈ অসমীয়া ভাষা সাহিত্যত আগবাঢ়িছিল তেওঁ সফল হ'ব পাৰিছিল। সেয়ে ঊনবিংশ শতিকাৰ শেষ দহক দুটাৰ পৰা বিংশ শতিকাৰ চতুৰ্থ দহকলৈ বেজবৰুৱাই দুৰন্ত গতিত অসমীয়া সাহিত্যৰ ৰথখন চলাই অসমীয়া ভাষাক এটা সজীৱ জীৱন্ত ভাষালৈ উন্নীত কৰিব পাৰিছিল। সেই কাৰণে বেজবৰুৱাৰ এই সময়ছোৱাক অসমীয়া সাহিত্যৰ 'বেজবৰুৱা যুগ' বুলি ক'লেও বঢ়াই কোৱা নহ'ব।

*ফোন ঃ ৯৪৩৫০০১৩০৫*

## নামি আহিছে আকাশখন

ড° বসন্ত কুমাৰ ভট্টাচাৰ্য



চোৱাচোন
লাহে লাহে
কেনেদৰে নামি আহিছে
আকাশখন
মাটিৰ বুকুলে'
ৰাতিৰ আকাশ
তৰা ভৰা
জয়াল
সংবেদনশীল
অলপ পাছতেই
আৰম্ভ হ'ব
তৰাৰ নাচোন
মাটিৰ বুকুত
দীৰ্ঘ সময়লে'
নাচোনৰ অন্তত
উৰিব আকাশ
বুকুত লৈ
মাটিৰ মাদকতা
আৰু এটা গানৰ সুৰ
বিয়পিব
চৌপাশে
আন্ধাৰ উজাৰি

## অনুভৱৰ বৰষুণ

কল্যাণ কুমাৰ পহুকটীয়া

আজি বহুত দিনৰ মূৰত
হঠাৎ দেখিলো
তোক ৰৈ থকা
গণেশগুৰি ফ্লাই অভাৰ ব্ৰীজৰ তলত।
মই সাউতকৰে ৰাস্তাটো পাৰ হৈ
গল খেকাৰি এটা মাৰি
ৰৈছিলো আহি তোৰ কাষত।
তেতিয়া তই উচাৎ মাৰি আঁতৰি গৈ
বহি দিলি এঁকেশ নম্বৰ চিটি বাছখনৰ
বাওঁফালৰ আসনত।
তেতিয়া মই তোলৈ চাই থাকোতে
তিতি থাকিলো
এজাক অনুভৱৰ বৰষুণত।

দেওবৰীয়া দৈনিক অগ্ৰদূত




# নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ

ড° ৰাস্না ৰাজখোৱা

**বিশ্ব** ব্ৰহ্মাণ্ড সুকলমে চলিবলৈ প্ৰয়োজনীয় সম্পদৰ ভিতৰত অগ্ৰাধিকাৰ লাভ কৰা সম্পদবিধেই হৈছে 'শক্তি'। শক্তি অবিহনে সমাজত ন্যায়-ধৰ্ম আদি একোৰেই প্ৰতিষ্ঠিত হোৱাটো সম্ভৱ নহয়। যি শব্দই ঐশ্বৰ্য আৰু পৰাক্ৰম দুয়োটাকে বুজায়, তাৰেই নাম শক্তি। এই ঐশ্বৰ্য আৰু পৰাক্ৰম বুজোৱা শক্তিৰেই অধিষ্ঠাত্ৰী দেৱী হিচাপে আমি মহামায়া শ্ৰীশ্ৰীদুৰ্গা দেৱীক উপাসনা কৰি আহিছো।

"যা দেৱী সৰ্বভূতেষু শক্তিৰূপেন সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নম:।"

মানৱ সভ্যতাৰ আৰম্ভণিৰে পৰা সৰ্বময় কৰ্তৃত্বৰ অস্তিত্ব বিভিন্ন প্ৰকাৰে মানি অহা হৈছে, প্ৰকৃতিৰ তথা জাগতিক বিভিন্ন পৰিঘটনাক ঈশ্বৰ বা সৰ্বময় সৰ্ব কৰ্তৃত্বৰ অধিকাৰী হিচাপে পূজা-অৰ্চনা কৰি অহা হৈছে মাতৃ দেৱীক; বিশেষকৈ কৃষিজীৱী সমাজত পৃথিৱীক মাতৃ দেৱী বুলি পূজা কৰা হয়। কৃষিজীৱী সমাজত কৃষিৰ প্ৰাংগণত নাৰীৰ ভূমিকা অধিক আছিল। পণ্ডিতসকলৰ মতে নাৰীয়ে সৃষ্টি, নাৰীয়ে কৃষ্টি, নাৰীয়েই কৃষিৰ উদ্ভাৱিকা। গতিকে নাৰীৰ মাজেদিয়ে বসুমতীয়ে শস্য ধাৰণ কৰে বুলি কোৱা হয়। যুগে যুগে অন্যায়-অত্যাচাৰ দূৰ কৰাৰ বাবে মাতৃ দেৱীৰ পূজা কৰা হয়, ঋক বেদত পৃথিৱীক মাতৃজ্ঞান কৰি প্ৰাৰ্থনা কৰা হৈছে এনেধৰণে—

'মাতা পৃথিৱী মহীয়ং'
ভূৰি দ্বে অচৰন্তী চৰন্তং
পদ্বতং গৰ্ভমপদী দধাতে
নিত্যংন সুনুং পিত্ৰোৰুপসজ্জাহে
দ্যাবা ৰক্ষতং পৃথিৱী নো
অভৱাৎ।।

ঋতং দিৱে তদবোচং পৃথিব্যা
অভিশ্ৰাৱায় প্ৰথমং সুমেধাঃ
পাতামবদ্যাদ্দুৰিতাদভীকে
পিতা মাতা চ ৰক্ষা-তা-মৱো-
ভি।।

আৰ্যসকলে প্ৰথমতে মেচোপটেমিয়াৰ ওচৰতে বাস কৰিছিল। বেবিলনত তেতিয়া মাতৃ পূজাৰ প্ৰচলন আছিল। এই দেৱীৰ নাম আছিল 'ইশতাৰা'। আৰ্যসকলে বেবিলনত বাস কৰা লোকসকলৰ পৰা মাতৃ দেৱীৰ পূজা ভাৰতবৰ্ষলৈ আনে। সমাজত প্ৰচলিত ৰীতি-নীতি আদি আলোচনা কৰি পণ্ডিতসকলে অনুমান কৰে যে, প্ৰাগ-ঐতিহাসিক যুগতে দেৱী পূজাৰ আৰম্ভণি হয়। ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীদেৱে এটা প্ৰবন্ধত লিখিছে যে, ইউৰোপত প্ৰচলিত দেৱী পূজা অতি প্ৰাচীন। খৃষ্টপূৰ্ব ১৪-১৫ হেজাৰ বছৰৰ আগতেই ইউৰোপৰ বহু দেশত নাৰী মূৰ্তি পোৱা গৈছে। ফ্ৰান্স, স্পেইন, অষ্ট্ৰিয়া, টাইগ্ৰীচ, লাউচেন জেৰিকে আদি ঠাইবোৰত দেৱী পূজাৰ প্ৰচলন আছিল। গ্ৰীচ, ইটালী, চীন আদি দেশতো মাতৃ দেৱীৰ পূজা চলিছিল। ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীয়ে উল্লেখ কৰিছে যে ব্ৰহ্মপুৰাণত দুৰ্গা দেৱীৰ বিষয়ে যিদৰে বৰ্ণনা দিছে চীনাসকলৰ মাতৃ দেৱীৰো একেই বৰ্ণনা আছে। মুঠতে পৃথিৱীৰ বেছিভাগ দেশতে ভিন্ন ভিন্ন নামেৰে ভিন্ন ভিন্ন পদ্ধতিৰে মাতৃ পূজাৰ প্ৰচলন আছিল।

অতি প্ৰাচীন কালৰে পৰাই অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকে ভিন, ভিন, ৰূপত শক্তিৰ আৰাধনা কৰি আহিছে। অসমৰ বিভিন্ন সন্ধানত থকা দ'ল, দেৱালয়, দেৱী মন্দিৰবোৰে আমাক তাৰেই সম্ভেদ দিয়ে। অসমত সংগৃহীত হোৱা মাতৃমূৰ্তিবোৰেও প্ৰাক- ঐতিহাসিক যুগৰ পৰাই শক্তি পূজাৰ প্ৰচলন থকাৰ প্ৰমাণ দিয়ে। কামাখ্যা, ভূৱনেশ্বৰী, দীৰ্ঘেশ্বৰী, মঙ্গলচণ্ডী, কল্যাণী থান, মহামায়াৰ থান, কাকগোসাঁনীৰ থান, ভৈৰৱী, তাম্ৰেশ্বৰী, উগ্ৰতাৰা, শিলঘাটৰ কামাখ্যা, বিশ্বনাথৰ চণ্ডী আদি শক্তি উপাসনা সংস্থানসমূহে এই ধাৰণা দৃঢ় কৰে।

ভাস্কৰ বৰ্মনৰ শাসন কালত কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউয়েনচাঙৰ টোকাৰ পৰাও কামৰূপৰ মানুহে দেৱ-দেৱীৰ পূজা কৰাৰ কথা, অসমত অসংখ্য দেৱ-দেৱীৰ মন্দিৰৰ কথা উল্লেখ কৰিছে। দশম-একাদশ শতিকাত ৰচিত কালিকা পুৰাণৰ মতে, 'অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে', কামৰূপ অৰ্থাৎ অসমত যে শক্তি পূজাৰ ব্যাপকভাৱে প্ৰচলন আছিল উল্লেখিত উক্তিৰ পৰা অনুমান কৰিব পাৰি, ত্ৰয়োদশ শতিকাত অসমৰ উত্তৰ-পূৰ অঞ্চলত চুটীয়া ৰজাই ৰাজত্ব কৰিছিল। চুতিয়াৰ দেউৰীসকল শক্তিৰ উপাসক আছিল আৰু ৰজাৰ মঙ্গলৰ কাৰণে তেওঁলোকে দুৰ্গা দেৱীৰ পূজা অৰ্চনা কৰি দেৱীৰ সন্তুষ্টিৰ কাৰণে প্ৰত্যেক বছৰে একোটা নৰবলি দিয়াৰ কথা উল্লেখ আছে। শদিয়াৰ বড়োসকলেও কেঁচাইখাতী গোসাঁনীক পূজা কৰিছিল। কোনে কেতিয়া কেনেকৈ শক্তি পূজাৰ প্ৰতি আসক্ত হ'ল তাৰ বিতং তথ্য পাবলৈ টান যদিও পাল বংশৰ ৰজা ধৰম পালৰ দিনৰ পৰাই অসমত শক্তি বা মাতৃ পূজাৰ প্ৰচাৰ হোৱাৰ কথা পোৱা যায়। কোচ ৰজা ধৰ্মনাৰায়ণে দুৰ্গা আৰু মনসা পূজা পাতিছিল। নৰনাৰায়ণ আৰু চিলাৰায়ে শক্তি পূজাৰ কাৰণে মঠ-মন্দিৰ নিৰ্ম্মাণ কৰি দিছিল। কালাপাহাৰে নীলাচল পাহাৰৰ কামাখ্যা মন্দিৰ ভঙাৰ পাছত চিলাৰায়ে কামাখ্যা মন্দিৰ মেৰামতি কৰাই ৰাজকীয় ধনৰে মন্দিৰত দুৰ্গা পূজা কৰাৰ ব্যৱস্থা কৰি দিয়ে। তেতিয়াৰ কামৰূপ যদিও শক্তি উপাসনাৰ দেশ, কিন্তু দুৰ্গা পূজাৰ বহুল প্ৰচাৰ হয় কোঁচ ৰজা নৰনাৰায়ণৰ ৰাজত্ব কালৰ পৰাহে।

আদ্যাশক্তি দুৰ্গাদেৱীৰ অপাৰ মহিমা আৰু অপৰিসীম শক্তিৰ মহিমা প্ৰাচীন ভাৰতীয় সাহিত্যত বিভিন্ন ৰূপ কল্পনাৰ মাধ্যমেৰে প্ৰকাশ হৈছে যদিও পুৰাণসমূহত দেৱীৰ মাহাত্ম্যসূচক অধিক কাহিনী পোৱা যায় আৰু সেইবোৰ কাহিনীয়ে জনবিশ্বাসত অধিক সংস্থান লাভ কৰাৰ উপৰি ব্যাপক ৰূপত সংহিতি লাভ কৰাতো মন কৰিবলগীয়া। বেদ আৰু উপনিষদৰ পৰৱৰ্ত্তী ৰচনা পুৰাণে আৰ্যসভ্যতা সংস্কৃতিৰ লগত অনাৰ্য শক্তিৰ সমন্বয় সাধন কৰি এক নতুন হিন্দু সভ্যতা-সংস্কৃতি গঢ়ি তুলি বিভিন্ন দেৱতাৰ সন্ধান দিয়ে। বেদত বিশ্ব প্ৰকৃতিক দেৱতা হিচাপে পূজা কৰা হয়। পুৰাণৰ একো একোটা শক্তিক কেন্দ্ৰ কৰি একো-একোগৰাকী দেৱ-দেৱীৰ কল্পনা কৰা হ'ল আৰু নিৰাকাৰ দেৱ-দেৱীৰ ঠাইত আকাৰ কল্পনা কৰি মাটি, ধাতু বা অন্যান্য বস্তুত দেৱত্ব আৰোপ কৰি পাদ্য, অৰ্ঘাদিৰে পূজা কৰাৰ বিধি প্ৰচলন কৰা হ'ল।

মহামায়াৰূপী দেৱীয়ে হিমালয় তনয়াৰূপে জন্ম লৈ অসুৰ নিধন কৰি দেৱতাসকলৰ কল্যাণ সাধন কৰাৰ লগতে সৃষ্টি সংহিতি লয়ৰ হেতু বিৰাটস্বৰূপিনী হিচাপে নিজক প্ৰতিষ্ঠা কৰে। সময়ে সময়ে এই মহামায়াৰূপিনী দেৱীয়ে বিভিন্ন ৰূপ কল্পনাৰ মাজেৰে দানৱক নাশ কৰি জগতত শান্তি সংস্থাপন কৰি আহিছে। শ্ৰীবৃহদব্ৰহ্মাণ্ড পুৰাণত উল্লেখ কৰা হৈছে-

'সৰ্ব্ব শন্তিপ্ৰদে সৌম্যে জয়দে
ভুৱনত্ৰয়ে।
শ্ৰীজয় শ্ৰীজয় শ্ৰীদে প্ৰসীদ
গিৰিজে সতি।।'

চণ্ডী পুৰাণত উল্লেখিত 'মহিষাসুৰ বধ' আখ্যানটি জনপ্ৰিয় আৰু সৰ্বজনবিদিত। প্ৰথম মনু স্বয়ম্ভুৰ ৰাজত্বকালত মহাপৰাক্ৰমী মহিষাসুৰে দেৱৰাজ ইন্দ্ৰৰ স্বৰ্গৰাজ্য অধিকাৰ কৰি দেৱ-দেৱীসকলক অত্যাচাৰ কৰিছিল। অত্যাচাৰত জড়িত দেৱতাসকলে ব্ৰহ্মা-বিষ্ণু আৰু মহেশ্বৰক মহিষাসুৰৰ অত্যাচাৰৰ বিষয়ে অৱগত কৰে। দেৱতাসকলৰ দুখ-যাতনাৰ কথা হৃদয়ঙ্গম কৰাৰ লগে লগে তেওঁলোকৰ মুখৰ পৰা মহাতেজ নিৰ্গত হ'ল। দেৱতাসকলৰ দেহৰ পৰাও তেজ ওলাল আৰু সমগ্ৰ তেজ একত্ৰিত হৈ এক মহাশক্তি নাৰীৰ আৱিৰ্ভাৱ হ'ল। এই নাৰীৰ অঙ্গ-প্ৰতঙ্গ বিভিন্ন দেৱতাৰ তেজৰ পৰা সৃষ্টি হ'ল। শম্ভুৰ তেজৰ পৰা মুখ, বিষ্ণুৰ তেজৰ পৰা হাত, ব্ৰহ্মাৰ তেজৰ পৰা ভৰি, চন্দ্ৰৰ তেজৰ পৰা স্তনযুগল, সূৰ্যৰ তেজৰ পৰা ভৰিৰ আঙুলি, অগ্নিৰ তেজৰ পৰা ত্ৰিনয়ন আদি। অনিন্দ্য সুন্দৰী, মহাশক্তিৰ অধিকাৰিণী দেৱীক শম্ভুই নিজৰ শূলৰ পৰা আন এটি শূল দিলে। বিষ্ণু, চন্দ্ৰ, ইন্দ্ৰই বজ্ৰ, অগ্নিয়ে শক্তি, ব্ৰহ্মাই কমণ্ডলু, সূৰ্যই তেজ, জলদেৱীয়ে পদুমৰ মালা দিয়াত দেৱী শক্তিময়ী আৰু ঐশ্বৰ্যময়ী ৰূপে প্ৰকটিত হয়। শক্তিৰ আধাৰ স্বৰূপ দেৱীক বাহন হিচাপে হিমালয় পৰ্বতে পশুৰাজ সিংহ দিলে। সুসজ্জিত সিংহবাহিনী দেৱী 'জয়া'ই মহিষাসুৰৰ লগত যুঁজত লিপ্ত হয়। অৱশেষত অসীম পৰাক্ৰম দেখুৱায় মহিষাসুৰক বধ কৰি দেৱতাসকলৰ মঙ্গল সাধন কৰে। তদুপৰি তেওঁ বিভিন্ন সময়ত চণ্ড-মুণ্ড, শুম্ভ-নিশুম্ভ, মধুকৈতভ আৰু দুৰ্গাসুৰ আদিকো বধ কৰিছিল।

শুম্ভ-নিশুম্ভ আখ্যানত অম্বিকাদেৱীয়ে শুম্ভ-নিশুম্ভ নামৰ প্ৰবল প্ৰতাপী অসুৰৰ বধ কৰি ইন্দ্ৰ প্ৰমুখ্যে আটাইবোৰ দেৱতাক সন্তুষ্টি দিয়াৰ কথা ব্যক্ত কৰিছে। শুম্ভ-নিশুম্ভই ইন্দ্ৰক পৰাজিত কৰি ৰাজ্য অধিকাৰ কৰাত ইন্দ্ৰই অন্য উপায় নেদেখি হিমালয় পৰ্বতলৈ গৈ বিষ্ণুৰ-মায়াৰ সন্তুতি কৰিবলৈ আৰম্ভ কৰিলে। সেই সময়তে হিমালয় কন্যা পাৰ্বতী স্নান কৰ উভতি যাওঁতে দেৱতাসকলক দেখি কাৰ তপস্যা কৰিছে সুধিলে, লগে লগে পাৰ্বতীৰ শৰীৰৰ পৰ অম্বিকা ওলাই আহি উত্তৰ দিলে। এনে সময়তে শুম্ভ-নিশুম্ভই সুগ্ৰীবৰ হতুৱাই অম্বিকাক বিবাহৰ প্ৰস্তাৱ দিলে। অম্বিকাই প্ৰত্যাখান নকৰি শুম্ভ-নিশুম্ভক যুঁজলৈ আহ্বান কৰিলে আৰু যুঁজত জয়ী হ'লে বিয়া কৰাব পাৰিব বুলি জনালে। যুঁজ আৰম্ভ হ'ল। শুম্ভ-নিশুম্ভৰ সেনাপতি ধুম্ৰলোচন, চণ্ড-মুণ্ড, ৰক্তবীজ প্ৰভৃতিক দেৱীয়ে বিভিন্ন ৰূপ গ্ৰহণ কৰি বধ কৰিলে। দেৱীৰ বিভিন্ন ৰূপ দেখি আৰু আন দেৱ-দেৱীৰ শক্তিৰে শক্তিশালী হৈ যুঁজত জয় লাভ কৰাত শুম্ভই দেৱীক তিৰস্কাৰ কৰে —

'বলাবলেপদুষ্টে। ত্বং মা দুৰ্গে। গৰ্বমাবহ।
অন্যাসাং বলমাশ্ৰিত্য যুধ্যসে অতিমানিনী।।'

শুম্ভৰ উপহাসত লগে লগে সমস্ত দেৱশক্তি দেৱীৰ মাজত লয় হৈ গ'ল। দেৱী নিজৰ বলতে বলীয়ান বুলি দম্ভৰে ঘোষণা কৰিলে-

'একৈবাহং জগত্যত্ৰ দ্বিতীয়া কা মমাপাৰা।
পশ্যৈতাং দুষ্ট। ময্যেব বিশন্তুযা মদ্বিভূতয়।।'

কথামতেই কাম কৰিলে। সকলো দেৱতাৰ শক্তিৰ সমষ্টি দেৱীয়ে শুম্ভ-নিশুম্ভক বধ কৰি দেৱতাসকলৰ কল্যাণ সাধন কৰিলে। এই দুৰ্গা দেৱীয়েই ব্ৰহ্মাৰ শক্তি ব্ৰহ্মাণী আৰু শিৱৰ শক্তি উমা।

'দুৰ্গাং শিবাং শান্তিকৰীং ব্ৰহ্মাণী ব্ৰহ্মণ: প্ৰিয়ামৎ।
সৰ্ব্বলোক প্ৰণেত্ৰীঞ্চ প্ৰণমামি সদা উমামৎ ।।'

পৰৱৰ্ত্তী সময়ত নিজৰ অমাত্য বৰ্গৰ ষড়যন্ত্ৰত ৰাজ্যচ্যুত হৈ চৈত্ৰ বংশৰ প্ৰতাপী ৰজা সুৰথ আৰু নিজ পুত্ৰ-ভাৰ্যা আৰু পৰিয়ালবৰ্গৰ দ্বাৰা প্ৰতাৰিত হৈ গৃহচ্যুত হোৱা বিশাল ঐশ্বৰ্যৰ অধিপতি সমাধি বৈশ্যই মেধ মুনিৰ আশ্ৰমত থাকি, তেওঁৰ পৰামৰ্শ মতে দেৱীৰ মৃন্ময় মূৰ্ত্তি সাজি নদীৰ তীৰত দুৰ্গতিনাশিনী দুৰ্গা দেৱীৰ পূজা কৰিছিল। দেৱী সন্তুষ্ট হৈ সুৰথ আৰু সমাধিৰ মনোবাঞ্চা পূৰণ কৰিছিল। বসন্তকালত উদযাপন কৰা এই পূজা বাসন্তী পূজা নামেৰে জনাজাত হৈছিল।

ত্ৰেতা যুগত লঙ্কাধিপতি ৰাৱণ শিৱভক্ত আছিল। ৰাৱণৰ সন্তুতিত বাধ্য হৈ দেৱাদিদেৱ শিৱই লংকা নগৰীৰ দুৱৰী হৈ থাকিব লগা হৈছিল। পাছত ৰাৱণে দুৰ্গাদেৱীক পূজা কৰি দেৱীৰ পৰা বৰ লাভ কৰিছিল। দুৰ্গাদেৱীৰ আশীৰ্বাদতে ৰাৱণে দহোটা মূৰ, দহখন মুখ আৰু বিশখন হাতৰ অধিকাৰী হৈছিল। কিন্তু ৰাৱণে যেতিয়া সীতাক হৰণ কৰি নিয়ে, তেতিয়া নাৰদ মুনিৰ উপদেশমতে ৰামচন্দ্ৰই শৰৎ কালত পূজা কৰি দেৱীক সন্তুষ্ট কৰে আৰু ৰাৱণক বধ কৰে। উল্লেখযোগ্য যে দেৱী পুজা প্ৰথমতে বসন্তকালতহে কৰাৰ নিয়ম আছিল। শৰৎ কালত দেৱী নিদ্ৰিতা হৈ থাকে। সেইবাবে শৰৎ কালত পুজা কৰিলে বেল বোধন কৰি পূজা কৰা হয়। শৰৎ কালত কৰা বোধনক অকাল বোধন বুলি কোৱা হয়। শ্ৰীৰামচন্দ্ৰই লংকাধিপতি ৰাৱণক বধৰ বাবে অকালবোধনৰে শৰৎ কালত দেৱীৰ পূজা কৰাৰ পাছৰ পৰাই দুৰ্গা পূজা শাৰদীয় উৎসৱ হৈ পৰিল। শাৰদীয় দুৰ্গা পূজা শৰতৰ নিৰ্মল আকাশ, স্নিগ্ধ জোনাক, শুভ্ৰ কঁহুৱা বন, শেৱালিৰ আমোলমোল গোন্ধ আৰু নিয়ৰৰ মুকুতা সৰা দুবৰিৰ চিকমিকনিয়ে সৃষ্টি কৰা অনুপম পৰিৱেশৰ মাজত অনুষ্ঠিত হয় ।

সনাতন ধৰ্ম্মত দুৰ্গোৎসৱ এক সম্প্ৰীতিৰ উৎসৱ। শুক্ল পক্ষৰ ষষ্ঠীৰ পৰা দশমী পৰ্যন্ত এই মহাপূজা অনুষ্ঠিত হয়। অসমত বিশেষভাবে এই প্ৰক্ৰিয়াৰে দুৰ্গোৎসৱ অনুষ্ঠিত হয়। দেৱীক ষষ্ঠীৰ পুৱাতে আৱাহন কৰা হয়। সন্ধ্যা বোধন, আমন্ত্ৰণ, অধিবাস কৰে। ষষ্ঠীৰ সন্ধ্যাত বেলগছৰ গুৰিত দেৱীৰ বোধন হয়।

শুক্লপক্ষৰ প্ৰতিপদৰ পৰা পূজা শুভাৰম্ভ হয়। সপ্তমীৰ পৰা নৱমীলৈ প্ৰতিমাত পূজা হয়। শক্তি উপাসনাৰ লগত প্ৰকৃতিৰ বিশেষ সম্পৰ্ক আছে। দুৰ্গা পূজাৰ লগতে অনিবাৰ্য হিচাপে কৰা হয় নৱপত্ৰিকাৰ পূজা। অকল পূজা কৰাই নহয়, সপ্তমী পূজাৰ দিনা পুৱা বেলাতেই যথা সময় মতে নৱ-পত্ৰিকা প্ৰৱেশ, মণ্ডপত সংস্থাপন আৰু আদিতে নৱ-পত্ৰিকাৰে মহাস্নানো কৰা হয়। গতিকে নৱপত্ৰিকা পূজাৰ বিশেষ তাৎপৰ্য আছে। নৱ-পত্ৰিকা কলপুলি, কলাকচু, হালধি, জয়ন্তী, যুগ্মবেল, ডালিম, অশোক, মানকচু আৰু ধানগছৰ সমষ্টি। প্ৰত্যেকবিধ গছেই ঔষধি গুণ সম্পন্ন।

দুৰ্গা দেৱীৰ সংস্থান ভেদে আৰু কাল ভেদে ভিন, ভিন, নামৰ কথা শাস্ত্ৰত উল্লেখ আছে। দুৰ্গম অসুৰক বধ কৰাৰ বাবে এই আদ্যাশক্তিৰ নাম দুৰ্গা, আয়োৰ্দন অসুৰক নিধন কৰাৰ বাবে ভুৱনেশ্বৰী, চণ্ডাসুৰক বধ কৰাৰ বাবে চণ্ডী, উৰতাসুৰক বধ কৰাৰ বাবে ৰাজ-ৰাজেশ্বৰী, অঘোৰাসুৰক নিহত কৰাত ছিন্নমস্তাৰূপা, ধুমাসুৰক বধ কৰা বাবে ধুমাৱতী, লোহিতাখ্ৰকক বধ কৰাত বগলামুখী, কালিকাসুৰক বধ কৰা বাবে মাতঙ্গী, কৰিন্দ্ৰসুৰক বধ কৰাত জগদ্ধাত্ৰী, কুৰ্মপৃষ্ঠক বধ কৰাৰ বাবে মহালক্ষ্মী। এই দেৱীয়ে শ্মশানত কালী মূৰ্তি ধাৰণ কৰে। শ্মশানত থকা এই কালী মূৰ্ত্তিৰ নাম-দশভুজা, ব্ৰহ্মাৰ্থী, মাহেশ্বৰী, কৌমাৰী, বৈষ্ণৱী, বাৰাহী, নাৰসিংহী, ইন্দ্ৰাণী, শিৱা, মহাতাৰা ইত্যাদি। দুৰ্গাদেৱীৰ কৰ্ম অনুসৰি নৱকালী, নৱদুৰ্গা, ব্ৰাহ্মীদুৰ্গা, কাৰ্ত্তিকী দুৰ্গা, ৰাজলক্ষ্মী দুৰ্গা, চামুণ্ডা ইত্যাদি নাম আছে। এইদৰে বিভিন্ন সময়ত বিভিন্ন শক্তিৰে বিভিন্ন নামেৰে পৰিচিতা দুৰ্গাদেৱীৰ এহেজাৰতকৈও অধিক নামৰ উল্লেখ আছে।

জনবিশ্বাস আছে যে দেৱী প্ৰতি বছৰে পূজা ল'বলৈ নিৰ্দিষ্ট বাহনত আৰু নিৰ্দিষ্ট সময়ত মৰ্তলৈ আহে। কিন্তু প্ৰত্যেক বছৰেই দেৱীৰ বাহন আৰু সময় বেলেগ বেলেগ। সময় আৰু বাহনৰ ওপৰত নিৰ্ভৰ কৰি জ্যোতিষ পণ্ডিত সকলে ৰাষ্ট্ৰত ইয়াৰ প্ৰভাৱ বা ফলাফল গণনা কৰা দেখা যায়। উদাহৰণস্বৰূপে দেৱী ৰবিবাৰে হাতীত উঠি মৰ্তলৈ আহিলে আৰু উভতি গ'লে ৰাষ্ট্ৰত শস্য আৰু জনবৃদ্ধি হয়। মঙলবাৰে ঘোঁৰাত উঠি অহা-যোৱা কৰিলে, ৰজাৰ ছত্ৰভংগ, দুৰ্ভিক্ষ আৰু কন্দলৰ লগতে প্ৰজা-হানি হয়। বুধবাৰে দেৱী নৌকাত উঠি অহা-যোৱা কৰিলে, দেশত শষ্য আৰু প্ৰজা বৃদ্ধি হয়। বৃহস্পতিবাৰে নৌকাত উঠি অহা-যোৱা কৰিলে, বহু সম্পদ বৃদ্ধি হয়। শুক্ৰবাৰে দোলাত উঠি অহা-যোৱা কৰিলে, প্ৰজা হানি হয়। আনহাতে শনিবাৰে ঘোঁৰাত উঠি অহা-যোৱা কৰিলে ৰজাৰ ছত্ৰভংগ, দুৰ্ভিক্ষ, প্ৰজা হানি, কন্দল পীড়া আদি হয়।

উল্লখ্য যে পুৰণি কালত অনুষ্ঠিত বসন্ত কালৰ বাসন্তী পূজাতকৈ বৰ্তমান সমাজত শৰত কালত অনুষ্ঠিত শাৰদীয় দুৰ্গা পূজাৰহে পয়োভৰ বেছি। শাৰদীয় পূজাই হওঁক বা বাসন্তী পূজাই হওঁক ভক্তৰ মনলৈ আনে ভক্তিৰ ভাব আৰু আনন্দৰ জোৱাৰ।

*ফোন ঃ ৯৮৫৪৪৯২৩২৬*

# দুৰ্গাপূজাৰ আধ্যাত্মিক ৰহস্য



শশীপ্ৰভা দাস

**আধ্যাত্মিকতাৰ** দেশ ভাৰতবৰ্ষত অতি প্ৰাচীন কালৰে পৰাই দেৱ-দেৱীৰ পূজা চলি আহিছে। সমগ্ৰ ভাৰতবৰ্ষতেই বিভিন্ন মঠ-মন্দিৰবোৰত বিভিন্ন দেৱীৰ মূৰ্তিয়েই বিদ্যমান। শাৰদীয় দুৰ্গাপূজাত প্ৰকৃততে পৰমশক্তিকেই দুৰ্গাদেৱী ৰূপত পূজা কৰা হয়।

অনন্তকোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী, সৃষ্টিকৰ্তা, সৰ্বশক্তিমান, নিৰাকাৰ, পৰমব্ৰহ্ম, পৰমেশ্বৰক প্ৰাচীন ঋষিমুনিসকলে মাতৃৰূপেই আৱিষ্কাৰ কৰিলে। প্ৰকৃততে প্ৰকৃতিক, ভাৰতমাতাক মাতৃৰূপে পূজা কৰাৰ পিছত নদীৰ নামো গঙ্গা, যমুনা, নৰ্মদা আদি নাৰীৰ নামেৰে নামকৰণ কৰা হ'ল। সেয়েহে মাতৃ প্ৰধান সমাজত সৃষ্টিকৰ্তাক দেৱীৰূপে আৰাধনা কৰিবলৈ দেৱীক বিভিন্ন ৰূপেৰে— দশভূজা, মহিষমৰ্দিনী, চণ্ডী ৰূপেৰে অৰ্চনা কৰা হ'ল। সৰ্বসাধাৰণৰ মাজত দেৱীস্বৰূপা, সৃষ্টিকৰ্তাৰ অপাৰ মহিমা আৰু শক্তি সম্পৰ্কে ভক্তি বিশ্বাস জাগৃত কৰিবৰ বাবেই দেৱীৰ মহিমা বৰ্ণনা কৰি দেৱী ভাগৱত, মাৰ্কণ্ডেয় পুৰাণ, উপ পুৰাণ, ব্ৰহ্মবৈৱৰ্ত পুৰাণ আদিত দেৱীৰ শক্তি আৰু মহিমাৰ বহুলভাৱে প্ৰচাৰ কৰা হ'ল। তদুপৰি হাজাৰ হাজাৰ বছৰৰ আগতে মন্ত্ৰদ্ৰষ্টা ঋষি-মুনিসকলে বিশ্ব ব্ৰহ্মাণ্ডৰ সূক্ষ্ম শক্তি গভীৰভাৱে অনুভৱ কৰি ভাষাৰ দ্বাৰা মন্ত্ৰত আৱদ্ধ কৰি ৰাখিছিল। প্ৰকৃতিৰ ৰেহ-ৰূপ বিলাকৰ স্থূল, সূক্ষ্ম, তাত্ত্বিক আৰু ৰহস্যময় তত্ত্বসমূহ গভীৰ আন্তৰিকতাৰে অনুভৱ কৰি সেইবোৰ বেদ, উপনিষদকে মুখ্য কৰি শাস্ত্ৰ, ভগৱত, দেৱীভাগৱত আদিত সৰ্বশক্তিমান তথা দেৱীৰ মহিমা-শক্তিসূচক মন্ত্ৰ অন্তৰ্ভুক্ত কৰিছিল। সৃষ্টিকৰ্তাৰ শক্তি, গুণানুকীৰ্তন আৰু মহিমা প্ৰচাৰৰ বাবে শাস্ত্ৰ, পুৰাণ আদি দ্বাপৰ যুগৰ পৰাই ৰচনা কৰা হৈছিল।

সৰ্বশক্তিমান সৃষ্টিকৰ্তাকেই মহাশক্তিৰূপিনী মহিষাসুৰ মৰ্দিনী দশভুজা দুৰ্গাদেৱীৰূপে পূজা কৰা হৈছে। দেৱী দুৰ্গাৰ দহখন হাত নাই। দহখন হাতত যি অস্ত্ৰ-শস্ত্ৰ দেখুওৱা হৈছে, সেয়া শক্তিৰ প্ৰতীকহে। শক্তিৰ অৰ্থ আধ্যাত্মিক শক্তিহে। দেৱীসকল আধ্যাত্মিক শক্তিৰে শক্তিময়ী। তেওঁলোকৰ হাতত খৰ্গ, কুঠাৰ, ত্ৰিশূল, তৰোৱাল আদি ভৌতিক অস্ত্ৰ নাথাকে। বৃন্দনীয়া শক্তিৰ ওচৰত হিংসা কৰা অস্ত্ৰ-শস্ত্ৰ নাথাকে। যি কেইবিধ অস্ত্ৰ আছে, সেয়া আধ্যাত্মিক শক্তিৰ প্ৰতীকহে। এই আধ্যাত্মিক শক্তি হ'ল— জ্ঞান, যোগ আৰু পবিত্ৰতাৰ শক্তিহে। অসুৰ নিধন কৰা অস্ত্ৰ-শস্ত্ৰ দেৱীৰ হাতত দেখুওৱা নাই। অসীম শক্তিৰে অসুৰ বিনাশিনী দুৰ্গাদেৱী প্ৰকৃততে সৰ্বশক্তিমানৰ প্ৰতীক। দুৰ্গাদেৱীৰ স'তে থকা লক্ষ্মী, সৰস্বতী, গণেশ, কাৰ্তিকৰ মূৰ্ত্তিও একো একোটা প্ৰতীকহে। দুৰ্গাৰ অৰ্থ হৈছে যিয়ে নিজৰ দুৰ্গতি দূৰ কৰাৰ লগতে সংসাৰৰ দুখ দুৰ্গতিও দূৰ কৰে।

মহালয়াৰ দিনা দুৰ্গাদেৱীক মৰতলৈ আহ্বান জনাই ভক্তসকলে তেওঁৰ শক্তিসমূহৰ গুণ-গান কৰে। যিটো একেবাৰেই নাথাকে, তাক সৃষ্টি কৰা হয় আৰু যি ইতিমধ্যে আছে, কিন্তু সুপ্ত অৱস্থাত, তাক আহ্বান জনোৱা হয় অৰ্থাৎ জাগৃত কৰা হয়। এয়া মহালয়াৰ উদ্দেশ্য। দুৰ্গাক শিৱশক্তি বোলা হয়। দুৰ্গা দেৱীৰ যি তৃতীয় নেত্ৰ আছে, সেয়া প্ৰকৃততে জ্ঞান নেত্ৰহে। বুদ্ধিৰূপী এই নেত্ৰ আত্মাৰ নেত্ৰ। মহিষাসুৰ দুৰ্দান্ত কাম শক্তিৰ প্ৰতীক। কাম, ক্ৰোধ, লোভ, মোহ, অহংকাৰ— এই পাঁচ বিকাৰৰ প্ৰতীক মহিষাসুৰ। জ্ঞানৰূপী তৰোৱালেৰে কাম বিকাৰৰূপী অসুৰকহে বধ কৰিব পাৰি।

সৰস্বতীদেৱী জ্ঞানৰ প্ৰতীক। দেৱীৰ শুভ্ৰবস্ত্ৰ পবিত্ৰতাৰ প্ৰতীক। বাহন ৰাজহংস। ৰাজহংসই গাখীৰত পানী মিহলাই দিলে গাখীৰহে খাব অৰ্থাৎ জ্ঞানসাগৰৰ পৰা জ্ঞান মুক্তাহে গ্ৰহণ কৰে। লক্ষ্মী দেৱী স্থুল ধন সম্পত্তি, ঐশ্বৰ্যৰ অধিকাৰীণী নহয়, প্ৰকৃততে সুখ, শান্তি, পবিত্ৰতা আৰু জ্ঞান ধনৰহে প্ৰতীক। কাৰ্তিক হ'ল সৌন্দৰ্যৰ প্ৰতীক। এই সৌন্দৰ্য বাহ্যিক সৌন্দৰ্য নহয় অন্তৰিক সৌন্দৰ্যৰহে প্ৰতীক। গণেশক বিঘ্নিনাশক বোলা হয়। হাতীৰ মূৰৰ আকৃতিত দেখুওৱা গণেশৰ মূৰ বুদ্ধি আৰু বিবেকৰ প্ৰতীক। সৰু চকু দুটা একাগ্ৰতাৰ প্ৰতীক, কাণ দুখন শ্ৰৱণ শক্তিৰ প্ৰতীক।

দুৰ্গাপূজা বিসৰ্জনৰ দিনা প্ৰতিবছৰে ভাৰতত ৰাৱণৰ প্ৰতিমূৰ্তি জলাই দশেৰা উৎসৱ পালন কৰা হয়। ৰাৱণ বুলি কোনো দুহমূৰীয়া ৰাক্ষস বা মনুষ্য নাছিল। ৰাৱণৰ মূৰ্তি বিকাৰৰ প্ৰতীক, কাৰণ বিকাৰেই মানুহৰ জীৱনলৈ দুখ আৰু যাতনা আনে। সীতাক অপহৰণ কৰাৰ ভাবাৰ্থই বাস্তৱত আত্মাৰ শুদ্ধ ভাৱনাক অপহৰণ কৰাটোহে বুজায়। বৰ্তমান সময়ত মনুষ্যাত্মা মায়া অৰ্থাৎ ৰাবণৰ প্ৰভাৱেৰে আচ্ছন্ন। সেয়ে চাৰিওফালে ভ্ৰষ্টাচাৰ, কলহ-ক্লেশ, দুখ-অশান্তিয়ে সকলোকে জৰ্জৰিত কৰি পেলাইছে।

সাম্প্ৰতিক যুগত মানুহৰ কু-চিন্তা, কু-কৰ্মৰ প্ৰকম্পনে বায়ুমণ্ডলত প্ৰভাৱ পেলাই বিষাক্ত, বিকৃত কৰি পেলাইছে। কাৰণ মানুহৰ প্ৰকম্পন সকাৰাত্মক বা নকাৰাত্মক যিয়েই নহওক অতি শক্তিশালী। সাম্প্ৰতিক সময়ত মানুহৰ নেতিবাচক চিন্তাৰ প্ৰকম্পনে চাৰিওফালে চানি ধৰিছে। এইবোৰেই হ'ল অশুভ শক্তি। মানুহৰ মনৰ পৰা নিঃসৃত হোৱা অশুভ শক্তি দেৱী দুৰ্গাই নিৰ্মূল কৰিব নোৱাৰে। সেই সকলোবোৰ আঁতৰাব পাৰি কেৱল শক্তিশালী শুভভাৱনাৰ দ্বাৰাহে।

এনে পৰিস্থিতিত সকলোৱে দুৰ্গতি নাশিনী দেৱীদুৰ্গাক আহ্বান জনাইছে সকলোৱে দুৰ্গতি নিৰ্মূল কৰিবৰ বাবে। দুৰ্গাদেৱীক অতি আড়ম্বৰেৰে ৰাজসিক, তামসিক পদ্ধতিৰে পূজা কৰি কৰি আমি আত্মিক শক্তি ক্ষয় কৰি নিজৰ দুখ-দুৰ্গতি বঢ়াইছো, কিন্তু দুৰ্গতি নাশ হোৱাৰ পৰিৱৰ্তে চাৰিওফালে মানুহৰ, দেশৰ দুৰ্গতিৰ সীমা নোহোৱা হৈছে।

সকলো মানুহৰ অন্তৰত দৈৱী শক্তি সুপ্ত অৱস্থাত আছে। দেৱীৰ গুণগান কৰাৰ লগে লগে আধ্যাত্মিকতাৰ দ্বাৰা দৈৱীশক্তি জাগৃত কৰি সকলোৱে নিজকে পৰিৱৰ্তন কৰিব পাৰিলেহে দুৰ্গা পূজাৰ প্ৰকৃত ৰহস্য অনুভৱ হ'ব আৰু প্ৰকৃত দুৰ্গোৎসৱ পালন কৰা সাৰ্থক হ'ব।

*ফোন ঃ ৯৮৬৪০-২২৭০৩*

বিশ্বৰ প্ৰথম ধৰ্মবোৰৰ ভিতৰত হিন্দু ধৰ্মৰ দুটা চকুত পৰা বৈশিষ্ট্য আছে। তাৰে প্ৰথমটো বৈশিষ্ট্য হ'ল— বিশ্বৰ আন তিনিটা প্ৰধান ধৰ্ম খ্ৰীষ্টান, ইছলাম আৰু বৌদ্ধধৰ্মৰ একোজনকৈ প্ৰতিষ্ঠাপক আছে। যেনে- ভগৱান যীশু, হজৰত মহম্মদ আৰু গৌতম বুদ্ধ ক্ৰমে এই তিনিটা ধৰ্মৰ প্ৰতিষ্ঠাপক। তাৰ বিপৰীতে আমাৰ হিন্দুধৰ্ম কোনো এজন বিশেষ প্ৰতিষ্ঠাপকে প্ৰতিষ্ঠা কৰা ধৰ্ম নহয়। ই অনেক ধৰ্মগুৰুৰ বিভিন্ন মতৰ ওপৰত প্ৰতিষ্ঠিত আৰু সেই বিভিন্ন মতবোৰৰ সৃষ্টি হৈছিল বিভিন্ন সময়ত।



# শাকম্ভৰী তথা দেৱী দুৰ্গাৰ উৎপত্তি

অঞ্জলি হাজৰিকা

**দ্বিতীয়তে** হিন্দু ধৰ্মৰ আন এটা বৈশিষ্ট্য হ'ল হিন্দু নামটোৰ জন্ম অহিন্দুৱেহে দিয়া। আদিতে হিন্দু ধৰ্মৰ নাম আছিল বৈদিক ধৰ্ম বা ব্ৰাহ্মণ্য ধৰ্মহে। ইয়াৰ উৎপত্তিৰ মূল আছিল বেদ আৰু সৃষ্টি হৈছিল খ্ৰীষ্ট ধৰ্মৰ বহু হেজাৰ বছৰ আগেয়ে। হিন্দু নামৰ উৎপত্তি হৈছিল সিন্ধু নদীক কেন্দ্ৰ কৰি। সিন্ধু নদীৰ পশ্চিমৰ সিপাৰে বসবাস কৰা লোকসকলে ইপাৰৰ ভূ-খণ্ডত বসবাস কৰা লোকসকলক হিন্দু বুলি কৈছিল। অষ্টম শতিকাত ইছলাম ধৰ্মাৱলম্বী লোকসকল বিশেষকৈ দিগ্বিজয়ী শক্তি এই পাৰলৈ আহি ৰাজ্য স্থাপন কৰি স্থায়ী বাসিন্দা হোৱাৰ পাছত ই অধিক প্ৰসাৰতা লাভ কৰে আৰু মুছলমানসকলে ভাৰতৰ অমুছলমানসকলক হিন্দু নামেৰে চিনাক্ত কৰাত ইয়াৰ প্ৰচলন বাঢ়িল আৰু বৈদিক ধৰ্মই বিৱৰ্তনৰ মাজেৰে হৈ পৰিল হিন্দু ধৰ্ম আৰু ইয়াৰ ধৰ্মাৱলম্বীসকল হ'লগৈ হিন্দু।

হিন্দু ধৰ্মত যদিও কোনো নিৰ্দিষ্ট প্ৰতিষ্ঠাপক নাই আৰু হিন্দু দেৱ-দেৱীৰ সংখ্যা বা উপাসনাৰ নিয়ম অলেখ তথাপি এই ধৰ্মৰ তিনিগৰাকী দেৱতাৰ গুৰুত্ব তুলনামূলকভাৱে অধিক। সেই ত্ৰিমূৰ্তি হ'ল ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ (শিৱ)। তাৰে ব্ৰহ্মাক সৃষ্টিৰ অধিকাৰী, বিষ্ণুক প্ৰতিপালনৰ গৰাকী আৰু শিৱক সংহাৰৰ গৰাকী বুলি গণ্য কৰা হয়। ব্ৰহ্মাক যদিও সৃষ্টিকৰ্তা বুলি মনা হয় তথাপি উপাসনাৰ ক্ষেত্ৰত আন দুগৰাকীৰহে গুৰুত্ব অধিক। বিষ্ণু আৰু শিৱৰ উপাসনা বিষয়ক কেন্দ্ৰ কৰিয়েই হিন্দু ধৰ্মৰ মূল ধাৰা দুটিৰ সৃষ্টি হৈছে। সেয়া হ'ল— বৈষ্ণৱ আৰু শৈৱ। বৈষ্ণৱসকল বিষ্ণুৰ আৰু শৈৱসকল শিৱৰ উপাসক। এই দুয়োটা ধাৰাতে মাৰ্গীয় দৰ্শন পদ্ধতি ভিন ভিনভাৱে আছে। শৈৱ মাৰ্গীয় চিন্তাৰ এটি গুৰুত্বপূৰ্ণ দিশ হ'ল শক্তি অৰ্থাৎ সকলো সৃজনী শক্তিৰ গৰাকী দেৱী। দেৱীৰ উপাসনাই সৃষ্টি কৰিছে শাক্ত পন্থাৰ, যিটো হিন্দু ধৰ্মৰ মূল পন্থা তিনিটাৰ এটা। দুৰ্গোৎসৱ শাক্ত পন্থাৰ এটা অতি গুৰুত্বপূৰ্ণ উৎসৱ।

বৈদিক ধৰ্মৰ ভেটি হ'ল বেদ আৰু বেদৰ সম্পৰ্ক আৰ্য সভ্যতাৰ স'তে। কিন্তু ইতিহাসৰ পম খেদিলে দেখা যায়, শিৱ শক্তিৰ আৰাধনা অকল আৰ্য-প্ৰভাৱিত সমাজৰ মাজতেই সীমাৱদ্ধ নাছিল, শিৱ আৰু শক্তিৰ বিভিন্ন ৰূপ ভাৰতীয় অনাৰ্য আন আন গোষ্ঠীসমূহৰ মাজতো প্ৰচলন থকাৰ কথা উমান পোৱা যায়। ইয়াৰ পৰা ওলাই পৰে যে এনেবিধৰ উপাসনা আৰ্যমূলৰ পৰা উদ্ভুত নহয়, সেই শিপা বহু প্ৰাচীন।

দেৱী উপাসনাৰ শিপা ভাৰতত কিমান প্ৰাচীন তাক আমি জানিব পাৰো হৰপ্পা আৰু মহেঞ্জোদাৰো সভ্যতাৰ পৰা। সিন্ধু উপত্যকা সভ্যতা নামেৰে প্ৰখ্যাত এই সভ্যতা ভাবিব নোৱৰা ধৰণে উন্নত আছিল আৰু আৰ্যসকল ভাৰতলৈ অহাৰ বহু পূৰ্বেই ই স্থাপিত হৈছিল আৰু ইয়াক কোনো সু-সভ্য অনাৰ্যই যে প্ৰতিষ্ঠা কৰিছিল সেয়া তৰ্কাতীতভাৱে প্ৰমাণিত হৈছে। সেই ভগ্নাৱশেষৰ পৰা আৱিষ্কৃত হৈছিল অনেক সু-প্ৰাচীন কীৰ্তিচিহ্ন। হৰপ্পাতে আৱিষ্কৃত সেই কীৰ্তিচিহ্নবোৰৰ মাজত আছিল এটা সৰু মোহৰ। সেই মোহৰৰ এপিঠিত আছে এগৰাকী নগ্ন নাৰীৰ প্ৰতিচ্ছবি। সেই নাৰীৰ মেলি থোৱা দুই উৰুৰ সংযোগস্থলৰ পৰাই ওলাই আহিছে এডাল লতা। মোহৰটোৰ আনটো পিঠিত কিছু কথা খোদিত আছে। সেইবোৰৰ অৰ্থ আজিও অৱশ্যে জানিব পৰা হোৱা নাই; কিন্তু সকলো পণ্ডিতেই অনুমানৰ ভিত্তিত যুক্তি আগবঢ়াইছে যে নাৰীদেহৰ পৰাই শস্যৰ উৎপত্তি হৈছিল বুলি সেই প্ৰতীকত বুজাব খোজা হৈছিল। এই অৰ্থ অতি তাৎপৰ্যপূৰ্ণ। ই যে দেৱীশক্তিৰ উপাসনা তাত কোনো সন্দেহেই নাই। এইটো মন কৰিবলগীয়া যে সিন্ধু সভ্যতাৰ সকলোতকৈ প্ৰখ্যাত বিগ্ৰহ হ'ল 'মাতৃৰূপা দেৱী'। ইয়েই প্ৰমাণ কৰে দেৱী শক্তিৰ উপাসনাৰ প্ৰচলন আৰ্যসকল অহাৰ পূৰ্বেই ভাৰতত আছিল। আৰ্যসকলৰ ভাৰতলৈ আগমনৰ পাছত তেওঁলোকৰ মাজত দেৱী শক্তিৰ আৰাধনাই গুৰুত্ব লাভ কৰিছিল। শস্য হ'ল মানুহৰ প্ৰাণৰক্ষক। দেৱী ৰহস্যৰ লগত শস্যৰ নিবিড় সম্পৰ্কৰ বিষয়ে থকা জনবিশ্বাস সুপ্ৰাচীন। মাৰ্কণ্ডেয় পুৰাণত দেৱীয়ে কৈছে— 'অনন্ত বৰ্ষাকালত মোৰ দেহৰ পৰা ওলোৱা প্ৰাণদায়িনী শাকৰ যোগেৰে মই সমগ্ৰ বিশ্বত পুষ্টিৰ যোগান ধৰিম। তেতিয়া মই জগত খ্যাত হ'ম শাকম্ভৰী নামেৰে।' সেয়ে দুৰ্গাৰ আন এটা নাম হ'ল শাকম্ভৰী। সেয়ে দুৰ্গোৎসৱৰ স'তে শস্যৰ নিবিড় সম্পৰ্ক থকাই স্বাভাৱিক। দুৰ্গোৎসৱ শাৰদীয় উৎসৱ। এই সময়ছোৱাত ধৰণী ফুলে-ফলে জাতিষ্কাৰ হৈ পৰে। দুৰ্গা উপাসনাৰ উৎপত্তিকালত দুৰ্গা আছিল শস্যৰ দেৱী আৰু এই উৎসৱৰ উদ্‌যাপনো দেৱী বন্দনা হিচাপেই কৰা হৈছিল। এই ঋতুত এনে সঁচৰ উৎসৱ বিশ্বৰ প্ৰায় সৰ্বত্ৰতে আছে।

দেৱীৰ উপাসনা তান্ত্ৰিকসকলৰ ধাৰণাৰ স'তে জড়িত। এই তন্ত্ৰসাধনা হ'ল নাৰীশক্তি অৰ্থাৎ দেৱীৰ উপাসনা। নাৰীৰ স'তে কৃষি কাৰ্যৰ যি গুৰুত্বপূৰ্ণ সম্পৰ্ক তাৰ লগত দেৱীশক্তি উপাসনাৰ অতি তাৎপৰ্যপূৰ্ণ যোগসূত্ৰ আছে। মাতৃতান্ত্ৰিকতাই আছিল সমাজৰ আদি ৰূপ আৰু নাৰীয়েই আছিল কৃষিকাৰ্যৰ উদ্ভাৱক। গৰ্ভধাৰণ, স্তনদান আৰু শিশুপালনৰ বাধ্যকতাৰ বাবে নাৰীয়ে সেই সময়ত চিকাৰত অংশগ্ৰহণ কৰাটো অসম্ভৱ আছিল। সেয়ে তেতিয়া তেনে নাৰীয়ে বাসভূমিৰ আশে-পাশে মাটি খুঁচৰি শস্য ৰোৱাৰ যি প্ৰচেষ্টা চলাইছিল সিয়েই আছিল সভ্যতাৰ কৃষিকাৰ্যৰ আৰম্ভণি আৰু এই কাৰ্যই নাৰীৰ সৃজনী শক্তিৰ স'তে শস্যৰ সম্পৰ্ক পৰিণত হ'ল এক জনবিশ্বাসত। এনেকৈয়ে নাৰীৰ সৃজনী শক্তিক উপাসনাৰ বিগ্ৰহলৈ ৰূপান্তৰিত কৰা হৈছিল আৰু তাৰ ফলতেই সৃষ্টি হৈছিল তান্ত্ৰিক শাক্ত পন্থাৰ, য'ত শক্তিৰ উপাসনাই মূল। আনহাতে, অনাৰ্য জনসমষ্টিৰ অনেক সমাজত উন্নত কৃষি কাৰ্যৰ প্ৰচলন আৰ্য আগমনৰ পূৰ্বেই যে হৈছিল তাৰ প্ৰমাণ দিয়ে সিন্ধু সভ্যতাৰ ভঁৰালবোৰে। সেয়ে এনে অনাৰ্য গোষ্ঠীবোৰৰ মাজতেই ভাৰতত দেৱীশক্তিৰ উপাসনাৰ প্ৰচলন কৃষিকাৰ্যৰ বন্দনাস্বৰূপে প্ৰথমে হৈছিল বুলি পণ্ডিতসকলে ক'ব খোজে। আৰু কালক্ৰমত আৰ্য সমাজতো এই বন্দনাই স্থায়ীভাৱে স্থান লাভ কৰিছিল। এনেকৈয়ে আৰম্ভ হৈছিল দেৱী দুৰ্গাৰ উপাসনা।

এই উৎসৱ আমাৰ জীৱনী শক্তিৰ আধাৰ। এই উৎসৱৰ সম্পৰ্কও শ্ৰম আৰু প্ৰকৃতিৰ লগতেই। ইজনৰ লগত সিজনৰ হৃদয়ৰ আদান-প্ৰদানতে উৎসৱৰ গূঢ়াৰ্থ নিহিত আছে। শৰৎ কালতে প্ৰকৃতিয়ে আনি দিয়ে তেনে এক পৰিৱেশ। সেয়েহে শৰৎ উৎসৱৰ ঋতু। শাৰদোৎসৱ। কথিত মতে ত্ৰেতাযুগত ৰামে তেওঁৰ অপহৃতা পত্নী সীতাক উদ্ধাৰ কৰিবৰ বাবে ৰাৱণক বধ কৰিব লগা হৈছিল। ৰাৱণ বধৰ বাবে ৰামে বাসন্তীদেৱী দুৰ্গাক শাৰদাৰূপে অকালবোধন কৰিছিল। সেই পৰম্পৰাৰে আজিও শৰৎ কালত শাৰদা-সুন্দৰী দুৰ্গাৰ পূজা চলে। আইমাতৃৰ আৰাধনাৰ যোগেদি অসুৰৰূপী অপশক্তি বিনাশৰ বাবে ভক্তই প্ৰাৰ্থনা কৰে। সমাজবিজ্ঞানীসকলৰ মতে প্ৰাচীন যুগৰে পৰা মাতৃ তথা নাৰী শক্তিৰ বন্দনাৰে চলি আহিছে শক্তিৰ আৰাধনা। কাৰণ এই নাৰীয়ে যে অনন্য শক্তিৰ আধাৰ।

ফোন ঃ ৯৪৩৫৩৪৯৯৮৪

দেওবৰীয়া দৈনিক অগ্ৰদূত

# গুৰু শংকৰদেৱ, সত্ৰ নামঘৰ আৰু ভকতসকল

ডাঃ হৰেন চৌধুৰী

**মহাপুৰুষ** শংকৰদেৱ অসমীয়া জাতিৰ বাবে অকল ধৰ্মপুৰুষেই নহয় তেৰাই অসমীয়া সাহিত্য-সংস্কৃতি, কলা-শিল্প, অৰ্থনীতি, সমাজনীতি আদিৰো প্ৰথম প্ৰবক্তা বুলি ক'ব পাৰি। পঞ্চদশ শতিকাত অসমত সামাজিক বিশৃংখলতা, ব্যভিচাৰ, কু-সংস্কাৰ, জাতিগত হিংসা, অনাচাৰ, অনিয়মে গোটেই অসম আৱৰি ধৰিছিল আৰু মানুহবোৰ অগণতান্ত্ৰিক নীতিহীন দিশহাৰা হৈ পৰিছিল। ধৰ্মৰ নামত নিজৰ ব্যক্তিগত সুফল পাবলৈ জীৱ হত্যা আনকি নৰবলি দিয়াৰ ব্যৱস্থাও আছিল। অসমীয়া জাতিৰ এনে সন্ধিক্ষণত সৰ্বগুণ সম্পন্ন মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ বহুমুখী প্ৰতিভাৰে ধৰ্ম, ভক্তি, পদপুথি, গীত, ভাওনা, চিত্ৰশিল্প আদিৰে এক সুস্থ, নিকা অসমীয়া সমাজ প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়ি আহি 'এক শৰণ হৰিনাম ধৰ্ম' প্ৰৱৰ্তন কৰি জাতি, বৰ্ণ, ভাষা, লিংগ নিৰ্বিশেষে একগোট হ'বলৈ গুৰিবঠা ধৰিছিল। শ্ৰীমদ্ভাগৱত, গীতা, পুৰাণ আদি জনসাধাৰণে বুজিব পৰাকৈ ব্ৰজাৱলী ভাষাত লিখি এক অমৃতময় বৈষ্ণৱ সাহিত্যৰ জন্ম দিছিল। গুৰুজনাই আত্মা-পৰমাত্মাৰ দৰ্শন আৰু জীৱনৰ সনাতন চেতনা উপলব্ধি কৰাবলৈ চেষ্টা কৰিছিল। সমাজৰ সৰু-বৰ সম্প্ৰদায়ৰ মানুহক মানৱীয় ভাৱনাৰে সাবটি বৃহৎ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াৰ প্ৰথমজন ধৰ্মগুৰু বুলি ক'ব পাৰি। তেৰাৰ ধৰ্মৰ দৰ্শন মতে শান্তি, ঐক্য, প্ৰেমৰ মূল উৎস হ'ল মানৱতাবাদ। সমাজত ধৰ্ম, বৰ্ণ, লিংগ ভাষাৰ সংকীৰ্ণতা থাকিলে সেই সমাজৰ কেতিয়াও উন্নতি হ'ব নোৱাৰে।

'কুকুৰ শৃগাল গদৰ্ভৰো আত্মাৰাম
জানিয়া সবাকে পৰি কৰিবা প্ৰণাম।'

শংকৰদেৱৰ মহান চমৎকাৰ সৃষ্টি সত্ৰসমূহৰ মাজেৰে তেৰাই সমাজৰ সকলো শ্ৰেণীৰ মানুহক সমানে আগবাঢ়ি যাবলৈ উৎসাহ-উদ্দীপনা জগাইছিল। শংকৰদেৱে নৱ বৈষ্ণৱৰ আন্দোলনৰ সময়তে অসমীয়া জাতিক সৰ্বস্তৰতে এক আধুনিক চিন্তা-চেতনা দিবলৈ যত্নপৰ হৈছিল। শংকৰদেৱে বুজিছিল পাৰস্পৰিক সৎ ভাব অবিহনে সমাজত শান্তি, ঐক্য প্ৰতিষ্ঠা নহয়। ইতিহাস পঢ়িলে আমি গম পাওঁ যে শংকৰদেৱৰ সময়ত অসমীয়া সমাজত ৰাজনৈতিক, অৰ্থনৈতিক অৱস্থা সন্তোষজনক নাছিল। ৰাজ শক্তিৰ উত্থান-পতন, অহৰহ সংঘৰ্ষ আদি ঘটাৰ বাবে মানুহে সমাজত সুখ-শান্তিৰে জীয়াই থকা কঠিন হৈ উঠিছিল।

শংকৰদেৱ আৰু মাধৱদেৱে অসমীয়া জাতিৰ এনে দুৰ্যোগৰ সময়তে অসমৰ চুকে-কোণে সত্ৰ প্ৰতিষ্ঠা কৰি জনগণৰ মন জাতীয় চেতনাৰে আলোড়িত কৰিছিল। শংকৰদেৱ আৰু মাধৱদেৱে হাড়ে-হিমজুৱে বুজিছিল যে এটা জাতি জীয়াই থাকিবলৈ হ'লে সেই জাতিৰ ভাষা, কলা, সংস্কৃতিৰ বিকাশ সাধন অতি প্ৰয়োজন। সৰ্বসন্মত ভাষা এটা জাতিৰ ধৰ্ম, কলা, সংস্কৃতি, সংহতিৰ মুখ্য আধাৰ। শংকৰদেৱে প্ৰতিটো জনগোষ্ঠীৰ অস্তিত্ব ৰক্ষা আৰু সন্মান সম্পৰ্কে সদা সচেতন আছিল। নিজৰ স্বকীয়তা স্বাভিমান ৰক্ষাৰ বাবে গুৰুজনাত কৈছিল— 'অন্যৰ ধৰ্মক নিনিন্দিবা নবন্দিবা।' তেৰাই অসমত বসবাস কৰা বিভিন্ন সম্প্ৰদায়ৰ লোকক শিষ্যত্ব দি যি মানৱীয় ধৰ্মৰ নিৰ্দশন দাঙি ধৰিলে, এনে গুৰু সেই সময়ত বিশ্বত আৱিৰ্ভাৱ নোহোৱা বুলিয়েই ক'ব পাৰি।

'নাই ভকতিৰ জাতি অজাতিৰ বিচাৰ
কৃষ্ণৰ নামত সমস্তৰে অধিকাৰ।।'

শংকৰদেৱ আছিল এজন মানৱতাবাদী মহান বিশ্ব নাগৰিক। হয়তো সেই বাবেই তেৰাই কোনো লেখাতে অসম শব্দ ব্যৱহাৰ কৰা দেখা নাযায়। বৰঞ্চ 'ভাৰতে মনুষ্য তনু কত পুণ্য পায়। চিন্তামণি জন্ম হোৱা হাততে হেৰায়।' নৰতনু লাভ কৰি হৰিৰ ভকতি নকৰিলে জীৱন বিফলে যায়।

'কলি যুগে ভাৰতবৰ্ষৰ নৰ তনু
কৌটি কৌটি জনমেয়ো নাপাইবা পুনু।।'

শংকৰদেৱে অসমৰ ঠায়ে ঠায়ে সত্ৰ, নামঘৰ স্থাপন কৰি ইয়াৰ মাজেৰে সাহিত্য, কলা, সংস্কৃতি, ধৰ্মৰ চিন্তা-চেতনা চৰ্চা কৰা কেন্দ্ৰস্থল হিচাপে গঢ়ি তুলিছিল। বৰ্তমানো এই সত্ৰ, নামঘৰসমূহে শংকৰদেৱ, মাধৱদেৱৰ ধৰ্ম-সংস্কৃতি প্ৰচাৰ কৰি আছে। শংকৰদেৱৰ কালছোৱা আছিল ভক্তি আন্দোলনৰ যুগ। তেৰাই বিভিন্ন সময়ত মথুৰা, পুৰী, বৃন্দাবন আদি তীৰ্থস্থান ভ্ৰমণ কৰি মধ্য যুগৰ বৈষ্ণৱ ধৰ্মৰ ভাব আৰু আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। তেৰাই ভকতসকলক সমাজৰ উচ্চ-নীচ জাতিৰ সংকীৰ্ণতা আৰু লিংগ বৈষম্যৰ পৰা আঁতৰত থাকি সত্ৰৰ মাধ্যমেৰে ঐক্য শান্তি স্থাপন কৰিবলৈ প্ৰেৰণা দিছিল। তেৰাৰ মানৱতাৰ নৈতিকতাৰ বাণী সত্ৰ, নামঘৰৰ পৰাই দশোদিশ বিয়পি পৰিছিল।

গুৰুজনাই সত্ৰ পৰিচালনাৰ বাবে গণতান্ত্ৰিক পদ্ধতি অনুসৰণ কৰিছিল আৰু সত্ৰ পৰিচালনা সমিতি গঠন কৰিছিল। আজিৰ পৰা পাঁচশ বছৰ আগতে গুৰুজনাই যি গণতান্ত্ৰিক চিন্তা আৰু আদৰ্শ সমাজ জীৱনত ৰোপণ কৰিছিল তাৰ উদাহৰণ সমসাময়িক বিশ্বৰ বুৰঞ্জীত পাবলৈ নাই। সত্ৰৰ জৰিয়তে তেৰাই অসমীয়াক মানৱতা, নৈতিকতা, সৎ চিন্তাৰে সুশিক্ষিত কৰিবলৈ অহৰহ চেষ্টা কৰিছিল। মহামানৱ মহাত্মা গান্ধীয়েও গুৰুজনাৰ ওপৰত মন্তব্য কৰি কৈছিল— Sankardev in the sixteenth century has made Assamese people kindly, tolerant and humane.' শংকৰদেৱে নাতি-বোৱাৰী কনকলতা আৰু হৰিদেৱৰ জীয়েক ভুবনেশ্বৰীক সত্ৰ পৰিচালনাৰ ভাৰ দিছিল আৰু চিলাৰায়ৰ পত্নীসকলক, চন্দৰী, বলৰা আদি আইসকলক শৰণ দিয়া কাৰ্যই তেওঁ নাৰী জাতিৰ প্ৰতি সম মৰ্যাদা, সম অধিকাৰ দিয়া বুলি ক'ব পাৰি। এনেদৰে লিংগ বৈষম্য থকা সমাজ একত্ৰিত কৰিবলৈ প্ৰচেষ্টা কৰিছিল। তেৰাই সত্ৰ, নামঘৰত ভকতি শ্লোক মংগল আৰতি ভোৰতাল বজাই 'ব্ৰাহ্মণ, চণ্ডালৰ নিবিচাৰি কুল' বুলি মানুহক হৃদয়ে হৃদয়ে মানৱতাৰ শুকুলা পতাকা উৰুৱাইছিল। মনৰ সংকীৰ্ণতা হীনতা নীচতা পৰিহাৰ কৰি নাম ধৰ্মৰ মাজেৰে দেহমন পৱিত্ৰ কৰিবলৈ আহ্বান জনাইছিল।

অৱশ্যে গুৰুজনাৰ মহাপ্ৰয়াণৰ পৰৱৰ্তী কালত কিছু কিছু ধৰ্ম প্ৰচাৰকৰ সংকীৰ্ণ মন, অদূৰদৰ্শিতা আৰু বৈজ্ঞানিক দৃষ্টিভংগী নোহোৱাৰ বাবে এই ভক্তি আন্দোলন কিছু পৰিমাণে স্তিমিত হৈ পৰিছিল। বহুতো সত্ৰ- নামঘৰৰ কিছু ব্যক্তিয়ে নিজৰ ক্ষুদ্ৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ যোৱাৰ বাবে কিছু কিছু সত্ৰ, নামঘৰত বিশৃংখল বেমেজালি দেখা দিয়া পৰিলক্ষিত হয়। সত্ৰ পৰিচালনা ব্যক্তিসকলৰ মই বৰ ভাব আৰু সত্ৰলৈ অহা মানুহৰ প্ৰতি শ্ৰদ্ধাশীল নোহোৱাৰ ফলত বহু ভক্তই সত্ৰৰ প্ৰতি অনীহা আৰু আস্থাহীনতাৰ ভাব প্ৰকাশ কৰা দেখা যায়। গোপনে মনে মিলা মানুহৰ দ্বাৰা সত্ৰ পৰিচালনা কৰিবলৈ যোৱাৰ ফলত বা একেখিনি ব্যক্তিয়ে বছৰ বছৰ ধৰি সত্ৰ পৰিচালনাৰ বিভিন্ন পদত থকাৰ ফলত সত্ৰত এক নিস্তৰংগ বাতাবৰণৰ সৃষ্টি হয়, যাৰ বাবে কিছুমান ভক্তৰ সত্ৰলৈ আহ-যাহ কমিবলৈ ধৰা দেখা যায়। গুৰুজনাই দেখুৱাই দিয়া জনমুখী আদৰ্শ আৰু উদাৰতাৰ বিপৰীতে ব্যক্তি কেন্দ্ৰিক চিন্তা-চৰ্চা হোৱা বাবে সত্ৰৰ সমাজমুখী আদৰ্শ আৰু দৰ্শন বহু পৰিমাণে ম্লান হোৱা দেখা যায়। আমি ভাবো সত্ৰ পৰিচালনাৰ কৰ্মকৰ্তাসকলৰ সৌহাৰ্দ্যপূৰ্ণ ব্যৱহাৰ নৈতিকতা আৰু উদাৰ চৰিত্ৰৰ হ'ব লাগে যাতে সত্ৰ, নামঘৰলৈ নৱ প্ৰজন্মৰ ল'ৰা-ছোৱালী আৰু সেই ঠাইলৈ নতুনকৈ বসবাস কৰিবলৈ অহা মানুহবোৰো আকৰ্ষিত হ'ব পাৰে। কাৰণ পুৰণি পথাৰতে নতুনৰ গজালি মেলে। সত্ৰ নামঘৰত মদ, ভাং, বিড়ি, চিগাৰেট খাই প্ৰৱেশ নিষেধ পূৰ্বৰ পৰাই আছিল আৰু বৰ্তমানো এই নীতি সত্ৰ-পৰিচালনা সমিতিয়ে কঠোৰভাৱে পালন কৰা উচিত। সঁচা অৰ্থত গুৰুজনাক সেৱা কৰিবলৈ অহা ভকতসকলে এইবোৰ নিয়ম-নীতি মানি চলিলেহে প্ৰকৃত ভক্ত হ'ব পাৰে। সত্ৰ, নামঘৰত কেৱল মূৰ দোৱালেই নামধৰ্মৰ ভকত নহয় যদিহে তেওঁৰ মনৰ পৰা হিংসা- প্ৰতিহিংসা, অনিয়ম-অনীতি আঁতৰাই ৰাখিব নোৱাৰে। গুৰুজনাই এই সত্ৰ, নামঘৰৰ পৰাই বৃহৎ অসমীয়া জাতি গঠনৰ সপোন দেখিছিল আৰু ইয়াক বাস্তৱ ৰূপত ৰূপায়িত কৰিবলৈ হ'লে আমি একান্ত ভকত হ'বই লাগিব।

আমি সকলোৱে জানো যে বৰ্তমান অসমীয়া জাতি এটা জটিল বাৰুদময় সময়ৰ মাজেৰে অতিক্ৰম কৰিবলৈ ধৰিছে। আমাৰ ভাষা আৰু সংস্কৃতিও বিশ্বায়নৰ ফলত সংকটপূৰ্ণ পৰিস্থিতিত জীয়াই আছে। অসমীয়াই অসমীয়াৰ প্ৰতি থকা শত্ৰুতা ত্যাগ নকৰিলে ডাঃ ভূপেন হাজৰিকাই কোৱাৰ দৰে অসমীয়া অসমৰ মাটিতে এদিন ভগনীয়া হ'ব। বৰ্তমান দুৰ্যোগপূৰ্ণ অসমৰ ভয়াবহ পৰিস্থিতিৰ সত্যতা কোনেও অস্বীকাৰ কৰাৰ সাহস নাই। উদাহৰণস্বৰূপে অসমৰ বিভিন্ন সত্ৰৰ মাটি বেদখলৰ কথাকে ক'ব পাৰো। অসমীয়া ভাষাও চৰকাৰী বা বেচৰকাৰী সকলো স্তৰতে ১০০ শতাংশ প্ৰয়োগ আজিলৈকে হোৱা নাই। গতিকে এনেবোৰ দুৰ্বলতাৰ সুযোগ দুষ্কৃতিকাৰীয়ে সদায় ল'বৰ সুযোগ বিচাৰি ফুৰিব। বৰ্তমান আমাৰ মাজত অন্য জাতিৰ তুলনাত একতা সংহতিৰ খুবেই অভাৱ দেখা যায় যাৰ বাবে অসমীয়া জাতিয়ে নিজৰ প্ৰাপ্য আদায় কৰিবলৈ নোৱাৰা হৈছে। সেই বাবে অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কৈছিল— 'ঐতিহ্য বিস্তৃত অসমীয়াই আজিও জাতীয় শক্তিৰে ভৰপূৰ হৈ সুগঠিত হৈ উঠিব লাগিলে অসমীয়া জাতিৰ বিপ্লৱী সংগঠক একমাত্ৰ শ্ৰীমন্ত শংকৰ নিৰ্দেশিত পথেৰে বাহু দাঙি বুকু ফুলাই অগ্ৰসৰ হ'ব লাগিব।' এক জাতি এক প্ৰাণৰূপে ধৰ্মৰ জৰিয়তে সমাজ গঢ়িবলৈ অহা গুৰু শংকৰদেৱৰ আদৰ্শ আৰু দৰ্শন সাৰোগত কৰিলেহে অসমীয়া জাতি ভৱিষ্যতলৈ উদ্ধাৰ হ'ব বুলি আমাৰ বিশ্বাস।

আহক, আমি সকলোৱে সত্ৰ, নামঘৰৰ মাজেৰে গুৰুজনাৰ চিন্তা, চেতনা, দৰ্শন, আদৰ্শ, সাহিত্য, সংস্কৃতি আদি অসমীয়া মানুহৰ হৃদয়ে হৃদয়ে প্ৰোথিত কৰি অক্ষয় বন্তিৰ দৰে চিৰ উজ্জ্বল কৰি তোলো আৰু অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াৰ বিশ্বাসযোগ্য অংশীদাৰ হওঁহক। তেতিয়াৰ ইতিহাসৰ পাতত অসমীয়া জাতিৰ মান-মৰ্যাদা, গৌৰৱ আদি অক্ষুণ্ণ থাকিব আৰু অসমীয়াৰ সমাজত অসমীয়াৰ হৃদয়ত জীয়াই থাকিব মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। কবি যতীন্দ্ৰ নাথ দুৱৰাই লিখিছে—

'বোৱালা ভক্তিৰ সোঁত দিলা ধৰ্ম দিলা জ্ঞান
দিয়া ভাষা অসমক কৰিলা জীৱন দান
তোমাৰ জীৱনী দেব লিখে এনে সাধ্য কাৰ
গোটেই অসমভূমি বিস্তৃত জীৱন যাৰ।।'

ফোন ঃ ৯৪৩৫১২৩২৪৬



# অসমত দেৱী পূজাৰ ঐতিহ্য

হৰেন্দ্ৰ কলিতা

**প্ৰাচীন** কালৰ পৰাই কামৰূপ শক্তি সাধনৰ পীঠ হিচাপে পৰিগণিত হৈ আহিছে।

এসময়ত প্ৰাগ্‌জ্যোতিষ বা কামৰূপ ৰাজ্যৰ বিস্তৃতি সম্বন্ধে কনকলাল বৰুৱাই বিভিন্ন প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰি মহা ভাৰতীয় যুদ্ধৰ সময়ত ইয়াৰ দক্ষিণ সীমা-লোহিত সাগৰ (গংগা আৰু ব্ৰহ্মপুত্ৰৰ সংগম স্থান) আৰু উত্তৰ আৰু পশ্চিম সীমা ক্ৰমে ভূটান পাহাৰ আৰু নেপালৰ কিছু অংশ আৰু কৌশিক নদী পৰ্যন্ত থকা বুলি উল্লেখ কৰিছে। পণ্ডিত পদ্মনাথ ভট্টচাৰ্যই প্ৰাগ্‌জ্যোতিষৰ উত্তৰ সীমাই চীনৰ একাংশ সামৰি তিব্বতৰ প্ৰান্তঃভূমি স্পৰ্শ কৰিছিল আৰু দক্ষিণৰ সীমা সাগৰৰ তীৰ ভূমিলৈ বিয়পি আছিল। ছাৰ এড্‌ওৱাৰ্ড গেইটেও প্ৰাগ্‌জ্যোতিষৰ দক্ষিণৰ সীমা বঙ্গোপসাগৰলৈ বিস্তৃত হৈ আছিল বুলি উল্লেখ কৰিছে। পণ্ডিতসকলে আগবঢ়োৱা মতামতৰ ওপৰত নিৰ্ভৰ কৰি ক'ব পৰা যায়— ৰামায়ণ মহাভাৰতত উল্লেখ থকা ৰাজ্যবোৰৰ ভিতৰত প্ৰাগ্‌জ্যোতিষ বা কামৰূপ অধিক বিশাল আছিল।

প্ৰাচীন কামৰূপত প্ৰচলিত কৈৰাতজ ধৰ্মমত মতে মাতৃতান্ত্ৰিক অষ্ট্ৰিক মূলোদ্ভৱ দেৱী পূজা-কামাখ্যা, বুঢ়ী গোঁসানী, ভগৱতী, কেঁচাইখাঁতী ইত্যাদি শাক্ত ধাৰাৰ সমন্বিত ৰূপ অসমৰ প্ৰায়বিলাক থলুৱা জনগোষ্ঠীৰ মাজত বিদ্যমান।

কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰ উভয় গ্ৰন্থই পৱিত্ৰ কামৰূপ ভূমিত শক্তি সাধনা আৰু তাত সিদ্ধি লাভৰ উপযুক্ত স্থান হিচাবে নিৰ্ণয় কৰিছে। দুয়োখন শাস্ত্ৰই স্পষ্টভাৱে কৈছে— কামৰূপৰ নিচিনা আৰু কোনো ঠাই নাই, য'ত দেৱীৰ আবাসস্থানৰ কাৰণে বেছি উপযুক্ত। অন্য প্ৰদেশৰ যি দেৱী দুৰ্ল্লভা, সেই দেৱী কামৰূপৰ গৃহে গৃহে বিৰাজিতাঃ।

দেৱী ক্ষেত্ৰং
কামৰূপং বিদ্যতেইন্যন্ন তত্‌সমম্।
অন্যত্ৰ
বিৰলাদেৱী কামৰূপে গৃহে গৃহে।।
(কালিকাপুৰাণ ৫৮/৪১)

বিষ্ণুৱ উপদেশমতে নৰকে প্ৰাগ্‌জ্যোতিষৰ আদিম অধিবাসী জ্ঞানহীন, মুণ্ডিতমস্তক, মদ্য-মাংস প্ৰিয় আৰু ৰুক্মবৰ্ণনিভ কিৰাতবোৰৰ লগত যুদ্ধত প্ৰবৃত্ত হয়। তেওঁলোকৰ ৰজা ঘটকক বধ কৰি কিৰাতবোৰক দেৱী-দিক্কৰ বাহিনীৰ স্থান পৰ্যন্ত অপসাৰিত কৰে। বিষ্ণুৱে নৰকক প্ৰাগ্‌জ্যোতিষৰ সিংহাসনত বহুৱাই বিশাল কামৰূপ ৰাজ্যৰ শাসনভাৰ অৰ্পণ কৰে। লগতে নীলাচল পৰ্বততে সদায় বসবাস কৰিবলৈ উপদেশ দি 'কামাখ্যা'ৰ বাহিৰে আন দেৱ-দেৱীক পূজা কৰিবলৈ মানা কৰিছিল। পুৰাণ শাস্ত্ৰমতে প্ৰাগ্‌জ্যোতিষৰ ৰজা নৰকে শক্তি সাধনাৰ প্ৰথম সেৱক আৰু শাক্ত সম্প্ৰদায়ৰ প্ৰৱৰ্তক।

কালিকাপুৰাণ মতে কালিকাপুৰাণ ৰচনাৰ সময়ৰ পৰা বা তাৰ কিছুকাল আগৰে পৰা অসমত দেৱীপূজাৰ প্ৰচলন হৈছিল। আন এক উল্লেখযোগ্য কথা যে কালিকাপুৰাণে দশভূজা, ত্ৰিনয়নী, সিংহবাহিনী আৰু মহিষাসুৰমৰ্দ্দিনী দুৰ্গাৰ আকৃতি আৰু প্ৰকৃতি বৰ্ণনা কৰি ধ্যান দাঙি ধৰিছে। ইয়াৰোপৰি কালিকাপুৰাণে উগ্ৰতাৰা, অন্নপূৰ্ণা, ত্ৰিপুৰাদেৱী, কামেশ্বৰী আদি শক্তিৰ ধ্যানৰ লগতে পূজাবিধিৰো বৰ্ণনা দিছে। ইয়াৰ পৰা ক'ব পৰা যায় যে অন্ততঃ কালিকাপুৰাণ ৰচনাৰ সময়ত দেৱীৰ স্বৰূপবোৰ অসমীয়া জনসমাজত পৰিচিত হৈছিল। আন এটা প্ৰধান কথা যে খৃষ্টীয় অষ্টম-নৱম শতিকা মানৰে খোদিত হোৱা দুৰ্গাৰ যিবোৰ শিলামূৰ্তি আৱিস্কৃত হৈছে, সেইবোৰেও প্ৰতীয়মান নিয়ে যে, সেই যুগতেই অসমীয়া শিল্পীৰ মনত দেৱীৰ বিভিন্ন ৰূপ সম্বন্ধে ধাৰণা স্পষ্ট হৈছিল। প্ৰকৃতাৰ্থত মূৰ্তিৰ অৱলম্বনত অসমত দেৱী উপাসনাৰ এয়ে আৰম্ভণি। সময় পৰিৱৰ্তনৰ মাজেদি এই মূৰ্তিপূজাৰ স্পষ্ট ৰূপ খৃষ্টীয় ১১শ শতিকাৰ প্ৰথম ভাগত দেখা যায়। শাসক সকলৰ ধৰ্মমত আৰু সাংস্কৃতিক ইতিহাসৰ পৰা জনা যায় খৃষ্টীয় ১১শ শতিকা বা তাৰ অলপ আগৰে পৰা অসমৰ ধৰ্মৰাজ্যত শক্তিবাদে প্ৰাধান্য লাভ কৰিছে।

আহোমসকল আছিল টাই জাতিৰ আৰু বৌদ্ধধৰ্মী লোক। আহোম ৰাজত্ব (১২২৮ খৃষ্টাব্দ) ৰ পৰা চুপিম্‌ফাৰ ৰাজত্বৰ কাললৈকে (১৪৯৭ খৃষ্টাব্দ) এই দীঘলীয়া কালডোখৰত কোনো আহোম ৰজাই হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ প্ৰমাণ পোৱা নাযায়। চুডাংফা বা বামুণীকোঁৱৰ ৰাজপাতত বহাৰ পিচত তেওঁক আশ্ৰয় দি লালিত পালিত কৰি উপযুক্ত শিক্ষা দি ডাঙৰ-দীঘল কৰা ব্ৰাহ্মণ এজনক তেওঁৰ ৰাজসভাত মন্ত্ৰী পদত নিযুক্ত কৰিছিল। আহোম ৰাজত্বৰ ইতিহাসত ই এটা প্ৰসিদ্ধ ঘটনা। ইয়াৰ পিচৰ পৰাই অসমত ব্ৰাহ্মণৰ প্ৰতিপত্তি আৰু ব্ৰাহ্মণ্য ধৰ্মৰ ক্ৰিয়া অনুষ্ঠানত প্ৰসাৰতা লাভ কৰাৰ অৱকাশ ঘটে।

চুহুংমুং বা দিহিঙ্গীয়া ৰজাই পোনপ্ৰথম 'স্বৰ্গ নাৰায়ণ' এই হিন্দু নাম গ্ৰহণ কৰে। এৱেঁই প্ৰথম সংস্কৃতীয়া হিন্দু উপাধি লয়। বামুণীকোঁৱৰৰ দিনৰ পৰা চুহুংমুঙলৈকে এই কালচোৱাত আহোমৰ ৰাজসভা, ৰাজপৰিয়াল আৰু বিষয়াবৰ্গৰ মাজত ব্ৰাহ্মণ্য সংস্কৃতি আৰু হিন্দু ধৰ্মই অধিক ক্ৰমবিকাশৰ পথত আগবাঢ়ে।

চুহুংমুঙৰ পাছৰ পৰা সকলো আহোম ৰজাই একোটা হিন্দু নাম গ্ৰহণ কৰে। তেওঁলোক হিন্দু ধৰ্ম আৰু সংস্কৃতিৰ প্ৰতি ইমানেই আকৃষ্ট হ'ল যে প্ৰতাপসিংহৰ দিনৰ পৰা হিন্দু নামেৰেহে তেওঁলোক জনজাত হৈ পৰিল। প্ৰতাপসিংহৰ ৰাজত্ব কালৰ পৰা ব্ৰাহ্মণ্য ধৰ্মক অধিক মৰ্যাদা আৰু স্বীকৃতি দিয়া দেখা যায়। প্ৰতাপ সিংহৰ পৃষ্ঠপোষকতাত কিছুমান অসমীয়া শিল্পীক মৃন্ময় দুৰ্গামূৰ্তি নিৰ্মাণ কাৰ্য শিকাৰ কাৰণে কোচবিহাৰলৈ পঠিয়ায়। তেওঁলোকে সেই শিল্প শিকি অসমলৈ ঘূৰি আহে। তেতিয়াৰ পৰাই অসমত মৃন্ময় দুৰ্গামূৰ্তিত দুৰ্গাপূজাৰ প্ৰচলন হয় আৰু মূৰ্তি পূজাই ব্যাপকতা লাভ কৰিবলৈ সক্ষম হয়।

আহোম ৰজা প্ৰতাপসিংহৰ পিচৰ গদাধৰ সিংহ। সৰ্বশ্ৰেষ্ঠ আহোম ৰজা ৰুদ্ৰসিংহই নদিয়াৰ পৰা বিখ্যাত শাক্ত গুৰু কৃষ্ণৰাম ভট্টচাৰ্যক অসমলৈ আনি ৰাজবংশীয় লোক আৰু প্ৰজাসকলক শাক্ত ধৰ্মত সৰণ-দীক্ষা দিয়ে। শিৱসিংহৰ তিনি গৰাকী ৰাণী ফুলেশ্বৰী, অম্বিকাদেৱী আৰু সৰ্বেশ্বৰী শাক্ত ধৰ্ম গ্ৰহণ কৰি ৰজাঘৰত দুৰ্গাপূজা পাতিছিল। শিৱসিংহৰ ৰাজত্বকালত ৰাজ পৃষ্ঠপোষকতাৰ যোগেদি শাক্তধৰ্মৰ প্ৰাদুৰ্ভাৱ উচ্চতম শিখৰত উঠে। ৰাজেশ্বৰ সিংহ, লক্ষ্মীসিংহ, গৌৰীনাথ সিংহও একান্ত শাক্ত হিন্দু আছিল। কমলেশ্বৰ সিংহৰ আদেশ মতে কলিয়াভোমোৰা বৰফুকনে ছত্ৰকাৰ দেৱালয় আৰু কামাখ্যাত মন্দিৰ নিৰ্মাণ কৰায়।

কোচৰজা বিশ্বসিংহ দুৰ্গাৰ উপাসক আছিল। বিশ্বসিংহই কামাখ্যা মন্দিৰ নিৰ্মাণ কৰাই পূজা সেৱাৰ যথোচিত ব্যৱস্থা কৰি দিছিল। বিশ্বসিংহৰ পুত্ৰ নৰনাৰায়ণে গৌড়ৰ নবাবৰ সেনাপতি কালাপাহাৰে কামাখ্যা মন্দিৰ ধ্বংস কৰি যোৱাৰ পিছত তেওঁ এই মন্দিৰ পুনৰ নিৰ্মাণ কৰায়। মন্দিৰৰ প্ৰতিষ্ঠা উৎসৱত নৰনাৰায়ণ আৰু ভায়েক বীৰ চিলাৰায় নিজে উপস্থিত আছিল। তেওঁলোক দুই ভাই সাতদিন নিৰাহাৰে থাকি হাঁহ-পাৰ, ছাগ-মহিষ আদি একলক্ষ বলি দি এই উৎসৱ পালন কৰায়।

ৰজাঘৰৰ পৃষ্ঠপোষকতাত দেৱী পূজাই প্ৰাধান্য আৰু প্ৰসাৰতা লাভ কৰিছিল যদিও পিছৰ ফালে প্ৰজাঘৰেও দেৱী পূজাৰ সাৰ্বজনীনতা আনি পৰম্পৰাগতভাৱে এক বিশাল আয়োজনৰ জৰিয়তে প্ৰসাৰতা লাভ কৰিছে। অসমত দেৱী পূজা বুলি ক'লে অকল কামাখ্যা আৰু দেৱী দুৰ্গাকে নুবুজায়। ইয়াৰ বাহিৰেও বুঢ়াগোসাঁনী, ভগৱতী, কেঁচাইখাঁতী, কালী, ৰণচণ্ডী, লক্ষ্মী, সৰস্বতী, বাৰগোপিনী, মহামায়া আদি বিভিন্ন দেৱী পূজা আগবঢ়োৱা হয়।

অসমৰ বিভিন্ন থলুৱা জনগোষ্ঠীৰ মাজত পৰম্পৰাগতভাৱে দেৱীপূজা প্ৰৱৰ্তিত হৈ আহিছে। **বড়ো** (কছাৰী)ৰ মাজত খীৰিয়া বুৰি (আই কামাখ্যা) ৰৌনচণ্ডী (ৰণচণ্ডী) বৰঞ্চা খুন্দুৰী (বৰদা সুন্দৰী), বৌৰলি বুৰি (ভৰলী বুঢ়ী), মাওথান শ্ৰী (লক্ষ্মী), বাৰগোপিনী, মহামায়া আদি নামেৰে ভিন ভিন দেৱলৈ পূজা আগবঢ়োৱা হয়। **ডিমাছা** (কছাৰী)ৰ মাজত হেৰেমডী আইক লাইৰিডী (বিধাতা) আৰু গামাডী (ধ্বংসৰ অধিষ্ঠাত্ৰী দেৱী) বুলি মানে। ডিমাছা কুলোদ্ভৱ হেৰম্ব ৰাজ্যৰ ৰজাসকলে যুদ্ধ যাত্ৰাৰ আগে আগে ৰাজিযুং খেলৰ পৰা লোক আনি নৰবলি দি ৰণচণ্ডী মন্দিৰত 'ৰাজিনি গাবাৰ' পূজা পাতিছিল। **তিৱাসকলে** প্ৰকৃতি দেৱী বুঢ়ী-গোসাঁনী, ভগৱতী, কালিকা, কামাখ্যা, কেঁচাইখাঁতী আৰু মহামায়া এই কেইগৰাকী দেৱীয়ে প্ৰধানভাৱে পূজিতা হয়। সৰস্বতী দেৱীকো এওঁলোকে আৰাধনা কৰে। **কাৰ্বিসকলৰ** লংলে আহিঈ (লক্ষ্মী) আৰু হাৰাতা নামপৰতক (হাৰাতা বা বৰুণৰ পত্নী) এই দুগৰাকীহে আৰাধ্যা দেৱী। কাৰ্বি জনমানসত বৰসা দেৱী স্বৰূপে হাঈমু, কলা-সংস্কৃতিৰ দেৱী স্বৰূপে জহনপী (জহনপ'ৰ পত্নী) আৰু শক্তিদেৱী স্বৰূপে ৰাছিংজাৰৰ বিশেষ আদৰ আছে। **দেউৰী** (চুটীয়া)ৰ মাজত তামাৰমাই (তাম্ৰেশ্বৰী) বা পিচাচি (কেঁচাইখাঁতী) বা গিৰাচি (বুঢ়ীগোসাঁনী) আৰাধ্যা দেৱী। **সোণোৱাল কছাৰীৰ** মাজত ভুৰুলী হাবুকি দেৱী, থলৰ ন-ভনী, বাৰ-ভনী, সৰস্বতী, আই বসুমতী, লখিমীৰ প্ৰতি বিশেষ ভক্তি। অতীজতে কেঁচাইখাঁতী, তাম্ৰেশ্বৰী, বুঢ়া-বুঢ়ী, মালিনী আদি দেৱীকো বলি বিধানেৰে পূজা কৰিছিল। **টাই আহোমৰ** মাজত যাছিংফা (সৰস্বতী), আইলাংডিন (পৃথিৱী), খুন মাও নাউ লাংকুৰী (পৰ্বতৰ দেৱী) পূজা কৰা হয়। **মিচিংসকলৰ** মাজত কিঃনৌ (পৃথিৱী মাতৃ), দিঃতী-নাঃনী (আই বসুমতী) প্ৰচলিত দেৱীপূজা। **ৰাভাসকলৰ** মাজত কালী বা জাগাৰ পূজাতো সূৰ্যকালী, চান্দকালী, কাচাখোৱা (কেঁচাইখাঁতী) দেৱী আদিৰ নামত বলি দিয়া প্ৰথা প্ৰচলিত। **কোচ ৰাজবংশীসকলৰ** মাজত মাৰাই, বিষহৰি, কাশী, ডাকেশ্বৰী, শ্মশান কালী, বুঢ়া-বুঢ়ী, পাৰ্বতী, মহামায়া, ভগৱতী, মঙ্গলচণ্ডী, মা ঠাকুৰাণী, শীতলা, ভদ্ৰকালী, লক্ষ্মী, সৰস্বতী, দুৰ্গা, বাসন্তী আদি দেৱীসমূহক আৰাধনা কৰা হয়। **হাজঙৰ** মাজত ব্ৰতপূজা (মনসা), গৰম পূজা (লক্ষ্মী), কালী, কামাখ্যা, ভগৱতী আদি দেৱীৰ পূজা বিশেষভাৱে উল্লেখযোগ্য। অন্যান্য জনগোষ্ঠীৰ ভিতৰত **গাৰোসকলে** তাহানিতে কামাখ্যা পীঠত গাহৰি বলিদানেৰে পূজা কৰিছিল বুলি জনশ্ৰুতি আছে। **খাঁচীসকলে** সৃষ্টিকলা উ ব্লেই নোংথাওৰ লগৰী হিচাপে কা ব্লেই ছানশাৰ দেৱীক পালনকাৰী হিচাপে মানে। **গাৰোসকলে** চুচিমে বা চন্দ্ৰ (ঐশ্বৰ্যৰ দেৱী) আৰু টংৰেংমা (মহামাৰীৰ অধিষ্ঠাত্ৰী দেৱী) দেৱীৰ পূজা উপাসনা কৰে।

অসমৰ জাগ্ৰত দেৱীপীঠ হিচাপে **মহাভৈৰৱী, ত্ৰিপুৰেশ্বৰী, জয়ন্তেশ্বৰী।** সেইদৰে শদিয়াৰ **তাম্ৰেশ্বৰী**, নীলাচল পাহাৰৰ **কামাখ্যা**, কাৰ্বি আংলংৰ **ডকমকা**, উত্তৰ গুৱাহাটীৰ **দীৰ্ঘেশ্বৰী**, জলেশ্বৰৰ **বুঢ়া-বুঢ়ী**, কৃষ্ণাইৰ **টুক্ৰেশ্বৰী**, বিনাসীপাৰাৰ **মহামায়া**, নেলী-বৰপায়ক গাঁৱৰ **ভগৱতী**, পলাশবাৰী, আদাবাৰী আৰু বঙাইগাঁৱৰ **বাঘাশ্বৰী/বাঘেশ্বৰী/ব্যাঘ্ৰেশ্বৰী**, নলবাৰী বালিলেছাৰ **কালীৰ থান**, চিলাপথাৰৰ **মালিনীথান**, মানকাছাৰৰ **কামাখ্যা**, ৰংজুলি গোড়ক্ষ পাহাৰৰ **ঠাকুৰাণী**, দুধনৈ দেউৰী পাহাৰৰ **আই** আদি ভিন ভিন নামেৰে অসমৰ ঐতিহ্যমণ্ডিত দেৱীপূজাৰ ইতিহাসত দেৱীপীঠ হিচাপে পৰিচিত।

# বিশ্বাস আৰু পৰম্পৰাৰ ১৭২ বছৰীয়া ইতিহাসৰ সাক্ষী নগাঁৱৰ বেলতলাৰ দুৰ্গা মন্দিৰৰ দুৰ্গা পূজা



## জানকী নাথ সেন উকীল আৰু নগাঁও চহৰৰ প্ৰথমখন দুৰ্গা পূজা

হেমেন কুমাৰ দাস

**বিশ্বাস** আৰু পৰম্পৰাৰ এক জ্বলন্ত নিদৰ্শন নগাঁও চহৰৰ বেলতলাৰ প্ৰয়াত জানকী নাথ সেন উকীলৰ ঘৰৰ দুৰ্গা মন্দিৰ। বিগত ১৮৫০ৰ পৰাই এই দুৰ্গা মন্দিৰত প্ৰতিবছৰেই অনুষ্ঠিত হৈ আহিছে দুৰ্গা পূজা। অৱশ্যে এই পূজা আনবোৰ পূজাতকৈ বহু ব্যতিক্ৰম। কিয়নো এই পূজাত নাই কোনো কাৰুকাৰ্যৰ চমৎকাৰিতা, নাই কোনো প্ৰতিযোগিতামূলক ভাৱনা, নাই আলোকসজ্জাৰ বাহাৰ। আছে কেৱল ১৭২ বছৰীয়া এক বিশ্বাস, পৰম্পৰা আৰু ধৰ্মীয় ভাৱনা। তেনেই সীমিত বাজেটেৰে অতি অনাড়ম্বৰপূৰ্ণভাৱে বেলতলাৰ প্ৰয়াত জানকী নাথ সেন উকীলৰ ঘৰৰ দুৰ্গা মন্দিৰত আধ্যাত্মিকতাক প্ৰাধান্য দি অনুষ্ঠিত কৰি অহা হৈছে দুৰ্গা পূজা। এইখন পূজাৰ অন্যতম বৈশিষ্ট্য হ'ল ইয়াত বলি দিয়াৰ পৰম্পৰা প্ৰচলিত হৈ আহিছে। বেলতলাৰ দুৰ্গা মন্দিৰৰ দুৰ্গা পূজাত পঠা ছাগলী, হাঁহ, কোমোৰা আদি বলি দিয়া হয়।

উল্লেখ্য যে নগাঁও চহৰৰ বেলতলাৰ দুৰ্গা মন্দিৰৰ এক ইতিহাস আছে। প্ৰাপ্ত তথ্য অনুসৰি, নগাঁও চহৰৰ বেলতলা (বৰ্তমানৰ খ্ৰীষ্টানপট্টি) দুৰ্গা মন্দিৰৰ দুৰ্গা পূজাৰ হোতা আছিল চহৰখনৰ বিশিষ্ট আইনজীৱী জানকী নাথ সেন উকীল। অৱশ্যে নগাঁও চহৰত কেতিয়াৰ পৰা আনুষ্ঠানিকভাৱে শাৰদীয় দুৰ্গা পূজা অনুষ্ঠিত হয় তাৰ কোনো সঠিক তথ্য পাবলৈ নাই যদিও জানকী নাথ সেন উকীলৰ ঘৰৰ দুৰ্গা মন্দিৰতেই যে অনুষ্ঠিত হোৱা দুৰ্গা পূজা চহৰখনৰ প্ৰথম আনুষ্ঠানিক দুৰ্গা পূজা সেই কথা বিভিন্ন পণ্ডিত- লেখকৰ লেখাত ইতিমধ্যে প্ৰকাশ পাইছে।

স্মৰ্তব্য যে ১৮৫০ত সপোনত দেখা এক বিধানৰ বাবেই জানকী নাথ সেন উকীলে নিজা ঘৰৰ সন্মুখত দুৰ্গা মন্দিৰ প্ৰতিষ্ঠা কৰি দুৰ্গা পূজা অনুষ্ঠিত কৰিছিল। সেই দুৰ্গা পূজাই যে নগাঁও চহৰত অনুষ্ঠিত হোৱা প্ৰথমখন আনুষ্ঠানিক দুৰ্গা পূজা আছিল সেই কথা সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা, বিশিষ্ট লেখক-সমালোচক ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ লেখাত প্ৰকাশ পাইছে। নগাঁৱৰ ফৌজদাৰীপট্টি সাৰ্বজনীন শ্ৰী শ্ৰী দুৰ্গা পূজা শতবাৰ্ষিকী উৎসৱ সমিতিয়ে ১৯৯৮ত প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ 'পুৰণি কথা'ত দুয়োজন লেখকৰ লেখাত এই কথা প্ৰকাশ পাইছে। 'গুণাভিৰাম বৰুৱাৰ দিনৰ নগাঁও' শীৰ্ষক এক প্ৰৱন্ধত লেখক-সমালোচক ড° ভূঞাই লিখিছে 'নগাঁৱৰ দুৰ্গা পূজাৰ প্ৰথম আৰু প্ৰধান উদ্যোক্তা আছিল উকীল জানকী নাথ সেন।'

অৱশ্যে জানকী নাথ সেন উকীলৰ ঘৰৰ দুৰ্গা পূজাৰ এক ইতিহাস আছে। প্ৰাপ্ত তথ্য অনুসৰি, আইনজীৱী জানকী নাথ সেনে জীৱিকাৰ সূত্ৰে নগাঁৱলৈ আহি চহৰখনৰ বেলতলাত নিগাজিকৈ বসবাস কৰিছিল। তেওঁ বাঙালী সম্প্ৰদায়ৰ লোক হ'লেও অসমীয়া ভাষা, সংস্কৃতি গ্ৰহণ কৰি এজন নিভাঁজ অসমীয়া হৈ পৰিছিল। আনকি তেওঁ জিলাখনৰ ঘাঁহীৰ কৃষক ডম্বৰুধৰ বৰাৰ কন্যাক বিয়া কৰাইছিল। সেয়েহে সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাই এক লেখাত লিখিছে, 'এই মানুহজনে অসমীয়া পৰিয়ালৰ ছোৱালী বিয়া কৰাই সম্পূৰ্ণ অসমীয়া হৈ পৰিছিল।' তেওঁ অসমীয়া ভাষাক ৰাজ্যখনত প্ৰৱৰ্তনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। অসমত অসমীয়া ভাষা প্ৰচলন কৰি সকলো চৰকাৰী কাম-কাজ অসমীয়া ভাষাত চলালেহে যে অসমীয়া ৰাইজ উপকৃত হ'ব সেই কথা ব্ৰিটিছ চৰকাৰৰ ওচৰত সজোৰে দাবী উত্থাপন কৰিছিল। আনকি তেওঁ ১৮৭২ত অসমৰ কাৰ্যালয়ত বাংলা ভাষাৰ পৰিৱৰ্তে অসমীয়া ভাষাৰ প্ৰচলনৰ দাবীত মাইলছ ব্ৰন্সনৰ নেতৃত্বত চৰকাৰক স্মাৰকপত্ৰ প্ৰদানতো আগভাগ লৈছিল জানকী নাথ সেন উকীলে।

জানকী নাথ সেন উকীলৰ চাৰিগৰাকী কন্যা সন্তান আছিল যদিও কোনো পুত্ৰ সন্তান নাছিল। এদিন তেওঁক সপোনত স্বয়ং দুৰ্গতিনাশিনী দশভুজা দেৱী দুৰ্গাই দেখা দি বিধান দিলে যে যদিহে তেওঁ দুৰ্গা পূজা-অৰ্চনা কৰে তেতিয়া তেওঁ পুত্ৰ সন্তান লাভ কৰিব। এই বিধান দি দেৱী অদৃশ্য হয়। স্মৰ্তব্য যে দুৰ্গা পূজা ৰাজসিক পূজা। যোড়শোপচাৰে দেৱী দুৰ্গাৰ অৰ্চনা-বন্দনাৰ লগতে বলি-বিধানেৰে এই পূজা কৰিবলৈ যিমান বয়-বস্তু, সা-সামগ্ৰীৰ প্ৰয়োজন, ক্ৰয় সাপেক্ষে সকলোবোৰ বয়-বস্তু, সা-সামগ্ৰী সংগ্ৰহ কৰাটো এজনীয়া-এঘৰীয়া প্ৰয়াস তেতিয়াৰ দিনত খুবেই কষ্টকৰ আছিল। কিন্তু সকলো প্ৰতিবন্ধকতাক উপেক্ষা কৰি স্বপ্নদৃষ্ট হোৱাৰ পাছৰে পৰা জানকী উকীলে পুত্ৰ লাভৰ আশাতেই অশেষ কষ্টৰে দুৰ্গা পূজাৰ আয়োজন কৰে। ইপিনে, সেই সময়ত নগাঁও চহৰত দুৰ্গা পূজাৰ বিশেষ কোনো প্ৰচলন নথকাত জানকী উকীলে সুদূৰ বংগৰ পৰা খনিকৰ অনাই প্ৰতিমা গঢ়াইছিল। লগতে তাৰ পৰাই অনা পুৰোহিতৰ দ্বাৰাই বলি-বিধানৰে দুৰ্গা পূজা সমাপন কৰে। লোকবিশ্বাস অনুসৰি এনেদৰে কিবা বাঞ্ছা কৰি অনুষ্ঠিত কৰা দুৰ্গা পূজা ধাৰাবাহিকভাৱে তিনিবাৰ অনুষ্ঠিত কৰিলেহে বাঞ্ছা কৰা ফল লাভ হয়। সেয়েহে জানকী উকীলে ঘৰৰ সন্মুখত নিৰ্মাণ কৰা দুৰ্গা মন্দিৰত প্ৰতি বছৰেই দুৰ্গা পূজা অনুষ্ঠিত কৰিবলৈ লয়। ইপিনে, এই পূজাৰ তৃতীয় বৰ্ষত অৰ্থাৎ ১৮৫৩ত জানকী নাথ সেন উকীলৰ পত্নীৰ প্ৰথমটো পুত্ৰ সন্তানৰ জন্ম হয়। পুত্ৰ প্ৰাপ্তিৰ আনন্দতে উকীলে তেওঁৰ ঘৰত প্ৰতি বছৰে দুৰ্গা পূজা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। পূজাৰ পঞ্চম বৰ্ষত (১৮৫৫ত) তেওঁ দ্বিতীয়টো পুত্ৰ সন্তান লাভ কৰে। দেৱী দুৰ্গাৰ বিধান অনুসৰি দুৰ্গা পূজা অনুষ্ঠিত কৰি পুত্ৰ লাভৰ বাঞ্ছা পূৰণ কৰাৰ পাছত জানকী উকীলে প্ৰতি বছৰেই বেলতলাৰ ঘৰৰ দুৰ্গা মন্দিৰত দুৰ্গা পূজা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ১৮৮৯ত জানকী নাথ সেন উকীলৰ মৃত্যু হয়; কিন্তু তেওঁৰ মৃত্যুৰ পাছতো বেলতলাৰ ইতিহাস প্ৰসিদ্ধ দুৰ্গা মন্দিৰত জানকী উকীলৰ পুত্ৰসকলৰ উদ্যোগত, পৰৱৰ্তী সময়ত নাতিসকলৰ উদ্যোগত আৰু এতিয়া আজো নাতি শৰৎ বৰুৱাৰ উদ্যোগত প্ৰতি বছৰেই দুৰ্গা পূজা অনুষ্ঠিত কৰি অহা হৈছে। এই পূজাৰ বাবে কোনো ধৰণৰ ৰছিদ বহী ছপাই ধন সংগ্ৰহ কৰা নহয়। অৱশ্যে, একাংশ শুভাকাংক্ষীয়ে স্বইচ্ছাই ভক্তিভাৱেৰে আগবঢ়োৱা বৰঙণি গ্ৰহণ কৰা হয়। জাকজমকীয়তা পৰিহাৰ কৰি আধ্যাত্মিকতা আৰু ধৰ্মীয় পৰম্পৰাক গুৰুত্ব দি এই পূজা অনুষ্ঠিত কৰি অহা হৈছে যদিও প্ৰতি বছৰেই বেলতলাৰ এই অনাড়ম্বৰ দুৰ্গা পূজা ৰাইজৰ অন্যতম আকৰ্ষণ হৈ পৰে। সম্প্ৰতি নগাঁৱৰ বেলতলাৰ দুৰ্গা পূজাৰ অন্যতম প্ৰধান উদ্যোক্তা জানকী নাথ সেন উকীলৰ আজো নাতি শৰৎ বৰুৱা। এইবাৰ ইয়াত ১৭২ বাৰ্ষিক আৰু ১৭৩ সংখ্যক দুৰ্গা পূজা অনুষ্ঠিত হ'ব। আগৰ দৰেই এইবাৰো জাকজমকহীনভাৱে অতি অনুষ্টুপীয়াকৈ পূজা ভাগৰ আয়োজন কৰা হৈছে। বিগত ২০২০ৰ লগতে ২০২১তো অতিমাৰী কৰ'নাৰ ভয়াৱহতাৰ পৰিপ্ৰেক্ষিতত ক'ভিড প্ৰট'কল মানি কেৱল ধৰ্মীয় পৰম্পৰাহে ৰক্ষা কৰা হৈছিল। কিন্তু এইবাৰ পৰিৱেশ অনুকূল হোৱা হেতুকে অতি আগ্ৰহেৰে উকীলৰ পৰিয়ালে পূজাভাগ আয়োজন কৰিছে। পূজাত চাৰিও দিনা বলি দিয়া হ'ব। বলি হিচাপে ছাগলী, কোমোৰা আৰু কুঁহিয়াৰ আগবঢ়োৱা হ'ব। নগাঁও চহৰৰ বেলতলাৰ জানকী নাথ সেন উকীলৰ ঘৰৰ মন্দিৰৰ দুৰ্গা পূজাৰ লাখটকীয়া বাজেট নাই, অত্যধিক কাৰুকাৰ্যৰ কোনো চমৎকাৰ নাই, আলোকসজ্জাৰ বাহাৰো নাই। তৎসত্ত্বেও বেলতলাৰ দুৰ্গা পূজা ৰাইজৰ বাবে অন্যতম আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হৈ আহিছে।

ফোন ঃ ৯৪৩৫০৬২১২৭

# গোৱালপাৰাৰ বলদমাৰীচৰ এলপি স্কুলত 'ক্লীন ইণ্ডিয়া কেম্পেইন' ২.০

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২ অক্টোবৰ ঃ** গোৱালপাৰা চহৰৰ নিকটৱৰ্তী এক নম্বৰ বলদমাৰীচৰ এলপি স্কুলত নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আৰু জনকল্যাণ এণ্ড এগ্ৰিকালচাৰ ডেভেলপমেণ্ট ছ'চাইটীৰ সহযোগত কালিৰে পৰা মাহজোৰা কাৰ্যসূচীৰে 'ক্লীন ইণ্ডিয়া কেম্পেইন' ২.০ আৰম্ভ কৰা হয়। এই উপলক্ষে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী ফিৰদোছী ৰহমানৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত হয়। সভাত নেহৰু যুৱ কেন্দ্ৰ গোৱালপাৰাৰ যুৱ বিষয়া শাহৰুখ আহমেদ, জনকল্যাণ এণ্ড এগ্ৰিকালচাৰ ডেভেলপমেণ্ট ছ'চাইটিৰ সম্পাদক আব্দুল হাকিমে উপস্থিত থাকি চাফাই অভিযান, সজাগতা সভা অনুষ্ঠিত কৰাৰ আহ্বান জনায় আৰু এই কাৰ্যসূচী অহা ৩১ অক্টোবৰলৈ চলাই থকাৰ আহ্বান জনায়।

# শিক্ষা বিভাগৰ অমনোযোগিতাত শ্মশান যাত্ৰা সালেকুৰা-ছাপৰা নৱজ্যোতি এম ই মাদ্ৰাছাৰ

**কলগাছিয়া, ২ অক্টোবৰ ঃ** বৰপেটা জিলাৰ মন্দিয়া শিক্ষা খণ্ডৰ প্ৰাথমিক খণ্ড শিক্ষা বিষয়া ডিম্বেশ্বৰ দাসৰ অনীহা আৰু প্ৰশাসনিক দুৰ্বলতাৰ বাবেই সালেকুৰা-ছাপৰা এম ই মাদ্ৰাছাত পুৱা ১০ বজাতো আৰম্ভ নহয় পাঠদান। কালি বিদ্যালয়খনৰ ছগৰাকী শিক্ষকৰ অহেদুৰ ৰহমান আৰু জুৱান মণ্ডলৰ বাদে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মহম্মদ মুজাফ্ফৰ আলী বিদ্যালয়ত আহি ৯-৩৪ বজাত, নাজিমা খাতুনে ৯-৪৩ বজাত আৰু নিপজ্যোতি ভৰালীয়ে বিদ্যালয়ত ৯-৪৫ বজাত উপস্থিত হয়। ৯-৪৫ বজালৈকে বিদ্যালয়ত কি কাৰণত প্ৰাতঃসভা আৰু পাঠদান আৰম্ভ হোৱা নাই সেই সন্দৰ্ভত নাজানে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মহম্মদ মুজাফ্ফৰ আলীয়ে। বিদ্যালয়খনৰ শিক্ষকসকলৰ অনিয়মীয়া উপস্থিতি আৰু সময়ৰ পূৰ্বেই বিদ্যালয় ছুটী দিয়াটো তেনেই সাধাৰণ কথাত পৰিণত হৈছে বুলি অভিভাৱক ৰাইজে অভিযোগ উত্থাপন কৰিছে। বিদ্যালয়ত অনিয়মীয়া অহা-যোৱা সন্দৰ্ভত ইয়াৰ পূৰ্বেও বাতৰি পৰিৱেশন হৈছে যদিও দুৰ্নীতিপৰায়ণ শিক্ষকসকলৰ বিৰুদ্ধে বিভাগে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত কণ কণ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ অন্ধকাৰলৈ ঠেলি দি খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ডিম্বেশ্বৰ দাসৰ দয়াত নিজৰ খেয়াল-খুচি মতে চলাই গৈছে বিদ্যালয়। বিদ্যালয়খনৰ চোৱাচিতাৰ দায়িত্বত থকা চিআৰচিচিগৰাকীৰো দুৰ্বল ভূমিকাই শিক্ষকসকলৰ মইমতালিত অৰিহণা যোগাইছে। ডাঃ ৰণোজ পেগুৰ শিক্ষা বিভাগ তথা মন্দিয়া খণ্ড শিক্ষা বিষয়াই শীত-তাপ নিয়ন্ত্ৰিত কোঠাৰ পৰা ওলাই আহি যদি এই ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰে, তেন্তে সালেকুৰা-ছাপৰা নৱজ্যোতি এম ই স্কুল শ্মশান যাত্ৰা কৰিবলৈ আৰু বেছিদিন নালাগিব। অৱশ্যে অহেদুৰ ৰহমান নামৰ শিক্ষকজনহে সময়মতে বিদ্যালয়লৈ আহে বুলি ৰাইজে জনাইছে।



# বিশ্বনাথৰ প্ৰজাপিতা ব্ৰহ্মকুমাৰী কেন্দ্ৰৰ ৰূপালী জয়ন্তীত চিত্ৰাংকন প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২ অক্টোবৰ ঃ** যোৱা ২৫ ছেপ্টেম্বৰৰ পৰা বিশ্বনাথ নগৰৰ কল্যাণপুৰস্থিত প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় ধ্যান কেন্দ্ৰৰ ৰূপালী জয়ন্তী উপলক্ষে ১০ দিনীয়া কাৰ্যসূচীৰে অমৃত মহোৎসৱ উদ্‌যাপন কৰে। প্ৰথম দিনৰ কাৰ্যসূচী হিচাপে প্ৰজাপিতা ব্ৰহ্মকুমাৰীৰ পতাকা উত্তোলন কৰি এক বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। তাৰ পাছৰে পৰা ধাৰাবাহিকভাৱে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। প্ৰতিনিধিৰ সন্মান সমাৰোহ অনুষ্ঠিত কৰা হয়, তাৰ পাছতে মুৰুলী ক্লাছ, কৃষক আলোচনাচক্ৰ, নাৰী সৱলীকৰণ আৰু পৰিৱৰ্তনৰ বাবে নাৰীৰ ভূমিকাৰ বিষয়ত মহিলাসকলৰ আলোচনাচক্ৰ, স্থানীয় বিশিষ্ট নাগৰিক আৰু যুৱক-যুৱতীসকলৰ স'তে আলোচনাচক্ৰ, ৰক্তদান শিবিৰ, সত্ৰীয়া নৃত্য প্ৰতিযোগিতা, আৰু অন্যান্য বহু কাৰ্যসূচী গ্ৰহণ কৰা হয়। সমান্তৰালভাৱে কালি বিশ্বনাথৰ বিভিন্ন অঞ্চলৰ কণ কণ শিশুসকলৰ মাজত এক চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰতিযোগিতাত প্ৰায় ৫০ জনতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# আঠ অক্টোবৰত গুৱাহাটীত অনুষ্ঠিত হ'ব ৩৫ হেজাৰ কাৰ্যকৰ্তা সন্মিলন ঃ নগাঁৱত মন্ত্ৰী হাজৰিকা



**বিশেষ সংবাদদাতা**

**নগাঁও, ২ অক্টোবৰ ঃ** বিজেপিৰ এখন বিশাল কাৰ্যকৰ্তা সন্মিলন গুৱাহাটীত অহা আঠ অক্টোবৰত অনুষ্ঠিত হ'ব। এই সন্মিলনত ৰাজ্যখনৰ বিজেপিৰ ৩৫ হেজাৰ কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰিব। আজি নগাঁৱত এই কথা সদৰী কৰে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই। তেওঁ লগতে কয়, 'সেই দিনাই গুৱাহাটীত দলৰ নতুনকৈ নিৰ্মাণ কৰা কাৰ্যালয় মুকলি কৰাৰ উপৰি বিজেপিৰ এশটা মণ্ডল কাৰ্যালয়ৰ সমূহীয়াভাৱে আধাৰশিলা স্থাপন কৰা হ'ব। এই কাৰ্যসূচীত গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপি ৰাষ্ট্ৰীয় সভাপতি জেপি নড্ডা, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাকে ধৰি কে'বাগৰাকী শীৰ্ষ নেতাই অংশগ্ৰহণ কৰিব। এই বিশেষ কাৰ্যসূচীকেইটা সফল কৰি তুলিবৰ বাবে আমাৰ দলে পদক্ষেপ গ্ৰহণ কৰিছে। সেই অনুসৰি আমাৰদলৰ সকলো মন্ত্ৰীয়ে প্ৰতিটো বিধানসভা সমষ্টিলৈ গৈ দলীয় কাৰ্যকৰ্তাসকলক আমন্ত্ৰণ জনাইছো।' মন্ত্ৰীজনে লগতে কয়, 'মোৰ দায়িত্ব নগাঁৱৰ পৰা জোনাইলৈকে থকা সমষ্টিসমূহ আছিল। ইতিমধ্যে মই তেজপুৰৰ পৰা জোনাইলৈকে সকলো সমষ্টিৰ কাৰ্যকৰ্তাসকলক আমন্ত্ৰণ জনাইছো।' মন্ত্ৰীজনে এই বিশেষ কাৰ্যসূচীকেইটা সফল কৰি তুলিবলৈ দলীয় কাৰ্যকৰ্তাসকলক আহ্বান জনায়। তেওঁ শাৰদীয় দুৰ্গা পূজা উপলক্ষে নগাঁওবাসীৰ লগতে অসমবাসীক শুভেচ্ছা জ্ঞাপন কৰে।

# নলবাৰীৰ আখৰাত দুৰ্ঘটনাত ছজন আহত

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ৩১ নম্বৰ ঘাইপথৰ আখৰাত সংঘটিত ভয়াৱহ পথ দুৰ্ঘটনাত ছজনকৈ লোক গুৰুতৰভাৱে আহত হয়। তীব্ৰবেগী এছ-০১ ইজেড-৪২৩২ নম্বৰ সম্বলিত ভেনিউ বাহন এখনে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে থকা এডাল গছত প্ৰচণ্ড জোৰে খুন্দা মৰাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাৰ ফলত বাহনখন ভাঙি চুৰ্চুমৈ হয়। বাহনখনত থকা ছয়গৰাকীকৈ লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় যদিও সৌভাগ্য ক্ৰমে মৃত্যুৰ মুখৰ পৰা ৰক্ষা পৰে। আহতকেইজন হ'ল বিতোপন শৰ্মা, দিব্যজ্যোতি দাস, বিকি ডেকা, বিশাল দাস,শংকুৰ শৰণীয়া আৰু চুমন হাজৰিকা। গুৰুতৰভাৱে আহত চাৰিজনক জিএমচি হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

# পাঠশালাত ভ্ৰাম্যমাণৰ দিন উদ্‌যাপন



**বিশেষ সংবাদদাতা**

**পাঠশালা, ২ অক্টোবৰ ঃ** 'শ্ৰীমন্ত শংকৰদেৱক অসমৰ বাহিৰত প্ৰচাৰ কৰিব নোৱাৰাৰ বাবেই শংকৰদেৱৰ গুণ-গৰিমা ইয়াতেই সীমাবদ্ধ হ'ল। গতিকে নাটকৰ জন্মদিন বজালীতে আৱদ্ধ নাৰাখি ইয়াৰ প্ৰসাৰ আৰু প্ৰচাৰ বঢ়াব লাগে। প্ৰথমে গুৱাহাটী আৰু তেজপুৰত এই কাৰ্য কৰাৰ বাবে মই উদ্যোগ ল'ম।' এই মন্তব্য কৰে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত দাসে আজি পাঠশালা প্ৰেছ ক্লাবৰ উদ্যোগত পাঠশালা আজাদ ভৱনত অনুষ্ঠিত ভ্ৰাম্যমাণৰ দিন উদ্‌যাপন, গ্ৰন্থ উন্মোচন আৰু শিল্পী সম্বৰ্ধনা অনুষ্ঠানত। অনুষ্ঠানত লেখক তথা নাট সমালোচক অতুল মজুমদাৰে সমাজৰ চৰিত্ৰ গঠন কৰিব পৰাকৈ নাটক ৰচনা আৰু পৰিৱেশন কৰিবলৈ কয়। ভ্ৰাম্যমাণৰ ইতিহাসৰ বাবে কুইজ জাতীয় প্ৰতিযোগিতাৰ সৃষ্টি কৰিবলৈ বিশিষ্ট লেখক তথা অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া ৰবেন্দ্ৰ কুমাৰ দাসে। ভাষণত এইদৰে কয়। বৰমা মহাবিদ্যালয়ৰ অধ্যাপক ফণীধৰ তালুকদাৰ, জিলা পৰিষদৰ অধ্যক্ষ ৰঞ্জিত শালৈ, কৰ অধীক্ষক অঞ্জু বৈশ্য আৰু বিভিন্ন গণ্য-মান্য বিশিষ্ট ব্যক্তিৰ উপস্থিতিত মুখ্য অতিথিৰ বক্তব্য ৰাখে বজালী জিলাৰ উপায়ুক্ত কাবেৰী বি শৰ্মাই। সভাত নটৰাজ থিয়েটাৰৰ একালৰ বিশিষ্ট অভিনেত্ৰী আমিনা দেৱানৰ 'স্বৰ্ণিল নটৰাজৰ বৰ্ণিল যাত্ৰা' গ্ৰন্থ উন্মোচন কৰে নলবাৰী মহেন্দ্ৰ নাৰায়ণ বালিকা মহাবিদ্যালয়ৰ অধ্যাপক ড° কৌশিক ডেকাই। পাঠশালা প্ৰেছ ক্লাবৰ সভাপতি পুলু কুমাৰ শৰ্মাই সভাপতিত্ব কৰা সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি ভাষণ প্ৰদান কৰে ক্ৰমে প্ৰেছ ক্লাবৰ সম্পাদক আৰু কাৰ্যকৰী সভাপতি হীৰেন কলিতাই। সভা উদ্বোধন আৰু গুৰু স্মৰণ কৰে ভ্ৰাম্যমাণৰ নাট্যযোদ্ধা তথা আৱাহন থিয়েটাৰৰ প্ৰতিষ্ঠাপক প্ৰযোজক কৃষ্ণ ৰয়ে। মূল সভাৰ আগেয়ে মঞ্চ প্ৰভাকৰ অচ্যুত লহকৰৰ প্ৰতিকৃতিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে প্ৰয়াত অচ্যুত লহকৰৰ সহধৰ্মিণী তথা প্ৰতিষ্ঠিত অভিনেত্ৰী কিৰণ লহকৰে। ইয়াৰ লগে লগে প্ৰয়াত অচ্যুত লহকৰৰ জীৱন- পৰিক্ৰমা আধাৰিত তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়। পুৱা গছপুলি ৰোপণ কৰে বিশিষ্ট সমাজকৰ্মী তথা প্ৰয়াত অচ্যুত লহকৰৰ জোঁৱাই অম্লান জ্যোতি শৰ্মাই।

# খেৰণিত ৬৮ সংখ্যক বন্যপ্ৰাণী সপ্তাহ উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**ডংকামোকাম, ২ অক্টোবৰ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ অন্তৰ্গত খেৰণিস্থিত দক্ষিণ বন সংমণ্ডলৰ বন বিভাগৰ কাৰ্যালয়ত আজি দিনজোৰা চৰকাৰী কাৰ্যসূচীৰে ৬৮ সংখ্য বন্যপ্ৰাণী সপ্তাহ উদ্‌যাপন কৰে। এই উপলক্ষে কাৰ্যালয়টোৰ পৰা খেৰণি সাপ্তাহিক বজাৰলৈকে দুটাকৈ গজৰাজক লৈ এক সমদলো উলিওৱা হয়। সমদলত বন বিভাগৰ কৰ্মৰত বন বিষয়া-কৰ্মী, বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু জনসধাৰণৰ উপস্থিতিত অঞ্চলটোৰ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। হাতে-হাতে প্লে'কাৰ্ড লৈ বন্যপ্ৰাণী সুৰক্ষা কৰক, মানুহৰ দৰে বন্যপ্ৰাণীবোৰ জীয়াই থকাৰ অধিকাৰ আছে আদি শ্ল'গানেৰে খেৰণিত বন্যপ্ৰাণী সুৰক্ষা কৰাৰ প্ৰতি মানুহৰ মাজত সজাগতাও সৃষ্টি কৰে। ইপিনে, জিলা ভিত্তি এইবাৰ জিলা বন বিভাগে খেৰণিত এই বন্যপ্ৰাণী সপ্তাহ উদ্‌যাপন কৰাৰ বাবে প্ৰস্তুতি কৰিছে। এই বৃহত্তৰ খেৰণি অঞ্চলত যিহেতুকে হাতী আৰু মানুহৰ সংঘাত প্ৰতি বছৰেও জিলাখনৰ বিভিন্ন প্ৰান্তৰ তুলনাত সৰ্বাধিক সেই বাবেই এই কাৰ্যসূচী গ্ৰহণ কৰে বন বিভাগে। আজিৰ দিনজোৰা কাৰ্যসূচীত জিলা বন বিভাগৰ বিষয়াৰ উপৰি পিচিচিএফ বিষয়া এছ এছ ৰাও মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে।

# কৃষ্ণাইৰ হাব্ৰাঘাট মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আছুৰ সাফল্য



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ২ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ হাব্ৰাঘাট মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আছুৱে জয়লাভ কৰিছে। উল্লেখ্য যে যোৱা ৩০ ছেপ্টেম্বৰৰ পুৱা ৭-৩০ বজাৰ পৰা অনুষ্ঠিত ২০২২-২৩ৰ হাব্ৰাঘাট মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ফলাফল যোৱা নিশা ঘোষণা কৰা হয়। ফলাফল অনুসৰি লকমান আনচাৰীক সভাপতি, বিগন্ত ৰাভাক উপ-সভাপতি, জুবিন সূত্ৰধৰ সাধাৰণ সম্পাদক, নয়নজ্যোতি ৰাভা সহকাৰী সাধাৰণ সম্পাদক, অৰূপজ্যোতি নাথ সম্পাদক গুৰু ক্ৰীড়া বিভাগ, ফাৰুক আব্দুল্লা সম্পাদক লঘু ক্ৰীড়া বিভাগ, ডেভিড ৰাভা সম্পাদক, ছাত্ৰ জিৰণি চ'ৰা, নাৰ্গিচ চুলতানা সম্পাদিকা, ছাত্ৰী জিৰণি চ'ৰা, সৌৰভ ৰয় সম্পাদক, তৰ্ক আৰু আলোচনাচক্ৰ বিভাগ, পল্লৱী ৰাভা সম্পাদিকা সংগীত আৰু সাংস্কৃতিক পূৰ্ণিমা ৰাভা সম্পাদিকা মহাবিদ্যালয় আলোচনী, অঞ্জুমা বেগম সম্পাদিকা, সমাজসেৱা বিভাগ আৰু বিকাশ নাথ সম্পাদক উৎসৱ বিভাগ। উল্লেখ্য যে এইবেলি হাব্ৰাঘাট মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আছু, আমছু, এনএছইউআই আদিকে ধৰি বহুকেইটা ছাত্ৰ সংগঠনে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। যোৱা নিশা ঘোষিত ফলাফল অনুসৰি আছুৱে মুঠ ১৩টা পদবীৰ ভিতৰত সাধাৰণ সম্পাদক, উপ-সভাপতি আদিকে ধৰি মুঠ সাতটা পদবী নিজৰ দখললৈ আনিবলৈ সক্ষম হয়। আমছুৱে একমাত্ৰ সভাপতি পদটো দখল কৰে।

# সোণতলী কালাতলী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অৱসৰপ্ৰাপ্ত উচ্চবৰ্গৰ সহায়কৰ বিদায় সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ২ অক্টোবৰ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত পুৰণি উচ্চ শিক্ষানুষ্ঠান 'কালাতলী কাঠমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অৱসৰপ্ৰাপ্ত উচ্চবৰ্গৰ সহায়ক তোমছেৰ আলী আহমেদক কালি বিদ্যালয়ৰ পৰা আনুষ্ঠানিকভাৱে বিদায়ী সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে বিদ্যালয়খনত অনুষ্ঠিত হয় সম্বৰ্ধনা সভা। বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মিৰ্জানুল হকৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ অধ্যক্ষ ৰফিকুল আলমে।

উল্লেখ্য যে বিদ্যালয়খনৰ উচ্চ বৰ্গৰ সহায়ক আহমেদে বিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ পৰাই সুদীৰ্ঘ ৩৯ বছৰ ১১ মাহ ২৫ দিন কাৰ্যালয় সহায়ক হিচাপে নিয়োজিত হৈ ৩০ ছেপ্টেম্বৰত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। বিদ্যালয়ৰ শিক্ষক লোকমান হেকিম আৰু ৰবিউল হুছেইনে পৰিচালনা কৰা সম্বৰ্ধনা সভাত বিদায়ী কাৰ্যালয় সহায়কজনক বিদ্যালয় পৰিচালনা সমিতি, বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোট, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, ৰান্ধনী গোট, শুভাকাংক্ষী আদিৰ তৰফৰ পৰা ফুলাম গামোচা, ধৰ্মপুথি, ছাতি, লাঠি, ৰুমাল, পোছাক, জায়নামাজ, আলমাৰী আদিৰে বিপুল সম্বৰ্ধনা আগবঢ়ায়। স্থানীয় ৰাইজ আৰু অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী, অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত এক আৱেগিক পৰিৱেশৰ মাজত অনুষ্ঠিত সম্বৰ্ধনা সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ছবুৰ উদ্দিন আহমেদ, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি আমিন ময়নুল হক, উপ-সভাপতি জিয়াৰুল হক, প্ৰাক্তন ছাত্ৰ আমিন মহৰ আলী, আবেদ আলী আহমেদ, শিক্ষক গোটৰ হৈ আব্দুচ ছাত্তাৰ প্ৰমুখ্যে ভালে সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বিশ্বনাথৰ জপৌবাৰীৰ পৰা দুৰ্লভ কাছ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২ অক্টোবৰ ঃ** ৱাইল্ড হাৰ্ট ফাউণ্ডেছন হৈছে উত্তৰ-পূৱ ভাৰতৰ স্বতন্ত্ৰ গৱেষক আৰু ছাত্ৰ-ছাত্ৰীৰ এটা দলে পৰিচালনা কৰা স্বেচ্ছাসেৱী সংস্থা জৈৱ বৈচিত্ৰ্যৰ নথিভুক্তকৰণ, সংৰক্ষণৰ বাবে প্ৰবাহ আৰু ইয়াৰ প্ৰক্ৰিয়াসমূহ বুজি পোৱাৰ উদ্দেশ্যে বিশেষকৈ বিশ্বনাথ জিলা আৰু সামগ্ৰিকভাৱে এন ই ভাৰতৰ উল্লেখ কৰি ইয়াক ২০১৫ৰ সাত মাৰ্চত প্ৰতিষ্ঠা কৰা হৈছিল। এই গৱেষক ছাত্ৰ-ছাত্ৰীৰ দলটোৱে বিহালী বনাঞ্চলত জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ, বিভিন্ন জীৱ-জন্তু সংৰক্ষণৰ বাবে ২০১৫ৰ পৰাই বিভিন্ন গৱেষণা চলাই থকাৰ লগতে বহু কাম-কাজ কৰি আহিছে। তাৰ সমান্তৰালভাৱে কালিও এই গৱেষক ছাত্ৰৰ দলটোৰ ৰঞ্জিত কাকতিৰ নেতৃত্বত বিশ্বনাথৰ জপৌবাৰী অঞ্চলৰ পৰা এটা দুৰ্লভ কাছ জীৱিত অৱস্থাত উদ্ধাৰ কৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডলৰ কাৰ্যালয়ত গতাই দিয়ে।

# টিহুৰ মহাত্মা গান্ধী ভৱনত গান্ধী জয়ন্তী উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**টিহু, ২ অক্টোবৰ ঃ** ১৯৪৫ তে প্ৰতিষ্ঠা লাভ কৰা টিহুৰ ঐতিহ্যমণ্ডিত মহাত্মা গান্ধী ভৱনত আজি মহামানৱ মহাত্মা গান্ধীৰ ১৫৪ সংখ্যক জন্মজয়ন্তী বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। টিহুৰ মহাত্মা গান্ধী পৰিচালনা সমিতিৰ উদ্যোগত অনুষ্ঠিত গান্ধী জয়ন্তী উপলক্ষে পুৱা পতাকা উত্তোলন কৰে মহাত্মা গান্ধী ভৱন পৰিচালনা সমিতিৰ সভাপতি সোমনাথ ডেকাই। গান্ধীজীৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট আয়ুৰ্বেদিক চিকিৎসক কৰুণা ভট্টচাৰ্যই আৰু মাল্যাৰ্পণ কৰে মহাত্মা গান্ধী ভৱন সমিতিৰ প্ৰাক্তন সভাপতি দশৰথ পাঠকে। মহাত্মা গান্ধী ভৱন পৰিচালনা সমিতিৰ সম্পাদক কৰুণা কলিতাই পৰিচালনা কৰা অনুষ্ঠানটোত কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ পাছত সোমনাথ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত আৰু সম্পাদক কলিতাই আঁতধৰা বঁটা বিতৰণী সভাত মহাত্মা গান্ধীৰ আদৰ্শ আৰু ত্যাগৰ বিষয়ে বক্তব্য দিয়ে প্ৰাক্তন সাংবাদিক ৰজনী তালুকদাৰে। উক্ত সভাতে চিত্ৰাংকন প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত 'ক' শাখাৰ প্ৰথম নুপুৰ দাস, দ্বিতীয় দ্বীপ প্ৰতিম বৰ্মন আৰু তৃতীয় তন্ময় গোস্বামী, 'খ' শাখাৰ প্ৰথম দৰ্শিত কাশ্যপ, দ্বিতীয় প্ৰাচুৰ্য হালৈ আৰু তৃতীয় মেঘনা হালৈক বঁটা প্ৰদান কৰা হয়।

# ভিআইপিৰ দুৰ্গা পূজাৰ শ্যাম উদ্যানত ভিৰ

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২ অক্টোবৰ ঃ** আজাৰাৰ ভিআইপিস্থিত শ্যামভূমি হাইস্কুল খেল পথাৰত বিস্তৃত কাৰ্যসূচীৰে পাঁচদিনীয়াকৈ অনুষ্ঠিত হোৱা শ্ৰীশ্ৰীদুৰ্গা পূজাত কালিৰে পৰা ভক্তপ্ৰাণ ৰাইজৰ যথেষ্ট সমাগম হোৱা দেখা গৈছে। উদ্যোক্তাসকলে সদৰী কৰা অনুসৰি, এইবেলি পূজাৰ ১৫ লাখ টকাৰ বাজেট ধাৰ্য কৰি আয়োজন কৰা পূজাৰ আলোকসজ্জাই ধৰ্মপ্ৰাণ ৰাইজক আকৰ্ষিত কৰিছে। বিশেষকৈ এইবাৰৰ পূজাৰ মূল আকৰ্ষণ কেন্দ্ৰ হৈ পৰিছে 'শ্যাম উদ্যান'। বিভিন্ন কাৰুকাৰ্য-আলোকসজ্জাৰে সজ্জিত কৰি প্ৰকৃতি সংৰক্ষণৰ বাৰ্তাৰে গঢ়ি তোলা উক্ত শ্যাম উদ্যান জনসাধাৰণৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ উঠিছে।

# গোৱালপাৰাৰ এআইইউডিএফৰ নেতা আজিজুৰ ৰহমানৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ২ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ খৰমুজা নিবাসী আজিজুৰ ৰহমানৰ যোৱা নিশা উচ্চচাপজনিত ৰোগত আক্ৰান্ত হৈ পৰলোকপ্ৰাপ্তি ঘটে। গোৱালপাৰা পশ্চিম সমষ্টি এআইইউডিএফ কমিটীৰ সভাপতি আছিল ৰহমান। তেওঁ খৰমুজা আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে নিৰ্বাচিত হৈ দুৰ্নীতিমুক্ত জন প্ৰতিনিধিৰূপে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। এআইইউডিএফৰ যাত্ৰা পথৰ এগৰাকী নিৰ্ভীক, সত্যনিষ্ঠ, অমায়িক, মৃদুভাষী সতীৰ্থক হেৰুৱাই শোকত ভাগি পৰিছে তেওঁৰ সতীৰ্থসকল। এআইইউডিএফৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক আব্দুল হায়ে ৰহমানৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালটোলৈ সমবেদনা জ্ঞাপন কৰিছে।

# শ্ৰীশ্ৰীলক্ষ্মী পূজা মহোৎসৱৰ হীৰক জয়ন্তী ঃ কুছিজাৰত প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**বৰমা, ২ অক্টোবৰ ঃ** ইয়াৰ ওচৰৰ কুছিজাৰ গাঁৱৰ শ্ৰীশ্ৰীলক্ষ্মী পূজা মহোৎসৱৰ ৭৫ টা বৰ্ষ অতিক্ৰম কৰা উপলক্ষে অহা ন অক্টোবৰৰ পৰা ১৩ অক্টোবৰলৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কুছিজাৰত শ্ৰীশ্ৰীলক্ষ্মী পূজা মহোৎসৱৰ হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপনৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী মতে, ন অক্টোবৰত পুৱা ৭.৩০ বজাত ধৰ্মীয় পতাকা উত্তোলন কৰিব হীৰক জয়ন্তী উদ্‌যাপন সমতিৰ সভাপতি ৰজনী কলিতাই, ৮.১৫ ত হীৰক জয়ন্তী উপলক্ষে ৭৫ খন পতাকা উত্তোলন কৰিব স্থানীয় বিধায়ক ভূপেন বড়ো সহিতে ৭৫ গৰাকী বিশিষ্ট ব্যক্তিয়ে, আবেলি ৪.৩০ত মুখ্যদ্বাৰ উন্মোচন কৰিব বিটিআৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই, নিশা মুৰুলী সাংস্কৃতিক গোষ্ঠী, ৰাজনন্দিনী নাট্যদলৰ নাট প্ৰদৰ্শন। ১০ অক্টোবৰত পুৱা ৯.৩০ বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বিশিষ্ট অভিনেত্ৰী প্ৰস্তুতি পৰাশৰে, ১২ বজাত অন্তৰংগ আলাপ অনুষ্ঠান আঁত ধৰিব মহিধৰ কলিতাই। আবেলি তিনি বজাত নাগাৰা নাম, পাঁচ বজাত সম্বৰ্ধনা অনুষ্ঠান, অনুষ্ঠানত উপস্থিত থাকিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰঞ্জিত কুমাৰ দাস, প্ৰাক্তন বিধায়ক মনেশ্বৰ ব্ৰহ্ম, প্ৰক্তন কাৰ্যবাহী সদস্য হিতেশ বসুমতাৰীয়ে। আবেলি ছয় বজাত নাগাৰা নাম, নিশা আঠ বজাত ৰাজনন্দিনী নাট্যদলৰ নাট প্ৰদৰ্শন, ১০ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব প্ৰাক্তন কাৰ্যবাহী সদস্য অনচুমৈ খুংগুৰ বড়োৱে। ১১ অক্টোবৰত আবেলি স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱীয়ে, সভাত উপস্থিত থাকিব মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, উৰ্খাও গৌৰা ব্ৰহ্ম, সাংসদ নব কুমাৰ শৰণীয়া, বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়ো, প্ৰাক্তন মন্ত্ৰী ৰেখাৰাণী দাস বড়োকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তি। নিশা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব ডাঃ মৃণাল তালুকদাৰে, সাংস্কৃতিক সন্ধিয়াত বলিউদৰ কণ্ঠশিল্পী অনয়া ব্ৰহ্ম, নিতুনীল কাশ্যপ আৰু ময়ূৰী শইকীয়াৰ গীতৰ শৰাই থাকিব। ১২ অক্টোবৰত পুৱা ৭.৩০ বজাৰ পৰা খেল-ধেমালি প্ৰতিযোগিতা, ন বজাত আয়তীৰ নাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নিশা ১০ বজাত সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ আকাশ প্ৰীতম আৰু কিমি বৈশ্য। ১৩ অক্টোবৰ, আবেলি চাৰি বজাত আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই উদ্বোধন কৰিবলগীয়া মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকিব বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, মন্ত্ৰী নন্দিতা গৰ্লোছা, বৰপেটা লোকসভা সমষ্টিৰ সাংসদ আব্দুল খালেক, বাগ্‌সা জিলা উপায়ুক্ত মাছান্দা পাৰ্টিন, কৃষি বিপণন পৰিষদৰ অধ্যক্ষ মনোজ বৰুৱা, আৰক্ষী অধীক্ষক ৰাজেন সিং, আবাহন থিয়েটাৰৰ মুখ্য প্ৰযোজক কৃষ্ণ ৰয় আদি। নিশা হ'ব লগা সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ নিকিতা নিজম গোস্বামী আৰু জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীৰ গীতৰ শৰাইৰে সামৰণি পৰিব হীৰক জয়ন্তী বৰ্ষ। উদ্‌যাপন সমিতিৰ সম্পাদক কন্দৰ্প কলিতা আৰু সভাপতি ৰজনী কলিতাই সমূহ ৰাইজৰে উপস্থিতি শ্ৰদ্ধাৰে কামনা কৰিছে।

# লোহাৰঘাটত ৰাজা ৰামমোহন ৰায়ৰ জয়ন্তী উপলক্ষে সজাগতা সভা



**গুৱাহাটী, ২ অক্টোবৰ ঃ** ৰাজা ৰামমোহন ৰায় লাইব্ৰেৰী ফাউণ্ডেচন আৰু সাংস্কৃতিক মন্ত্ৰণালয়ৰ উদ্যোগত, গুৱাহাটী জিলা পুথিভঁৰাল আৰু পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ সহযোগত যোৱা ২৯ ছেপ্টেম্বৰত লোহাৰঘাটৰ সৎপুৰ প্ৰগতিশীল সংঘত আধুনিক ভাৰত নিৰ্মাতা ৰাজা ৰামমেহন ৰায়ৰ ২৫০ সংখ্যক জয়ন্তী উপলক্ষে মহিলা সৱলীকৰণ সন্দৰ্ভত এটা সজাগতা সমদল উলিওৱাৰ লগতে এখন সজাগতা সভা অনুষ্ঠিত হয়। পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ সঞ্চালক দিনমণি দাসৰ সভাপতিত্বত অনুষ্ঠিত সজাগতা সভাত আদৰণী ভাষণ আগবঢ়ায় জিলা পুথিভঁৰালৰ গ্ৰন্থাগাৰিক ড° মেহতাব হুছেইনে। সভাত মুখ্য অতিথিৰূপে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° লীলাৱতী চৌধুৰীয়ে কয় যে মহিলাৰ সৱলীকৰণ কৰিবলৈ হ'লে প্ৰধানতঃ বিজ্ঞানমনস্ক শিক্ষাৰ প্ৰয়োজন। মহিলাৰ চিন্তা, শক্তি বঢ়াবলৈ অধ্যয়নৰ প্ৰয়োজন। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° কিশোৰ শৰ্মাই গ্ৰন্থ অধ্যয়নৰ বিষয়ে কোৱাৰ লগতে মাও চে টুঙৰ উদ্ধৃতিৰে সঞ্চালক দিনমণি দাসে নাৰী অৰ্দ্ধাকাশ বুলি কয়। নাৰীৰ উন্নতি হ'লেহে সমাজৰ উন্নতি হ'ব বুলিও তেওঁ কয়। সভাত সৰোজিনী মহিলা আত্মসহায়ক গোটৰ সভানেত্ৰী চন্দনা দাস বড়োৱে এটা প্ৰদৰ্শনী অনুষ্ঠিত কৰে। পাছত সমৱেত লোকসকলে 'মহিলাসকল সমাজৰ অৰ্দ্ধাকাশ, মহিলা শক্তি এক হওক, পুথি অধ্যয়নৰ অভ্যাস গঢ়ি তোলক' আদি শ্ল'গান দি এটা সমদল উলিয়ায়। শলাগৰ শৰাই আগবঢ়ায় জিলা পুথিভঁৰালৰ হৈ ভানু বৰাই।



# সপ্তমীৰ সন্ধিয়া লোকে লোকাৰণ্য জামুগুৰিহাট

## শেৱালিৰ আমোলমোল গোন্ধ আৰু চতিয়না ফুলৰ সুগন্ধত প্ৰাণময় হৈ ধৰা দিছে দুৰ্গোৎসৱৰ পৰিৱেশ



*খেৰণিত বন্যপ্ৰাণী সপ্তাহ উপলক্ষে উলিওৱা শোভাযাত্ৰা, দেওবাৰে।*

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ সপ্তমীৰ সন্ধিয়া লোকে লোকাৰণ্য হৈ পৰিল জামুগুৰি ব্যৱসায়িক কেন্দ্ৰস্থল। বিগত দুটা বছৰ ক'ভিড সৃষ্ট পৰিৱেশৰ বাবে দুৰ্গোৎসৱ অনুষ্ঠিত নোহোৱাৰ পাছত এইবাৰ মুক্তমনে ৰাইজে দুৰ্গোৎসৱ উপভোগ কৰিবলৈ ওলাই অহা পৰিলক্ষিত হ'ল। জামুগুৰি ব্যৱসায়িক কেন্দ্ৰস্থলত অনুষ্ঠিত হোৱা পাঁচখনকৈ পূজা চাবলৈ অঞ্চলটোৰ গাঁওসমূহৰ পৰা হেজাৰ হেজাৰ ৰাইজ ওলাই অহা দেখিবলৈ পোৱা গ'ল। পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ আৰু ঢাক ঢোলৰ শব্দই পূজা মণ্ডপসমূহ মুখৰিত হৈ থকাৰ সামন্তৰালকৈ মা দুৰ্গাৰ প্ৰতিমাত মূৰ দৌৱাবলৈ ভক্তপ্ৰাণ ৰাইজৰ হেতাওপৰা ভিৰ পৰিলক্ষিত হ'ল। দুটা বছৰৰ পাছত মুক্ত আকাশৰ তলত এপাক ঘূৰিবলৈ শাৰদীয় দুৰ্গোৎসৱলৈ যেন বৈ আছিল ৰাইজ। শেৱালিৰ আমোলমোল গোন্ধ আৰু দূৰৰ পৰা ভাহি অহা চতিয়না ফুলৰ গোন্ধৰ সুৱাস লৈ সপ্তমীৰ সন্ধিয়া দুৰ্গোৎসৱ উপভোগ কৰে হেজাৰ হেজাৰ ৰাইজে। এক প্ৰকাৰ সপ্তমীৰ সন্ধিয়া লোকে লোকাৰণ্য হৈ পৰিল জামুগুৰিহাট। অৱশ্যে পূজাৰ খেলনা সামগ্ৰীৰ দামৰ লগতে একাংশ নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বাবেও জামুগুৰিহাটৰ একাংশ লোকো পূজাৰ আনন্দ-উল্লাসৰ পৰা বহু যোজন আঁতৰত অৱস্থান গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে এইবাৰ জামুগুৰি, কুসুমটোলা, ৰঙাচকুৱা, মৰিসুঁতি, ধলাইবিল, টৌভঙা, গমিৰিপালকে ধৰি জামুগুৰিহাটৰ বিভিন্ন স্থানত ৪০ খনৰো অধিক দুৰ্গা পূজা অনুষ্ঠিত হৈছে।

# অগ্ৰগামী যুৱ মঞ্চৰ গান্ধী জয়ন্তী উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২ অক্টোবৰ ঃ** বস্ত্ৰনগৰী শুৱালকুছিৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান অগ্ৰগামী যুৱ মঞ্চই মহামানৱ মহাত্মা গান্ধীৰ জন্মদিন গান্ধী জয়ন্তী উলহ-মালহৰে উদ্‌যাপন কৰে। এই উপলক্ষে পুৱা গান্ধী আশ্ৰমত গান্ধীজীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে যুৱ মঞ্চৰ সম্পাদক ধীৰেন বৈশ্যই। কাৰ্যকৰী সমিতিৰ সদস্য বৃন্দই পুষ্পাঞ্জলি অৰ্পণ কৰে। পাছত শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিছনাযুক্ত চিকিৎসালয়ত ৰোগীসকলক ফলমূল আৰু খাদ্য-বস্তু বিতৰণ কৰে। বিতৰণ কাৰ্যসূচীত সভাপতি কুমুদ বৈশ্যৰ দ্বাৰা কৰা হয়। অনুষ্ঠানত চিকিৎসালয়ৰ কৰ্মী মৃদুল বৈশ্য আৰু তপন দাসে সহযোগ আগবঢ়ায়।

# হাজোত গান্ধী জয়ন্তী উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**হাজো, ২ অক্টোবৰ ঃ** তীৰ্থনগৰী হাজোত আজি উত্তৰ কামৰূপ অনুসূচিত জাতি ঐক্যমঞ্চই গান্ধী জয়ন্তী উদ্‌যাপন কৰে। হাজো নমঃশূদ্ৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত সংগঠনটোৱে তদুপলক্ষে পুৱাৰ ভাগত মহামানৱ মহাত্মা গান্ধীৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে উত্তৰ কামৰূপ অনুসূচিত জাতি ঐক্যমঞ্চৰ সভাপতি পবীন তালুকদাৰে, বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সংগীত শিক্ষক গণেশ চন্দ্ৰ দাস আৰু সমাজসেৱক সোণাৰাম দাসে। ইয়াৰ পাছতে দিনৰ ১১ বজাত পবীন তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত শিশুশিল্পী প্ৰাচুৰ্য দাসে পৰিৱেশন কৰা এটি সুমধুৰ গীতেৰে আৰম্ভ হোৱা সভাত সমাজসেৱক বিবেকানন্দ দাস, কমল কৃষ্ণ দাস, প্ৰাক্তন বন বিষয়া মধুৰাম দাস,শশীন দাস, গণেশ চন্দ্ৰ দাস, দেব দাস আৰু পংকজ দাসে গান্ধী জয়ন্তীৰ স'তে ৰজিতা খুৱাই ভাষণ ৰাখে। সভাত লোক গীতৰে সকলোকে মন্ত্ৰমুগ্ধ কৰে লোকশিল্পী সোণাৰাম দাসে। সমগ্ৰ সভাখনৰ আঁত ধৰে প্ৰকাশ দাসে।

# দুৰ্গোৎসৱ, কালী পূজা, বিহুৰ সময়ত অবৈধ মদ-জুৱা বন্ধৰ দাবী বৰহোলা আছুৰ

বিশেষ সংবাদদাতা

**নগাবাট, ২ অক্টোবৰ ঃ** দুৰ্গোৎসৱ, কালী পূজা আৰু বিহুৰ সময়ত অবৈধ মদৰ বেহা আৰু জুৱা খেল বন্ধ কৰাৰ দাবী জনাইছে বৰহোলা আঞ্চলিক ছাত্ৰ সন্থাই। এক বিবৃতিযোগে বৰহোলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ভাস্কৰজ্যোতি নেওগ, সম্পাদক প্ৰদীপ বৰুৱা, তিতাবৰ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি মাধুৰ্য পাঠকে কয় যে আবকাৰী বিভাগ আৰু আৰক্ষীৰ হেমাহি অকৰ্মণ্যতাৰ বাবে বৰহোলাৰ লগতে সমগ্ৰ অঞ্চলটোত দিনক দিনে অবৈধ মদৰ ৰমৰমীয়া ব্যৱসায়ে ছানি ধৰিছে। ফলত বিভিন্ন সময়ত দুৰ্ঘটনা সংঘটিত হৈ আহিছে। বৰ্তমান দুৰ্গোৎসৱ চলি আছে। ইয়াৰ পাছতে কালী পূজা, বিহু আদি। এই সময়ছোৱাত অবৈধ মদ আৰু জুৱাৰ কবলত পৰি বিভিন্ন ধৰণৰ অপৰাধমূলক কাৰ্য, দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা থাকে। ফলত শান্তিপ্ৰিয় ৰাইজৰ মাজত অশান্তিৰ সৃষ্টি হয়। গতিকে বৰহোলা আৰক্ষী প্ৰশাসন আৰু আবকাৰী বিভাগে তাৎক্ষণিকভাৱে এই অবৈধ মদৰ বেহা, জুৱা খেল বন্ধ কৰিব লাগে। লগতে কোনো দুৰ্ঘটনা যাতে সংঘটিত নহয় তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বৰহোলা অঞ্চলটোৰ ৰাইজে যাতে শান্তিৰে দুৰ্গোৎসৱ আৰু কালী পূজা, বিহু উপভোগ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই প্ৰশাসনক শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে বৰহোলা আছুৱে।

# উদয়পুৰত তিনিদিনীয়াকৈ গুৰু জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

■ **দিহানাম-কীৰ্তন ঘোষা নাম প্ৰতিযোগিতাৰ বৰ্ণিল আয়োজন**

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২ অক্টোবৰ ঃ** নলবাৰী জিলাৰ উদয়পুৰ শ্ৰীমন্ত শংকৰদেৱ আঞ্চলিক নামঘৰ প্ৰাংগণত অহা চাৰি, পাঁচ আৰু ছয় অক্টোবৰত তিনিদিনীয়াকৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱ আৰু নামঘৰৰ ৩৮ সংখ্যক বাৰ্ষিক অধিবেশন অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পৰিৱেশ নিকাকৰণ, নাম-প্ৰসংগ, শৰণ শিবিৰ, ঘগ্ৰাপাৰ জিলা পৰিষদৰ সদস্যৰ দ্বাৰা নিৰ্মিত পানী যোগান ব্যৱস্থাৰ উদ্বোধন, নামঘৰ পৰিচালনা সমিতিৰ বিষয়-বাছনি সভা আৰু সন্ধিয়া বিশিষ্ট লোকৰ দ্বাৰা বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত হ'ব। পাঁচ অক্টোবৰৰ দিনা ৰাতিপুৱা ঊষা কীৰ্তন, প্ৰাতঃপ্ৰসংগ, গছপুলি ৰোপণ, সমূহীয়া নাম-কীৰ্তন অনুষ্ঠিত হ'ব। পুৱা ১০ বজাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দুটা শাখাত প্ৰাইজমানি চিত্ৰাংকন, আই মাতৃৰ কীৰ্তন ঘোষা নাম আৰু যুৱতীৰ দিহা নাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দিনৰ ১২ বজাত বিভিন্ন ক্ষেত্ৰৰ ৯ গৰাকী বিশিষ্ট লোকৰ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া প্ৰসংগ আৰু বিশিষ্ট লোকৰ দ্বাৰা বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত হ'ব। নিশা ৭.৩০ বজাত নাগাৰা ১৩ পৃষ্ঠাত চাওক

# ফৰকাটিং পঞ্চায়তত গাঁওসভা সম্পন্ন সংকল্প গ্ৰহণ

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২ অক্টোবৰ ঃ** গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত ফৰকাটিং গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সভাকক্ষত আজি মহামানৱ মহাত্মা গান্ধীৰ জন্মজয়ন্তীৰ লগত সংগতি ৰাখি গাঁওসভা সম্পন্ন হয়। সেই উপলক্ষে পুৱাৰ ভাগত মহামানৱ গান্ধীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ কাৰ্যসূচী ৰূপায়িত কৰা হয়। এই কাৰ্যসূচীৰ পাছত মহাত্মা গান্ধীৰ ঐতিহাসিক সংকল্প তথা বেৰিষ্টাৰ আইন পাঠ কৰা হয়। উল্লেখ্য যে পঞ্চায়ত সভাপতি প্ৰফুল্ল শইকীয়াৰ পৌৰোহিত্যত বহা গাঁওসভাখনত পঞ্চায়তখনৰ ৰাস্তা-ঘাট, সমূহীয়া পুখুৰী উন্নয়ন, বিশুদ্ধ খোৱাপানী ১৩ পৃষ্ঠাত চাওক

# সন্ধাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২ অক্টোবৰ ঃ** একশৰণ হৰিনাম ধৰ্মৰ প্ৰৱৰ্তক, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰাণ প্ৰতিষ্ঠাপক, শ্ৰেণী বৈষম্যহীন এখন সমাজ গঢ়া খনিকৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ সন্ধা পাইকাৰকুছি চ'কত শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ উদ্যোগত আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পূব নলবাৰী মিলন আঞ্চলিক শাখাৰ সহযোগত অহা চাৰি, পাঁচ, ছয় আৰু সাত অক্টোবৰত চাৰিদিনীয়াকৈ অনুষ্ঠিত কৰিব। ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ হৈছে বুলি আবিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি দক্ষৰাম বৰ্মন, কাৰ্যকৰী সভাপতি নৃপেন্দ্ৰ দাস আৰু সাধাৰণ সম্পাদক ক্ষিতীন দাসে জনাইছে। কাৰ্যসূচী অনুসৰি, অহা চাৰি অক্টোবৰত পুৱা ভাগৱত স্থাপন, নিত্য প্ৰসংগৰ পাছতে শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱৰ দ্বাৰ আনুষ্ঠানিকভাৱে উদ্‌ঘাটন কৰিব পূব নলবাৰী মিলন আঞ্চলিক শাখাৰ সভাপতি প্ৰফুল্ল দাসে। পাঁচ অক্টোবৰত পুৱা নিত্য প্ৰসংগৰ পাছতে ছহিদ তৰ্পণ কৰিব সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকাই। গছপুলি ৰোপণৰ পাছতে প্ৰাইজমানি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দিনৰ ১২ বজাৰ পাছতে পূব নলবাৰী মিলন আঞ্চলিক শাখাৰ অন্তৰ্গত ২০২২ৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষাত ৭৫ নম্বৰৰ অধিক পোৱা ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা সভাৰ অধ্যক্ষ হ'ব পিটকোজৰ সভাপতি ৰমেশ মেধিয়ে। বক্তৃতা প্ৰদান কৰিব কৃতী শিক্ষক তথা সমল ব্যক্তি সুভাষ বৰ্মনে। আবেলি লোকগীত আৰু বৰগীত প্ৰতিযোগিতা উদ্বোধন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নলবাৰী জিলা শাখাৰ সম্পাদক কৰ্ণধৰ বৰ্মনে। সন্ধিয়া নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব চৰকাৰী অসম হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়ৰ প্ৰৱক্তা ডাঃ জয়ন্ত কুমাৰ বৰ্মনে। সাত অক্টোবৰত পুৱা ন বজাত ধৰ্মধ্বজা উত্তোলন ১৩ পৃষ্ঠাত চাওক

# সোণালী জয়ন্তী বৰ্ষত ঐতিহ্যমণ্ডিত লখিমপুৰ



**বিকাশ, সামাজিক, সাংস্কৃতিক বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস উদ্‌যাপন**

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২ অক্টোবৰ ঃ** ব্ৰহ্মপুত্ৰ, সোৱণশিৰি, ৰঙা নৈ, ডিক্ৰং আৰু ইয়াৰ উপনৈসমূহে যুগ যুগ ধৰি বিশেষকৈ হিমালয়ৰ পাদদেশৰ নদীবাহিত পলসৰ পৃষ্ঠভূমিত গঢ় লোৱা ঐতিহ্যমণ্ডিত লখিমপুৰ জিলাৰ ৫০ বৰ্ষ পূৰ্ণ উপলক্ষে আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে লখিমপুৰ জিলা প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। জিলা প্ৰশাসনৰ উদ্যোগত সোণালী জয়ন্তী বৰ্ষ উপলক্ষে জিলাখনৰ বিভিন্ন স্থানত সামাজিক-সাংস্কৃতিক, বৌদ্ধিক বিকাশৰ দিশত ৰাজ্য চৰকাৰে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰে। সেই অনুসৰি উত্তৰ লখিমপুৰ ত্যাগক্ষেত্ৰত অনুষ্ঠিত অনুষ্ঠানত পুৱা ছয় বজাত চাইকেল দৌৰ, আঠ বজাত বৃক্ষৰোপণ, ন বজাত সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হয়। ৯.৩০ বজাত বগীনদী উন্নয়ন খণ্ডৰ স্বাস্থ্য শিবিৰ মুকলি, ১০ বজাত প্ৰত্যেক ৰাজহ চক্ৰ কাৰ্যালয় খণ্ড উন্নয়ন কাৰ্যালয়ৰ সাংস্কৃতিক শোভাযাত্ৰা, ১০.৩০ বজাত ডিজু পঞ্চায়তৰ অন্তৰ্গত জলজীৱন আঁচনিখন উদ্বোধন কৰে। ১১ বজাত ১৩ পৃষ্ঠাত চাওক

# সমাজৰ এক সোণালী সেতু তেজপুৰৰ ৰবীন্দ্ৰ চন্দ্ৰ দে

■ **৯৬ বৰ্ষীয় সমাজকৰ্মীৰ জীৱনৰ ওপৰত পুস্তিকা প্ৰকাশ**



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২ অক্টোবৰ ঃ** সমগ্ৰ জীৱন অতি সততা আৰু সমাজৰ উন্নয়নৰ বাবে উৎসৰ্গা কৰা তেজপুৰৰ এজন প্ৰায় ৯৭ বছৰীয়া ব্যক্তি ৰবীন্দ্ৰ চন্দ্ৰ দে। ৰাজ্যখনৰ জাতিগঠন প্ৰক্ৰিয়াৰ এক অনন্য নিদৰ্শন এইজন ব্যক্তি এসময়ত শাক্ত ধৰ্মত বিশ্বাসী আছিল যদিও তেজপুৰৰ শ্ৰীশ্ৰীনিকামূল সত্ৰৰ সত্ৰাধিকাৰ তথা স্বাধীনতা সংগ্ৰামী প্ৰয়াত গহন চন্দ্ৰ গোস্বামীৰ সান্নিধ্য লাভৰ পাছত তেওঁ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্মৰ একনিষ্ঠ সেৱক হৈ পৰে। এক বৰ্ণিল, সংগ্ৰামী, আপোচবিহীন আৰু অসমীয়া জাতীয়তাবাদ তথা জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনৰে জড়িত হৈ চাকৰি জীৱনৰ অৱসৰৰ দিনটোতো অন্যায়ৰ বলি হোৱা এইজন ৰবীন চন্দ্ৰ দেৰ জীৱনৰ কিছু অংশ আলোকপাত কৰি যোৱা ৩০ ছেপ্টেম্বৰত ১৩ পৃষ্ঠাত চাওক

# বৰনৈয়ে আঞ্চলিক দুৰ্গা পূজাৰ সোণালী জয়ন্তী মহোৎসৱ

■ **উপলক্ষে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা**

অগ্ৰদূত বাৰ্তা

**হাজো, ২ অক্টোবৰ ঃ** লখাইতৰাৰ ছন্দোময় প্ৰবাহে বিটৌত কৰা বৰনৈয়ে পাহাৰৰ পাদদেশৰ নৈসৰ্গিক শোভাৰে শোভিত বৰনৈয়ে আঞ্চলিক শাৰদীয় দুৰ্গা পূজাৰ বৰ্ণিল ইতিহাসত ভক্তিপূৰ্ণ স্বৰ্ণিল অধ্যায়ৰ সংযোজন ঘটাই বৃহত্তৰ বৰনৈয়ে অঞ্চলৰ ভক্তি মিশ্ৰিত আবেগ অনুভূতি আৰু মৈত্ৰী বান্ধোনেৰে ৩০ ছেপ্টেম্বৰৰ পৰা সাত দিনীয়াকৈ উদ্‌যাপন কৰিবলৈ লৈছে সোণালী জয়ন্তী দুৰ্গোৎসৱ। তদুপলক্ষে কালি পুৱাৰ ভাগত বৰনৈয়ে আঞ্চলিক দুৰ্গা পূজা মন্দিৰ চৌহদৰ পৰা উলিয়ায় এক বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা। বৰনৈয়ে আঞ্চলিক সোণালী জয়ন্তী দুৰ্গা পূজা মহোৎসৱৰ পৰিচালনা সমিতিৰ সভানেত্ৰী বিধায়িকা সুমন হৰিপ্ৰিয়া, মুখ্য উপদেষ্টা তথা অসম যুৱ আয়োগৰ সদস্য সচিব ৰাতুল শৰ্মাৰ উপস্থিতিত অসমীয়া ধাৰাবাহিক 'ভোলা আৰু কেৰপা' খ্যাত পৰাগ শৰ্মা আৰু কন্দৰ্প দাসে উদ্বোধন কৰা গজৰাজক আগত লৈ উলিওৱা বৰ্ণিল শোভাযাত্ৰাত বাঁহেৰে নিৰ্মিত দুৰ্গা মন্দিৰৰ মূল তোৰণ, পূজা মণ্ডপ, সভাঘৰৰ প্ৰতিচ্ছবি দাঙি ধৰাৰ লগতে বাৰেৰহণীয়া অসমীয়া সংস্কৃতিৰ বিহু নৃত্য, বড়ো নৃত্য, খেৰাই নৃত্য, জিকিৰৰ দল, লোক আয়ত শিল্পী সমাজৰ দ্বাৰা জিকিৰ-জাৰী পৰিৱেশন, কামৰূপীয়া লোকগীত আৰু গোৱালপৰীয়া লোকগীত পৰিৱেশন, মাছমৰীয়াৰ দৃশ্য, হৰেকৃষ্ণ পাৰ্টি, কৃষিকৰ্মৰ দৃশ্য, নাও খেলৰ দৃশ্য, ফাকুৱা দল, বিহু হুঁচৰি, বৰগীতৰ দল, চাহ জনগোষ্ঠীৰ দৃশ্যকে ধৰি কে'বাটাও জনগোষ্ঠীয় গীত-নৃত্যৰ দলৰ অংশগ্ৰহণে শোভাযাত্ৰা জীপাল কৰি তোলে। শোভাযাত্ৰা প্ৰায় ১৫ কিলোমিটাৰ অতিক্ৰমি পুনৰ দুৰ্গা মন্দিৰ চৌহদত সামৰণি পেলায়। সন্ধিয়া বেল বোধনৰ পাছতে এমন্ত্ৰনৰ উপ প্ৰবন্ধক দীনমণি ভাণ্ডাৰ কায়স্থই উদ্বোধন কৰা মহিলাৰ নাগাৰা নাম প্ৰদৰ্শন কৰে জয়ন্তীপুৰৰ গীতাঞ্জলি কলিতাই। ইপিনে, কালি পুৱাৰ ভাগত বৰনৈয়ে আঞ্চলিক সোণালী জয়ন্তী দুৰ্গোৎসৱৰ বন্তি প্ৰজ্বলন কৰে উদ্যোগপতি বনমালী শৰ্মাই, ধৰ্মধ্বজা উত্তোলন কৰে মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি অনিলেন্দ্ৰ মোহন ডেকাই আৰু পতাকা উত্তোলন ১৩ পৃষ্ঠাত চাওক

# পুৰণিগুদাম পাৰঘাটত শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ মহোৎসৱৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ২ অক্টোবৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ পাৰঘাটস্থিত শ্ৰীমন্ত শংকৰদেৱ থানত তিনিদিনীয়াকৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ অনুষ্ঠিত হ'ব। জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ অহা চাৰিৰ পৰা ছয় অক্টোবৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব বুলি উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি প্ৰভাত ভূঞা আৰু সম্পাদক পৰমানন্দ বৰাই জানিবলৈ দিয়ে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ মহোৎসৱৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা উৎসৱ উদ্‌যাপন সমিতিৰ মত বিনিময় আৰু গাণিকা আদি অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে পাঁচ অক্টোবৰত আইসকলৰ নাম, ধৰ্মধ্বজা উত্তোলন, ভাগৱত ভ্ৰমণ আৰু নামতি দলৰ দ্বাৰা, নাম প্ৰদৰ্শন হ'ব। নিশা শংকৰী কলা- কৃষ্টিৰ সাধক ৰূপসজ্জাৰ শিল্পী প্ৰয়াত খগেন কলিতাৰ সোঁৱৰণত অসমীয়া ভাওনা 'অশ্বকৰ্ণ বধ' পুৰণিগুদামৰ সাৰেং নাট্য গোষ্ঠীয়ে প্ৰদৰ্শন কৰিব। ছয় অক্টোবৰত আইসকলৰ দ্বাৰা নাম ভকতসকলৰ ১৩ পৃষ্ঠাত চাওক

# অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ সহায়ক প্ৰদীপ কুমাৰ নাথৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**হাউলী, ২ অক্টোবৰ ঃ** হাউলী বিএইছ কলেজৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ সহায়ক তথা হাউলী গাঁও নিবাসী প্ৰদীপ কুমাৰ নাথ (৬৬)ৰ হৃদৰোগত আক্ৰান্ত হৈ কালি পুৱা পৰলোকপ্ৰাপ্তি ঘটে। তেওঁক কালি পুৱা উশাহ-নিশাহত কষ্ট পোৱাত বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত নিয়া হয় যদিও কিছু সময় পাছতে তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুগৰাকী পুত্ৰ আৰু এগৰাকী কন্যাসহ অসংখ্য গুণমুগ্ধক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত সাংবাদিক দিদাৰ হুছেইন, নিতুমণি দাস, নয়নমণি ওজা, কৌশিক কমল দাস, হাউলী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি যুগান্ত বায়ন, হাউলী আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰে।

# জ্যেষ্ঠ অধিবক্তা, সংস্কৃত পণ্ডিত প্ৰবীণ গোস্বামীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বৰুৱা বামুণগাঁও, ২ অক্টোবৰ ঃ** যোৰহাট আদালতৰ জ্যেষ্ঠ অধিবক্তা, প্ৰবীণ আইনজ্ঞ, ঢেকীয়ালৰ শ্ৰীশ্ৰীমধুমিশ্ৰ সত্ৰৰ পাঠাচাৰ্য, মূল সত্ৰীয়া, সংস্কৃত পণ্ডিত প্ৰবীণ গোস্বামী (৮১)ৰ যোৱা ৩০ ছেপ্টেম্বৰত বাৰ্ধক্যজনিত কাৰণত যোৰহাটৰ নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ এজন সুদক্ষ অধিবক্তা হিচাপে সুখ্যাতি লাভ কৰাৰ লগতে বিভিন্ন সামাজিক-সাংস্কৃতিক তথা ধৰ্মীয় অনুষ্ঠানৰ অন্যতম সদস্য হিচাপে জড়িত হৈ আছিল। তেওঁৰ মৃত্যুত অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ তথা বৰ্তমানৰ যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি পুৰঞ্জয় গোস্বামীকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ, বোৱাৰী, নাতি-নাতিনী, ককাই-ভাইসহ বহু আত্মীয়ক এৰি যায়।

# চাপৰ বহলপুৰৰ বিভিন্ন স্থানত শাৰদীয় দুৰ্গোৎসৱ

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ২ অক্টোবৰ ঃ** নামনি অসমৰ চাপৰ, বহলপুৰ আৰু শালকোচা অঞ্চলৰ বিভিন্ন স্থানত এইবাৰ সৰ্বমুঠ ১৮ খন পূজা মণ্ডপত শাৰদীয় দুৰ্গোৎসৱ জাকজমকতাৰে আৰম্ভ হৈছে। চাপৰ ৰাজহ চক্ৰ অঞ্চলটোৰ বহলপুৰ বৰপাৰা, শালকোচা, গৌৰাং, নুনমাটি, চাপৰ চাহ বাগিচা, কৃষ্ণকলী চাহ বাগিচা, চৈবাৰী চাহ বাগিচা, সত্যপুৰ, চাপৰ চহৰ, পাতালপুৰ বজাৰ, চাপৰ কলনি, চাপৰ গান্ধী ময়দান আদি ঠাইত মহা আড়ম্বৰে শাৰদীয় দুৰ্গাপূজা আৰম্ভ হৈছে। ইফালে, এই দুৰ্গাপূজাত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা বুলি চাপৰৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰঞ্জিত কাকতিয়ে জনাইছে। শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে চাপৰৰ চক্ৰ বিষয়া কবিতা ডেকা, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী গোকুল বৰ্মন, কাৰ্যবাহী পাৰিষদ জীৱেশ ৰায়, বিধায়ক ছামছুল হুডা, বিলাসীপাৰাৰ মহকুমা আৰক্ষী বিষয়া বিৰিঞ্চি বৰা, বিশিষ্ট চিকিৎসক ডাঃ শংকৰ কুমাৰ দাস আদিয়ে ধৰ্মপ্ৰাণ ৰাইজলৈ শুভকামনা জনাই শাৰদীয় দুৰ্গোৎসৱে ৰাইজৰ মাজত সম্প্ৰীতিৰ বাৰ্তা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

# বৰভাগৰ দুৰ্গা পূজাৰ বাকৰিত কাব্যগ্ৰন্থ উন্মোচন



অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৰভাগৰ উলাবড়ী-নখেতি-ৰাইটকুছি সাৰ্বজনীন দুৰ্গা পূজাৰ বাকৰিত আজি কাব্যগ্ৰন্থ এখন উন্মোচন কৰা হয়। কবি-লেখক দিপুল বৈশ্যৰ সম্পাদনাত প্ৰকাশিত 'পাগলাদিয়া পাৰৰ কবিতা' শীৰ্ষক কাব্যগ্ৰন্থখনৰ চতুৰ্থ সংখ্যাটো উন্মোচন কৰে বৰভাগ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ড° চন্দন কলিতাই। কাব্যগ্ৰন্থখন উন্মোচন কৰি ড° কলিতাই কয় যে পূজাৰ বিভিন্ন ধৰ্মীয় কাৰ্যসূচীৰ মাজত এখন গ্ৰন্থ প্ৰকাশ কৰাটো এটা মহৎ কাম। বৰভাগ জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি দ্বিজেন কাকতিৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি আদাবাৰীৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ কমলদেৱ গোস্বামীয়ে গ্ৰাম্য সমাজৰ মাজত কবিতাৰ সমল বিচাৰি পোৱা যায় বুলি কয়। মণ্টু মেধিয়ে আঁতধৰা সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি মেঘালয়ৰ লাঙাম প্ৰেছবিটেৰিয়ান হায়াৰ ছেকেণ্ডাৰী স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল আজিজ আহমেদে কয় যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে কবিতাৰ বিষয়বস্তুৰো সলনি হয়। উদ্দেশ্যধৰ্মী সাহিত্য চৰ্চাই সমাজত সমাদৰ লাভ কৰে। সভাত সমাজসেৱী অতুল কলিতায়ো ভাষণ দিয়ে।

# প্ৰকৃততে ধৰ্ম মানুহৰ মানসিক স্থিতিৰ ওপৰত নিৰ্ভৰ কৰে

## কুলহাটী ৰাইজৰ শতবাৰ্ষিকী সাৰ্বজনীন দুৰ্গাপূজা

অগ্ৰদূত বাৰ্তা

**হাজো, ২ অক্টোবৰ ঃ** কুলহাটী ৰাইজৰ শতবাৰ্ষিকী সাৰ্বজনীন দুৰ্গা পূজা ১১দিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে চলি আহিছে। কালি এখন মনোজ্ঞ ধৰ্মালোচনী সভা সম্পন্ন হয়। কুলহাটী গাঁও উন্নয়ন সমিতিৰ সভাপতি মনোমোহন দাসৰ সঞ্চালনাত অনুষ্ঠিত 'সনাতন ধৰ্মত দুৰ্গা পূজাৰ মহত্ত্ব' শীৰ্ষক ধৰ্মালোচনী সভাত আলোচকৰূপে অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, অসম ক্ষেত্ৰৰ বৌদ্ধিক প্ৰমুখ তথা বিশিষ্ট চিন্তাবিদ শংকৰ দাসে কয় যে ধৰ্মৰ এক সুদূৰপ্ৰসাৰী প্ৰভাৱে সমাজ আৱৰি আছে। প্ৰকৃততে ধৰ্ম মানুহৰ মানসিক স্থিতিৰ ওপৰত নিৰ্ভৰ কৰি আহিছে। সমাজত পূজা পাৰ্বণৰ এক সুকীয়া বৈশিষ্ট্য বিজড়িত হৈ আছে। ধৰ্মালোচনী সভাত কুলহাটী ৰাইজৰ শতবাৰ্ষিকী দুৰ্গা পূজা পৰিচালনা সমিতিৰ সভাপতি গোবিন্দ ভৰালী, মুখ্য সম্পাদক মনোজ দাসকে ধৰি কে'বাগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বিয়লি শতবাৰ্ষিকী পূজাৰ স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়। সভাত নৰেশ্বৰ দাস, ভৱেশ দাস, অৰূপজ্যোতি দাস, বেনুধৰ দাস, দিলীপ ঠাকুৰীয়া, হৰেন দাস, ধীৰেন দাস কমলাকান্ত দাসকে ধৰি ভালেমান বিশিষ্ট লোক উপস্থিত থাকে। ইয়াৰ আগেয়ে পুৱা আয়তীৰ নাম প্ৰসংগ অনুষ্ঠিত হয়। সন্ধিয়া বিল্ব বোধন, কল্পাৰম্ভ, ষষ্ঠীৰ বিহিত পূজা, দেৱীৰ আমন্ত্ৰণ আৰু শিল্পীৰ গীত-মাত অনুষ্ঠিত হয়।

# শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে দৰিদ্ৰৰ মাজত নতুন বস্ত্ৰ বিতৰণ সজল ফাউণ্ডেছনৰ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২ অক্টোবৰ ঃ** প্ৰতি বছৰৰ দৰে এইবেলিও সজল ফাউণ্ডেছনৰ তৰফৰ পৰা শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে বিটিচিৰ শ্ৰীৰামপুৰ সমষ্টিৰ শ্ৰীৰামপুৰ পাইপ লাইন, শ্ৰীৰামপুৰ কল'নী, মাটিয়াপাৰা, সাপকাটাত বসবাস কৰা হিন্দু ধৰ্মাৱলম্বী দৰিদ্ৰ পৰিয়ালৰ মহিলাসকলৰ মাজত সহস্ৰাধিক নতুন শাৰী বিতৰণ কৰে। সজল ফাউণ্ডেছনৰ মুখ্য পৰিচালন সঞ্চালক তথা বিটিচিৰ তিনি নম্বৰ শ্ৰীৰামপুৰ সমষ্টিৰ পাৰিষদ সজল কুমাৰ সিংহই নিজে উপস্থিত থাকি সমষ্টিটোৰ দৰিদ্ৰ ৰাইজক দুৰ্গাপূজাৰ প্ৰাক্ মুহূৰ্তত সহস্ৰাধিক পৰিয়ালক নতুন বস্ত্ৰ বিতৰণ কৰে। ইতিমধ্যে শ্ৰীৰামপুৰ সমষ্টিৰ ১৩টা ভিচিডিচিৰ অন্তৰ্গত হিন্দু বসতিপ্ৰধান গাঁৱৰ দৰিদ্ৰ পৰিয়ালৰ মহিলাসকলক নতুন শাৰী বিতৰণ কৰাত তেওঁলোকৰ মুখত হাঁহি বিৰিঙিছে। উল্লেখ্য যে তেওঁ প্ৰতিবছৰে বৰদিন আৰু ঈদৰ সময়তো দৰিদ্ৰ পৰিয়ালক নতুন বস্ত্ৰ বিতৰণ কৰাৰ উপৰি শীতকালত শীতবস্ত্ৰ বিতৰণ কৰে। ২০০৯ৰ পৰা তেওঁ এই কাম কৰি আহিছে আৰু ইয়াৰ লগত ৰাজনৈতিক কোনো সম্পৰ্ক নাই বুলি সিংহই সদৰী কৰে।

কিছুদিনৰ পাছতে শৰতে বিদায় ল'ব আৰু আগমন ঘটিব শীতৰ। সেয়েহে শীতৰ আগমনৰ পূৰ্বে পূজাৰ বজাৰৰ পৰা সংগ্ৰহ কৰি লওক এইকেইটা সামগ্ৰী

# শৰতৰ পাছতে শীতৰ হ'ব আগমন



■ শীতত আপোনাৰ ছালখন সিক্ত আৰু মসৃণ কৰি ৰাখিবলৈ সংগ্ৰহ কৰি লওক এটা ভাল ব্ৰেণ্ডৰ মইশ্চৰাইজাৰ ক্ৰীম বা লোচন। শীতৰ দিনকেইটাত ছালত সদায় মইশ্চৰাইজাৰ ক্ৰীম ব্যৱহাৰ কৰিব লাগে।

■ এইবাৰ ক্ৰয় কৰক শীতত ব্যৱহাৰৰ বাবে ভাল ব্ৰেণ্ডৰ লিপবাম বা লিপক্ৰীম। শীতত ওঁঠ ফটা সমস্যাৰ পৰা সকাহ পাবলৈ সদায় লিপবাম ব্যৱহাৰ কৰা উচিত।

■ শীতত চুলি ৰুক্ষ আৰু শুষ্ক হয়। সেয়েহে চুলিৰ বাবে ভাল ব্ৰেণ্ডৰ উফি প্ৰতিৰোধী হেয়াৰ ক্ৰীম সংগ্ৰহ কৰি লওক। ঘৰতে স্পা কৰিব বিচাৰিলে আপুনি স্পা ক্ৰীমো ক্ৰয় কৰিব পাৰিব।

■ শীততো ছানস্ক্ৰীণ লোচন ব্যৱহাৰ কৰা প্ৰয়োজন। সেয়েহে আপুনি ছানস্ক্ৰীণ লোচনো ক্ৰয় কৰিবলৈ নাপাহৰিব।

এনে কিছুমান কাম আছে, যিবিলাক দুৰ্গোৎসৱৰ সময়ত শাক্তধৰ্মীয়ে কৰা উচিত নহয়। পূজাৰ দিনকেইটাত কি কৰিব নালাগে আৰু কি কৰা উচিত জানো আহকচোন

# দুৰ্গা পূজাৰ দিনকেইটাত নকৰিব এইবোৰ কাম, হ'ব পাৰে বিপদ



অৱশেষত শৰতৰ আগমন ঘটিল। ইতিমধ্যে শাৰদীয় দুৰ্গোৎসৱৰ আৰম্ভ হ'ল। সকলোৱে এতিয়া পূজাৰ আনন্দত মতলীয়া। পূজাৰ এইকেইটা দিন সকলোৱে হাঁহি-স্ফূৰ্তিৰে অতিবাহিত কৰিব বিচাৰে। বিভিন্ন ধৰণৰ মুখৰোচক খাদ্য খোৱাৰ লগতে দেৱীৰ আশীৰ্বাদ ল'বলৈও সকলোৱে পূজা মণ্ডপত ভিৰ কৰে। ধৰ্মীয় বিশেষজ্ঞৰ মতে দুৰ্গা পূজাৰ চাৰিটা দিনত শাক্তধৰ্মী লোকসকলে কিছুমান নিয়ম-নীতি মানি চলা প্ৰয়োজন। এনে কিছুমান কাম আছে, যিবিলাক দুৰ্গোৎসৱৰ সময়ত শাক্তধৰ্মীয়ে কৰা উচিত নহয়। পূজাৰ দিনকেইটাত কি কৰিব নালাগে আৰু কি কৰা উচিত জানো আহকচোন।

## এইবোৰ কাম নকৰিব ঃ

■ দুৰ্গোৎসৱৰ চাৰিটা দিনত নখ আৰু চুলি কাটিব নালাগে। পুৰুষসকলে দাড়ি কটাৰ ক্ষেত্ৰতো এই নিয়ম মানি চলিব পাৰিব।

■ বিষ্ণু পুৰাণত উল্লেখ কৰা অনুসৰি দুৰ্গোৎসৱৰ এই সময়ত দিনৰ ভাগত নিদ্ৰাগ্ৰহণ কৰা অনুচিত। এই দিনকেইটাত শাক্তধৰ্মীৰ ক্ষেত্ৰত দিনত নিদ্ৰাগ্ৰহণ কৰাটো অশুভ বুলি গণ্য কৰা হয়।

■ পূজাৰ দিনকেইটাত আপোনাৰ ঘৰলৈ কোনো অতিথি আহিলে তেওঁলোকক কেতিয়াও অৱহেলা নকৰিব। ইয়াৰ ফলত আপোনাৰ অমংগল হ'ব পাৰে। অতিথিক আপ্যায়ন কৰাটো হিন্দুৰ কৰ্তব্য।

■ পূজাৰ দিনত কোনোবাই আপোনাক সহায় বিচাৰিলে বা ভিক্ষা বিচাৰিলে তেনে ব্যক্তিক কেতিয়াও বিমুখ নকৰিব। আপোনাৰ সামৰ্থ অনুযায়ী দান-দক্ষিণা কৰা উচিত।

■ দুৰ্গা পূজাত অনেক লোকে নিজৰ ঘৰত ঘট পতা আৰু প্ৰদীপ জ্বলোৱাৰ নিয়ম পালন কৰে। এই নিয়মৰ পালন যাতে সঠিকভাৱে কৰা হয় তাৰ প্ৰতি লক্ষ্য ৰাখিব। এবাৰ জ্বলোৱা চাকিগছি যাতে পূজাৰ আটাইকেইটা দিন জ্বলি থাকে তাৰ প্ৰতি সতৰ্কতা অৱলম্বন কৰক।

## তেন্তে পূজাৰ দিনকেইটাত কি কৰা উচিত?

■ পূজাৰ দিনকেইটাত সম্ভৱ হ'লে গংগাস্নান কৰক। যদিহে এয়া সম্ভৱ নহয়, তেন্তে আপুনি ঘৰতে স্নান কৰাৰ পাছত শৰীৰত সামান্য গংগাজল চটিয়াই লওক।

■ দেৱী দুৰ্গাৰ অঞ্জলি দিয়াৰ পাছত সন্তানৰ কপালত দৈ আৰু হালধিৰ ফোঁট দিয়ক। এই নীতি পালনৰে সন্তানৰ মংগল হ'ব।

■ পূজাৰ চাৰিটা দিনতে দেৱীৰ চৰণত অঞ্জলি দানৰ চেষ্টা কৰক। দিনত সম্ভৱ নহ'লে সন্ধি পূজাত অঞ্জলি দিয়াটো শাক্তধৰ্মীৰ বাবে জৰুৰী। ইয়াৰ জৰিয়তে আপোনাৰ পৰিয়ালৰ মংগল হ'ব।

■ দশমীৰ দিনা গুৰুজনক প্ৰণাম জনাবলৈ নাপাহৰিব। কাষৰ পূজা মণ্ডপলৈ গৈ পুৰোহিতৰ আশীৰ্বাদ গ্ৰহণ কৰক।



৯০ৰ দশকৰ ৰেট্ৰ' ষ্টাইলৰ ক্ৰপটপ, প্ৰিণ্টেড পেণ্ট, বেলবটম, প্ৰিণ্টেড ছাৰ্ট, পল্কাডট প্ৰিণ্টৰ টপৰেৰ ড্ৰেছ ২০২২ৰ পূজাৰ বজাৰত জনপ্ৰিয় হৈছে

# ৰেট্ৰ' ফেশ্বনৰ পুনৰ আগমন



পূজাৰ বজাৰত এইবাৰ ৰেট্ৰ' ফেশ্বনৰ বিশেষ ট্ৰেণ্ড প্ৰত্যক্ষ হৈছে। যোৱা শতিকাৰ মূলতঃ ৭০ দশকত বেলবটম, প্ৰিণ্টেড পেণ্ট, ক্ৰপ টপ, প'ল্কাডট প্ৰিণ্টৰ পোছাক যথেষ্ট জনপ্ৰিয় হৈছিল। ফেশ্বন জগতত এনে পোছাকক ৰেট্ৰ' ফেশ্বন বুলি কোৱা হয়। এইবাৰৰ পূজাৰ বজাৰত ৰেট্ৰ' ফেশ্বনৰ জনপ্ৰিয়তা প্ৰত্যক্ষ হৈছে। ফেশ্বন ডিজাইনাৰ কিয়াৰা সেনে এই সন্দৰ্ভত মন্তব্য কৰি কয়, '৯০ৰ দশকৰ ৰেট্ৰ' ষ্টাইলৰ সাজ-পোছাক ২০২২ৰ পূজাৰ বজাৰত জনপ্ৰিয় হৈছে। ক্ৰপটপ, প্ৰিণ্টেড পেণ্ট, বেলবটম, প্ৰিণ্টেড ছাৰ্ট, পল্কাডট প্ৰিণ্টৰ টপৰেৰ ড্ৰেছ এইবাৰৰ পূজাৰ ফেশ্বনত সৰ্বাধিক প্ৰচলিত। একে সময়তে পালাজ', জেকেট টাইপৰ ছাৰ্টৰ ফেশ্বনো জনপ্ৰিয় হৈছে। এইবাৰ একেই ৰঙৰ প্ৰিণ্টৰ টপ আৰু বটমৰেৰ পৰিধান কৰাটো ফেশ্বনত পৰিণত হৈছে। পৰম্পৰাগত পোছাকৰ ক্ষেত্ৰত কটনৰ চিকনকাৰী কৰা কুৰ্তি, পালাজ'ৰ স'তে দোপাট্টা পৰিধানৰ এক পেণ্ট জনপ্ৰিয় হৈছে।'





পৰম্পৰাগত শাড়ীৰ লগতে এইবাৰ পূজাৰ বজাৰত ককটেল, প্লিটেড, টাইডাই শাড়ীৰ চাহিদা বৃদ্ধি পাইছে। ফেশ্বন ডিজাইনাৰ জিত সত্যাই প্ৰকাশ কৰা অনুসৰি এতিয়া ফেশ্বন জগতত তাঁতৰ শাড়ীৰ চাহিদা তেনেই সীমিত। ইয়াৰ পৰিৱৰ্তে প্লিটেড, ককটেল, ছিফন, পল্কাডট, ষ্ট্ৰীপপ্ৰিণ্ট, টাইডাই, পেণ্ট শাড়ীৰ বিক্ৰী বৃদ্ধি পাইছে।

ডিজাইনাৰ তন্ময় বিশ্বাসে জনোৱা অনুসৰি ফ্ল'ৰেল প্ৰিণ্টৰ সাজপোছাক যুৱ প্ৰজন্মৰ মাজত আকৌ জনপ্ৰিয় হৈছে। ফ্ল'ৰেল প্ৰিণ্টৰ ছাৰ্ট, পালাজ'ৰ চাহিদা পূজাৰ বজাৰত যথেষ্ট প্ৰত্যক্ষ হৈছে। যুৱক-যুৱতী উভয়ে ফ্ল'ৰেল প্ৰিণ্টৰ পোছাকৰ প্ৰতি শৰতৰ বতৰত আকৰ্ষিত হৈছে।

পৰম্পৰাগত পৰিধান হিচাপে কুৰ্তা তথা পাঞ্জাৱী পূজাৰ বতৰত সদায়ে চাহিদাৰ শীৰ্ষত থাকে। বৰ্তমানে ফেশ্বন জগতত ডাৰ্ক কালাৰৰ কুৰ্তা, পাঞ্জাৱীৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। বিশেষকৈ ডেনিম জিনছৰ স'তে এনে কুৰ্তা বা পাঞ্জাৱী পৰিধান কৰিলে সুন্দৰ দেখি।

# কেজুৱেল জোতাই এতিয়া সকলোৰে পছন্দৰ



পুৰুষৰ জোতাৰ ফেশ্বন ট্ৰেণ্ডত এতিয়া কেজুৱেল জোতা অধিক প্ৰচলিত। বিশেষকৈ ৰাণিং শ্বু'ৰ জনপ্ৰিয়তা বৰ্তমানে বাঢ়িছে। অনলাইনত আজিকালি উন্নত মানৰ ৰাণিং শ্বু' পাঁচশ টকাৰ পৰাই উপলব্ধ। অৱশ্যে অলপ ভাল ব্ৰেণ্ডৰ হ'লে এহেজাৰ টকাৰ পৰাই ৰাণিং শ্বু' ক্ৰয় কৰিব পাৰিব। ব্লেক, ব্লু, নেভী ব্লু, ৰেড, গ্ৰে, গ্ৰীণ, য়েল্ল' ৰাণিং শ্বু' যিকোনো ট্ৰাউজাৰৰ স'তে পিন্ধিব পাৰিব।

পুৰুষৰ ফেশ্বনত স্প'ৰ্টছ শ্বু'ৰ জনপ্ৰিয়তা সদায়ে সমান। শৰতৰ এই বতৰত আপুনি নতুনকৈ জোতা কিনিব বিচাৰিলে স্প'ৰ্টছ শ্বু' নিৰ্বাচন কৰিব পাৰিব। স্প'ৰ্টছ শ্বু'ৰ মূল্যও অনলাইনত ফ্লিপ্‌কাৰ্ট, এমেজনৰ দৰে ছাইটত পাঁচশ টকাৰ পৰা সাধাৰণতে আৰম্ভ হয়। একেদৰে পূজাৰ বতৰত ভাল ব্ৰেণ্ডৰ স্প'ৰ্টছ শ্বু' অনলাইনত ৰেহাই মূল্যত এহেজাৰ টকাৰ পৰা ক্ৰয় কৰিব পাৰিব। স্প'ৰ্টছ জোতাৰ ফেশ্বনত সম্প্ৰতি ৰেড, ব্লেক, গ্ৰীণ, ব্লু ৰঙৰ সমাদৰ সৰ্বাধিক। একেদৰে বগা ৰঙৰ স্প'ৰ্টছ শ্বুৰ জনপ্ৰিয়তা সদায়ে দেখা যায়।



পুৰুষৰ জোতাৰ ফেশ্বনত আন এক আকৰ্ষণ হ'ল ল'ফাৰ্ছ। সাধাৰণতে পৰিধানৰ বাবে ল'ফাৰ্ছ অধিক সুবিধাজনক হয়। লেচ নাথাকে বাবে ল'ফাৰ্ছ সহজে পিন্ধিব আৰু খুলিব পাৰি। গ্ৰীণ, ব্লেক, ৰেড, ব্লুৰ নানা শ্বেডত ল'ফাৰ্ছ এতিয়া সৰ্বাধিক প্ৰচলিত। জিন্‌ছ, চিন'ছ, লাইক্ৰা, ফৰমেল ট্ৰাউজাৰৰ স'তেও ল'ফাৰ্ছ পিন্ধিব পাৰিব। অনলাইন শ্ব'পিঙত মাত্ৰ তিনিশ টকাৰ পৰাই এতিয়া ল'ফাৰ্ছ উপলব্ধ। ছিন্থেটিক, প'লিভিমকছ, লেডাৰ, ম'কাচিন, ছিন্থেটিক লেডাৰ আদি নানা ধৰণৰ মেটেৰিয়েলত ল'ফাৰ্ছ ক্ৰয় কৰিব পাৰিব।

এইবাৰ আহো স্নীকাৰ্ছৰ ফেশ্বন ট্ৰেণ্ডৰ কথালৈ। পুৰুষৰ জোতাৰ ফেশ্বনত স্নীকাৰ্ছ সদায় সমাদৃত। স্নীকাৰ্ছ অতি পাতল হোৱা বাবে পৰিধানৰ বাবে আৰামদায়ক। পুৰুষৰ ফেশ্বনত এতিয়া ব্ৰাইট স্নীকাৰ্ছ যথেষ্ট প্ৰচলিত। ব্লেক, ৰেড, য়েল্ল', ব্লু, গ্ৰীণ স্নীকাৰ্ছ শৰতৰ বতৰত জনপ্ৰিয় হৈছে। স্নীকাৰ্ছ জিনছ, চিন'ছ, লাইক্ৰা ট্ৰাউজাৰৰ স'তে পৰিধানৰ বাবে উপযোগী। স্নীকাৰ্ছ অনলাইন শ্ব'পিঙত পাঁচশ টকাৰ পৰা উপলব্ধ। অৱশ্যে ব্ৰেণ্ডেড স্নীকাৰ্ছৰ বাবে আপুনি ব্যয় কৰিব লাগিব কমেও এহেজাৰ টকা।

পুৰুষৰ মাজত কেজুৱেল জোতাৰ প্ৰচলন বাঢ়িলেও ফৰমেল জোতা সকলোৰে সংগ্ৰহত কমেও এযোৰ হ'লেও থাকে। বৰ্তমানে ফৰমেল জোতাৰ ফেশ্বন ট্ৰেণ্ডত শ্লিম ডিজাইনৰ জোতা অধিক জনপ্ৰিয় হৈছে। ব্লেক ফৰমেল জোতা পুৰুষৰ ফেশ্বনত সদায়ে প্ৰচলিত। কৰ্মক্ষেত্ৰৰ পৰিধান হিচাপে ব্লেক ফৰমেল জোতাৰ তুলনা নাই। এতিয়া অৱশ্যে ফৰমেল জোতাৰ ফেশ্বনতো নানা ৰঙৰ পয়োভৰ ঘটিছে। ব্ৰাউন, ডাৰ্ক ব্লাউন, ডাৰ্ক টান, অৰেঞ্জ, ৱাইন ৰেড, ব্লু ৰঙৰ ফৰমেল জোতাও বহুতে পছন্দ কৰিছে। সাধাৰণতে ফৰমেল জোতা লেডাৰৰ দ্বাৰা তৈয়াৰ কৰা হয় যদিও ম'কাচিন, ছিন্থেটিক লেডাৰ বা আন মেটেৰিয়েলৰ জোতাও ফৰমেল ফেশ্বন ট্ৰেণ্ডত জনপ্ৰিয় হৈছে।



পূজাৰ পাছতে আগমন ঘটিব শীতৰ। শীতত পৰিধানৰ বাবে বুট জোতা উপযোগী। শৰতৰ সময়ৰ পৰা বুট জোতা পিন্ধিবলৈ আৰামদায়ক। আপুনি পূজাৰ বজাৰত এযোৰ বুট জোতা সংগ্ৰহ কৰি ল'ব পাৰিব। বৰ্তমানে বুট জোতাৰ ফেশ্বনত মিড-হাই লেংথৰ বিগ ছ'লৰ ট্ৰেণ্ড জনপ্ৰিয় হৈছে। ৰঙৰ ক্ষেত্ৰত ডাৰ্ক টান, ব্ৰাউন, ৱাইন, ডাৰ্ক গ্ৰীণ, লাইট অৰেঞ্জ আৰু ব্লেকৰ প্ৰচলন সৰ্বাধিক প্ৰত্যক্ষ হৈছে। অনলাইনত এনে বুট জোতা সাতশ-আঠশ টকাৰ পৰাই উপলব্ধ যদিও ব্ৰেণ্ডেড বুট জোতা ৰেহাই মূল্যত ১,২০০-১,৫০০ টকাৰ পৰা কিনিব পাৰিব।

# উভতি আহিছে ডেনিম জেকেটৰ ফেশ্বন

পূজাৰ বতৰতে ফেশ্বন জগতত কিছু নতুনত্বৰ আগমন ঘটিল। পুৰুষৰ ফেশ্বনত শেহতীয়াভাৱে ডেনিম জেকেটৰ ট্ৰেণ্ড জনপ্ৰিয় হৈছে। পূজাৰ পাছতে শীতৰ আগমন ঘটিব আৰু সৰহ সংখ্যক ফেশ্বন ডিজাইনাৰৰ মতে এইবাৰৰ শীতৰ দিনকেইটাত কেজুৱেল ডেনিম জেকেটৰ প্ৰচলন বৃদ্ধি পাব। বজাৰত ইতিমধ্যে ব্ৰাইট আৰু নিউট্ৰেল ৰঙৰ ডেনিম জেকেট ভৰি পৰিছে। ডেনিম জেকেটৰ ফেশ্বন ট্ৰেণ্ডত ৰঙৰ কিছু বিশেষত্ব এইবাৰ প্ৰত্যক্ষ হ'ব। পূৰ্বতে ডেনিম জেকেট বুলি ক'লেই ব্লু আৰু ব্লেক ৰঙৰ জেকেটৰ প্ৰচলন সৰ্বাধিক হৈছিল। কিন্তু এইবাৰৰ শীতত উজ্জ্বল ৰঙৰ ডেনিম জেকেট অধিক প্ৰচলিত হোৱাৰ সম্ভাৱনা আছে। ফেশ্বন ডিজাইনাৰৰ মতে গ্ৰীণ, ৰেড, ৱাইন ৰেড, য়েল্ল'ৰ বিভিন্ন শ্বেডৰ জিনছ জেকেট শীতত অধিক জনপ্ৰিয় হ'ব। ইয়াৰ লগতে ডেনিম জেকেটৰ ফেশ্বনত জনপ্ৰিয়তা অটুট থাকিব ব্লেক আৰু ডীপ ব্লু ৰঙৰ।







# ফৰমেল, ডেনিম নে লাইক্ৰা পেণ্ট



পূজাৰ বতৰত পুৰুষৰ 'বটম্‌ৱেৰ' অৰ্থাৎ পেণ্ট তথা ট্ৰাউজাৰৰ ফেশ্বন ট্ৰেণ্ডত কিছু নতুনত্ব প্ৰত্যক্ষ হৈছে। এতিয়া পুৰুষৰ ফেশ্বনত কেজুৱেল পেণ্টৰ জনপ্ৰিয়তা সৰ্বাধিক। কেজুৱেল পেণ্ট তথা ট্ৰাউজাৰৰ বিক্ৰী এইবাৰৰ পূজাৰ বজাৰত অধিক হৈছে। অৱশ্যে ইয়াৰ মাজতো ফেশ্বনত ফৰমেল পেণ্টৰ আকৰ্ষণো অটুট আছে। আহকচোন পূজাৰ বতৰত জানি লওক পুৰুষৰ পেণ্ট বা ট্ৰাউজাৰৰ ফেশ্বন ট্ৰেণ্ডৰ সবিশেষ—

এইবাৰৰ পূজাৰ ফেশ্বনত পুৰুষৰ কেজুৱেল 'বটমৱেৰ'ৰ অন্যতম এক নুতুনত্ব হৈছে কেজুৱেল লাইক্ৰা ট্ৰাউজাৰ। লাইক্ৰা বা আন ছিন্থেটিক ফেব্ৰিকৰে তৈয়াৰ কৰা এনেবোৰ কেজুৱেল ট্ৰাউজাৰৰ স'তে ট্ৰেক পেণ্টৰ সাদৃশ্য আছে। কিন্তু এই পেণ্ট সম্পূৰ্ণ কেজুৱেল ট্ৰাউজাৰৰ ডিজাইনত চেইন আৰু পকেটসহ তৈয়াৰ কৰা হৈছে। বিভিন্ন উজ্জ্বল ৰঙৰ লগতে নিউট্ৰেল ৰঙতো কেজুৱেল লাইক্ৰা পেণ্ট বজাৰত উপলব্ধ। গ্ৰীণ, হেনা গ্ৰীণ, ব্লেক, ৱাইন ৰেড, খাকী, গ্ৰে, ব্লু ৰঙৰ লাইক্ৰা ট্ৰাউজাৰ যথেষ্ট বিক্ৰী হৈছে। কেজুৱেল লাইক্ৰা পেণ্টৰ অন্যতম বৈশিষ্ট্য হৈছে ই অতি পাতল ওজনৰ। শীতত এনে পেণ্ট পিন্ধিবলৈ যথেষ্ট আৰামদায়ক। অনলাইনত বিভিন্ন ৱেবছাইটৰ পৰা পৰা লাইক্ৰা কেজুৱেল পেণ্ট সহজে ক্ৰয় কৰিব পাৰিব। ফ্লিপকাৰ্টত এনে পেণ্ট তিনিশ টকা মানৰ পৰাই উপলব্ধ। এনে পেণ্টৰ স'তে কেজুৱেল ল'ফাৰ্ছ জোতা আৰু ফুল শ্লিভৰ কনট্ৰাষ্ট টি-ছাৰ্ট পৰিধান কৰিলে সুন্দৰ লাগে।



■ পুৰুষৰ ফেশ্বনত ডেনিম অৰ্থাৎ জিন্‌ছৰ কদৰ তথা জনপ্ৰিয়তা সদায়ে সমান। জিন্‌ছৰ ফেশ্বনত এতিয়া শ্লিম্ ফিট আৰু স্কীনী জিনছৰ প্ৰচলন অধিক। ডীপ বা ডাৰ্ক ব্লু জিন্‌ছ এতিয়া সৰ্বাধিক প্ৰচলিত। ফেডেড ব্লু ডেনিমৰ বিক্ৰীও পূজাৰ বজাৰত ভালেই। একে সময়তে ব্লেক আৰু গ্ৰে জিন্‌ছ সদা প্ৰচলিত হৈ আহিছে। শেহতীয়াভাৱে গ্ৰীণৰ নানা শ্বেড জিন্‌ছৰ ফেশ্বনত জনপ্ৰিয় হৈছে। ৱাইন কালাৰৰ জিনছো নতুনকৈ পূজাৰ বতৰতে সমাদৃত হৈছে। ব্ৰেণ্ডেড জিনছো এতিয়া অনলাইনত যথেষ্ট ৰেহাই মূল্যত উপলব্ধ হৈছে। এমেজন, ফ্লিপকাৰ্টৰ দৰে ছাইটত পাঁচশ টকাৰ পৰাই ডেনিম জিন্‌ছৰ সম্ভাৰ উপলব্ধ। অৱশ্যে জিন্‌ছ ক্ৰয়ৰ ক্ষেত্ৰত ব্ৰেণ্ডক অগ্ৰাধিকাৰ দিয়া ভাল। ব্ৰেণ্ডেড জিন্‌ছৰ ফেব্ৰিক আৰু ফিটিং ভাল হয়। এইবাৰৰ পূজাৰ দিনকেইটাত আপুনিও পৰিধান কৰিব পাৰিব শ্লিম আৰু স্কীনী ফিটৰ জিন্‌ছ।

■ ফৰমেল পেণ্ট বা ট্ৰাউজাৰ পুৰুষৰ ফেশ্বনত সদায়ে জনপ্ৰিয়। সাধাৰণতে কৰ্মক্ষেত্ৰৰ পৰিধান অৰ্থাৎ 'অফিচ ৱেৰ' হিচাপে ফৰমেল ট্ৰাউজাৰৰ প্ৰচলন অধিক। কিন্তু পূজাৰ দৰে উৎসৱৰ বতৰতো আপুনি ফৰমেল ট্ৰাউজাৰ পিন্ধিব পাৰিব। ফৰমেল ট্ৰাউজাৰ ফেশ্বনতো এতিয়া শ্লিম ফিটৰ পেণ্ট সৰ্বাধিক প্ৰচলিত। কটনৰ লগতে পলিয়েষ্টাৰ, মিক্সড কটন আৰু ছিন্থেটিক ফেব্ৰিকৰ ফৰমেল পেণ্ট এতিয়া যথেষ্ট জনপ্ৰিয়। ব্লেক, গ্ৰে, ব্লু, ৱাইন, লাইট গ্ৰীণ, নেভী ব্লু ৰঙৰ ফৰমেল ট্ৰাউজাৰ সদায়ে পৰিধান কৰিব পাৰি। ফৰমেল ট্ৰাউজাৰৰ স'তে সাধাৰণতে ফৰমেল ছাৰ্ট পৰিধান কৰিলে ভাল দেখি। পেণ্টৰ ৰং ডাৰ্ক হ'লে লাইট ৰঙৰ ছাৰ্ট আৰু পেণ্ট পাতল ৰঙৰ হ'লে ডাৰ্ক ৰঙৰ ছাৰ্ট পৰিধান কৰক। ফৰমেল পেণ্টৰ স'তে বেল্টো পৰিধান কৰিব লাগে।





■ কটনৰ চিন'ছ ট্ৰাউজাৰ হিচাপে ফেশ্বন জগতত যথেষ্ট সমাদৃত। শৰতৰ বতৰত আপুনি নতুন ট্ৰাউজাৰ ক্ৰয় কৰিলে কটন চিন'ছকো নিৰ্বাচন কৰিব পাৰিব। সাধাৰণতে নিউট্ৰেল ৰঙৰ চিন'ছ অধিক জনপ্ৰিয়। কিন্তু এতিয়া ফেশ্বন জগতত ডাৰ্ক ৰঙৰ কটন চিন'ছৰ ট্ৰেণ্ড চলিছে। পূজা বুলি যদি কটন চিন'ছ ক্ৰয়ৰ কথা ভাবিছে, তেন্তে এইবাৰ আপুনি ডাৰ্ক ৰঙৰ ট্ৰাউজাৰ নিৰ্বাচন কৰক। গ্ৰীণ, হেনা গ্ৰীণ, খাকী, ব্লেক, গ্ৰে, ৱাইন, ব্লু, ডাৰ্ক ব্লু ৰঙৰ কটন চিন'ছ শৰতৰ বতৰত পিন্ধাৰ বাবে আকৰ্ষণীয় হ'ব।

■ এইবাৰ ট্ৰাউজাৰৰ ফেশ্বনত প্ৰিণ্টেড পেণ্টৰ ট্ৰেণ্ড জনপ্ৰিয় হৈছে। নানা ধৰণৰ প্ৰিণ্টেড ট্ৰাউজাৰ পুৰুষৰ ফেশ্বনত প্ৰচলিত হৈছে। পলিয়েষ্টাৰ, মিক্সড কটন আৰু লাইক্ৰা ফেব্ৰিকৰ ট্ৰাউজাৰ এতিয়া ভিন্ন প্ৰিণ্টত বজাৰত উপলব্ধ। এনে ট্ৰাউজাৰ কেজুৱেল ৱেৰ হিচাপে জনপ্ৰিয় হৈছে। আপুনি যদি কেজুৱেল ফেশ্বনৰ নতুন ট্ৰেণ্ডৰ প্ৰতি আগ্ৰহী তেন্তে নিশ্চিতভাৱে প্ৰিণ্টেড কেজুৱেল ট্ৰাউজাৰ পূজাত পৰিধানৰ বাবে ক্ৰয় কৰিব পাৰে। পূজাৰ পাছতে যিহেতু শীত, সেয়েহে শীতৰ দিনটো পিন্ধাৰ বাবে আৰামদায়ক আৰু ফেশ্বনেবল হ'ব প্ৰিণ্টেড কেজুৱেল ট্ৰাউজাৰ।



### গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়া ঃ ৰূপৰ পদক পালে বিক্ৰমে

# সাঁতোৰত অভিলেখ গঢ়ি আস্থাৰ সোণ



**ৰাজকোট, ২ অক্টোবৰ ঃ** চলিত 36 সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ খেলুৱৈৰ পদক জয়ৰ গৌৰৱময় সফলতা অব্যাহত আছে। আজি অসমে সাঁতোৰত এটা সোণ আৰু এটা ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ নতুন অভিলেখ গঢ়ি মহিলাৰ 100 মিটাৰ ৱাটাৰ ফ্লাইত সোণ লাভ কৰিছে অসমৰ জলপৰী আস্থা চৌধুৰীয়ে। 1.03.37 ছেকেণ্ড সময়ৰে শ্ৰেষ্ঠত্ব অৰ্জন কৰে আস্থাই। উল্লেখ্য যে এয়া ৰাষ্ট্ৰীয় ক্ৰীড়াৰ মহিলাৰ 100 মিটাৰ ৱাটাৰ ফ্লাইৰ নতুন অভিলেখ। আস্থাই চাৰি ঘণ্টা পূৰ্বে হিটছত গঢ়া নিজৰ অভিলেখে ফাইনেলত ভংগ কৰে। উল্লেখ্য যে হিটছত আস্থাই 1.03.91 ছেকেণ্ড সময় লৈ 11 বছৰ পূৰ্বে ঝাৰখণ্ড ৰাষ্ট্ৰীয় ক্ৰীড়াত ৰিছা মিশ্ৰই গঢ়া অভিলেখ আজি ভংগ কৰিবলৈ সক্ষম হয়। ৰিছাৰ সময় আছিল 1.04.41 ছেকেণ্ড। উল্লেখ্য যে মহিলাৰ 100 মিটাৰ ৱাটাৰ ফ্লাইৰ ৰাষ্ট্ৰীয় অভিলেখ অসম কন্যাৰ নামতে আছে। গুৱাহাটীত অনুষ্ঠিত ছিনিয়ৰ ৰাষ্ট্ৰীয় সাঁতোৰত আস্থাই 1.03.07 ছেকেণ্ডৰে মহিলাৰ 100 মিটাৰ ৱাটাৰ ফ্লাইৰ ৰাষ্ট্ৰীয় অভিলেখ গঢ়িবলৈ সক্ষম হৈছিল। ইফালে, আস্থাৰ সোণৰ লগতে আজি সাঁতোৰত অসমক দ্বিতীয়টো পদক দিয়ে বিক্ৰম চাংমায়ে পুৰুষৰ 100 মিটাৰ ৱাটাৰ ফ্লাইত ৰূপৰ পদক লাভ কৰি। 55.73 ছেকেণ্ড সময় লয় বিক্ৰমে। উল্লেখ্য যে গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ যিসকল খেলুৱৈৰ পৰা ৰাজ্যবাসীয়ে সোণৰ পদক আশা কৰিছিল তাৰভিতৰত অন্যতম হ'ল সাঁতোৰবিদসকল। উল্লেখ্য যে দীৰ্ঘ সময়ৰ পাছত সাঁতোৰত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় স্তৰত উজ্বলি উঠিবলৈ সক্ষম হৈছে অসম তিনিগৰাকী নৱাগত সন্তৰণবিদ। আস্থা চৌধুৰী, শিৱাংগী শৰ্মা আৰু বিক্ৰম চাংমায়ে বিগত সময়ছোৱাত ধাৰাবাহিকতা ৰক্ষা কৰি ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক অৰ্জনৰে গৌৰৱময় সফলতা লাভ কৰাৰ লগতে অসমৰ ক্ৰীড়াজগত বিশেষকৈ সাঁতোৰক্ষেত্ৰলৈ নতুন আশা লৈ আনিছে। বিগত দুখন খেলো ইণ্ডিয়া গেমছত আস্থা, শিৱাংগী আৰু বিক্ৰমে শ্ৰেষ্ঠত্ব প্ৰদৰ্শনেৰে সোণ লাভ কৰাৰ পাছত এতিয়া ছিনিয়ৰ পৰ্যায়তো অদমনীয় প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। গুৱাহাটীত সদ্য সমাপ্ত ৰাষ্ট্ৰীয় সাঁতোৰ প্ৰতিযোগিতাত আস্থা আৰু শিৱাংগীয়ে নতুন অভিলেখ গঢ়ি সোণ জয় কৰিছিল। অৱশ্যে আঘাতৰ বাবে আজি শিবাংগীয়ে অংশ ল'ব নোৱাৰিলে। কিন্তু অহা চাৰি অক্টোবৰত শিবাংগীয়ে খেলিব বুলি অসম সাঁতোৰ সন্থাৰ সম্পাদক ভাস্কৰ দাসে জনাইছে। ইফালে, পদকজয়ী আস্থা আৰু বিক্ৰমক অভিনন্দন জনাইছে অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱাল আৰু সম্পাদক লক্ষ্য কোঁৱৰে।



### প্ৰথম ভাৰতীয় হিচাপে টি-২০ ত বিৰাটৰ ১১ হেজাৰ

# দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টীম ইণ্ডিয়াৰ ২৩৭-৩ ৰাণ

**গুৱাহাটী, ২ অক্টোবৰ ঃ** প্ৰথম মেচৰ চমকপ্ৰদ বিজয়ৰ পাছত ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাৰ দ্বিতীয়খন মেচতো বেটিং বিক্ৰম প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। আজি গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মেচত টছত হাৰি বেটিং কৰা ভাৰতে 20 অভাৰত তিনি উইকেট হেৰুৱাই 237 ৰাণ কৰে। ভাৰতক বিস্ফোৰক আৰম্ভণি দিয়ে দুই অপেনাৰ লোকেছ ৰাহুল আৰু ৰোহিত শৰ্মাই। ছয় অভাৰতে দলীয় অৰ্ধশতক পূৰ্ণ কৰে দুই ভাৰতীয় বেটাৰে। কিন্তু শতকীয় যুটি হোৱাৰ পূৰ্বে অধিনায়ক ৰোহিতে 37 বলত 43 ৰাণ কৰি আউট হয়। বিপৰীতে যোৱা মেচত অপৰাজিত অৰ্ধশতক অৰ্জন কৰা ৰাহুলে আজিও চাৰিটা ছিক্সাৰেৰে ইনিংছ সজাই 28 বলত 57 ৰাণ কৰি পেভিলিয়নমুখী হয়। দুই অপেনাৰে 96 ৰাণৰ যুটি কৰাৰ পাছত উইকেটলৈ অহা বিৰাট কোহলি আৰু সূৰ্যকুমাৰ যাদৱে আৰম্ভ কৰে বেটিং তাণ্ডৱ। যোৱা মেচত অপৰাজিত অৰ্ধশতক অৰ্জন কৰা সূৰ্যই আজিও আৰম্ভণিৰ পৰাই বলাৰক প্ৰহাৰ কৰি ইনিংছ আগুৱাই নিয়ে। 18 বলতে অৰ্ধশতক পূৰ্ণ কৰা সূৰ্যই 22 বলত পাঁচটা ছিক্সাৰসহ 61 ৰাণ কৰি দুৰ্ভাগ্যজনকভাৱে ৰাণ আউট হয়। কিন্তু বিৰাটৰ লগত 102 ৰাণৰ যুটি বান্ধি দলক শক্তিশালী স্থিতি দিয়ে। ইফালে, বিৰাটে এক ৰাণৰ বাবে অৰ্ধশতক কৰিব নোৱাৰিলে। 28 বলত অপৰাজিত 49 ৰাণ কৰা কোহলিয়ে কিন্তু আজি বৰ্ষাপাৰত 19 ৰাণ কৰাৰ লগে লগে টি-20 ত প্ৰথম ভাৰতীয় হিচাপে 11 হেজাৰ ৰাণ পূৰ্ণ কৰাৰ গৌৰৱ লাভ কৰে। উল্লেখ্য যে 354 খন মেচত 11 হেজাৰ ৰাণ কৰি দ্ৰুততম বেটাৰ হোৱাৰ সফলতাও লাভ কৰে বিৰাটে। দক্ষিণ আফ্ৰিকাৰ হৈ কেশৱ মহাৰাজে দুটা উইকেট পায়।

# শীৰ্ষ হৈ ২০০ মিটাৰৰ ছেমিফাইনেলত অম্লান, নতুন আশাৰে ফাইনেলত হিমা

**গান্ধীনগৰ, ২ অক্টোবৰ ঃ** চলিত 36 সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত সোণ অৰ্জন কৰি অসমক প্ৰথমটো পদক দিয়া ভাৰতীয় এথলেটিকছৰ নৱাগত চাঞ্চল্য অম্লান বৰগোহাঁয়ে নিজৰ দ্বিতীয়টো স্বৰ্ণ জয়ৰ লক্ষ্যৰে অহা চাৰি অক্টোবৰত পুনৰ ট্ৰেকত দৌৰিব। উল্লেখ্য যে আজি শীৰ্ষস্থানৰে 200 মিটাৰৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে অসম সন্তান অম্লানে। গান্ধীনগৰৰ আই আই টি ক্ৰীড়া প্ৰকল্পত আজি অনুষ্ঠিত হোৱা পুৰুষৰ 200 মিটাৰ দৌৰৰ হিটছত অম্লানে 21.20 ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। অহা চাৰি অক্টোবৰত পুৰুষৰ 200 মিটাৰ দৌৰৰ ছেমিফাইনেল আৰু ফাইনেল হ'ব। আজিৰ প্ৰদৰ্শনৰ পৰাই অনুমেয় যে অম্লানৰ জড়িয়তে অসমে এথলেটিকছত আৰু এটা সোণ লাভ কৰাটো প্ৰায় নিশ্চিত। উল্লেখ্য যে ইয়াৰপূৰ্বে কালি পুৰুষৰ 100 মিটাৰত অম্লানে 10.38 ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি সোণ অৰ্জন কৰিবলৈ সক্ষম হৈছিল। অম্লানে 200 মিটাৰতো 20.52 ছেকেণ্ডৰে চলিত বৰ্ষতে ৰাষ্ট্ৰীয় অভিলেখ গঢ়িছে। ইফালে, অম্লানৰ লগতে আজি হোৱা মহিলাৰ 200 মিটাৰ দৌৰৰ হিটছত অংশ লৈ ফাইনেলত স্থান নিশ্চিত কৰিছে অসমৰ হিমা দাসেও। 23.98 ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি দ্বিতীয় স্থানত থাকি ফাইনেলত প্ৰৱেশ কৰে ধিং এক্সপ্ৰেছে। অহা অহা চাৰি অক্টোবৰত মহিলাৰো 200 মিটাৰ দৌৰৰ ফাইনেল হ'ব। উল্লেখ্য যে কালি 100 মিটাৰৰ ফাইনেলত হতাশাজনক প্ৰদৰ্শন কৰা হিমাই জীৱনৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ লৈছে তথা পদক অৰ্জনৰ বাবে এয়াই হ'ব অন্তিম সুযোগ। অৰ্জন বঁটাৰে সন্মানিত এছিয়ান গেমছৰ পদকজয়ী হিমা 200 মিটাৰত শ্ৰেষ্ঠ সময় হ'ল 22.88 ছেকেণ্ড।







### অঘটনৰ পৰম্পৰা গুৱাহাটীৰ আন্তৰ্জাতিক মেচত

# বৰ্ষাপাৰত বৰষুণ-খেলপথাৰত সাপ

**গুৱাহাটী, ২ অক্টোবৰ ঃ** অঘটন অবিহনে যেন আন্তৰ্জাতিক মেচ নহয় গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত। আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টি-20 শৃংখলাৰ দ্বিতীয়খন মেচতো পূৰ্বৰ দৰেই অপ্ৰত্যাশিত ঘটনা ঘটিল গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত। বৰ্ষাপাৰত প্ৰথমে বৰষুণ আৰু তাৰপাছত খেলপথাৰত ওলাল সাপ। মেচ আৰম্ভ হ'বলৈ প্ৰায় 30 মিনিট বাকী থকা সময়তে এজাক কিনকিনিয়া বৰষুণে জিপাল কৰিলে বৰ্ষাপাৰা। অৱশ্যে পাঁচ মিনিটৰ ভিতৰতে সমাপ্ত হ'ল। এ চি এ আমেৰিকাৰ পাৰ অনা ক'ভাৰ দিবলৈ সময়ে নাপালে। তাৰপাছত সময় অনুসৰি মেচ আৰম্ভ হ'ল যদিও সাত অভাৰ সমাপ্ত হোৱাৰ লগে লগে মেচ হঠাতে বন্ধ হৈ পৰিল। সকলো আচৰিত। কি কাৰণত বন্ধ হ'ল মেচ? তেতিয়া উইকেটত ৰোহিত-ৰাহুলৰ বেটিং বিক্ৰম চলি আছিল। কিন্তু দক্ষিণ আফ্ৰিকাৰ পেভিলিয়নৰ বাওফালে থকা ফিল্ডাৰ তিনিজন মাজলৈ দৌৰি আহিল। ষ্টেডিয়ামৰ বিগ এল চি ডিত দেখা গ'ল



খেলপথাৰত এটা সাপ। প্ৰায় চাৰি মিনিট মেচ বন্ধ। পাছত গ্ৰাউণ্ডছ মেন আহি সাপ ধৰি লৈ গ'ল। উল্লেখ্য যে এয়া গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত চতুৰ্থ আন্তৰ্জাতিক মেচ। ইয়াৰপূৰ্বে পৰিত্যক্ত ভাৰত-শ্ৰীলংকা মেচত ফুটা উইকেট ক'ভাৰ তথা হেয়াৰ ড্ৰায়াৰেৰে ভিজা উইকেট শুকান কৰাৰ ঘটনা সকলোৰে মনত আছে। অষ্ট্ৰেলিয়া দলৰ বাছত শিল গুটি নিক্ষেপৰ ঘটনাও কোনোৱে পাহৰা নাই। বৰ্ষাপাৰাৰ মেচ মানেই অঘটন। এইবাৰো অঘটন মুক্ত নহ'ল।

# আন্ত গাঁও পঞ্চায়ত ফুটবলত বৰবাম বিজয়ী

**অগ্ৰদূত বাৰ্তা,ডিমৌ,২ অক্টোবৰ ঃ** থাওৰা বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টি থাওৰা মণ্ডল যুৱ মৰ্চা, ডিমৌ নগৰ মণ্ডল যুৱ মৰ্চাৰ উদ্যোগত তথা থাওৰা মণ্ডল, ডিমৌ নগৰ মণ্ডল সমিতি আৰু ৰাইজৰ সহযোগত চতুৰ্থ বাৰ্ষিক আন্তঃগাঁও পঞ্চায়ত প্ৰাইজমনি ফুটবল প্ৰতিযোগিতা খনিৰ আজি চূড়ান্ত খেলখন ৰূপজ্যোতি গাঁও পঞ্চায়ত বনাম বৰবাম গাঁও পঞ্চায়ত মাজত অনুষ্ঠিত হয় । খেলখনত বৰবাম গাওঁ পঞ্চায়তে ৰূপজোতি গাওঁ পঞ্চায়তক 3-1 গলৰ ব্যৱধানত পৰাজিত কৰে। আজি খেলখনত অসম চৰকাৰৰ মন্ত্ৰী বিমল বড়া,থাওৰাৰ বিধায়ক সুশান্ত বৰগোঁহাই, প্ৰাক্তন বিধায়ক কুশল দুৱৰী আদি উপস্থিত থাকে ।

# খেলপথাৰতে দূৰ্গা পূজাৰ আনন্দ ল'লে তিনি ক্ৰিকেটাৰে

**গুৱাহাটী, ২ অক্টোবৰ ঃ** মহাসপ্তমীৰ দিনাই গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত টি-20 মেচ। সেয়ে বৰ্ষাপাৰা ষ্টেডিয়ামতে দূৰ্গা পূজা পালন কৰিলে তিনি ভাৰতীয় প্ৰাক্তন ক্ৰিকেটাৰে। উল্লেখ্য যে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত আজি গুৱাহাটীত হোৱা তিনিখনীয়া টি-20 শৃংখলাৰ দ্বিতীয়খন মেচৰ বাবে ধাৰাভাষ্যকাৰ হিচাপে মহানগৰীলৈ আহিছে তিনি ভাৰতীয় প্ৰাক্তন ক্ৰিকেটাৰ সুনীল গাভাস্কাৰ, ৰবী শাস্ত্ৰী আৰু অজিত আগৰকাৰ। তিনিওজন মাৰাঠী। গণপতি উৎসৱ তেওঁলোকৰ বাবে অধিক আনন্দৰ। কিন্তু দূৰ্গা পূজাৰ সময়ত গুৱাহাটীত মিঠাই খাই মহাসপ্তমীৰ আনন্দ ল'লে গাভাস্কাৰ, শাস্ত্ৰী আৰু আগৰকাৰে।



# ৰেজেক আলী ফুটবলত ছানৰাইজ ক্লাব চেম্পিয়ন

**অগ্ৰদুত বাৰ্তা, ঘগ্ৰাপাৰ, ২ অক্টোবৰ ঃ** ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত ঘগ্ৰাপাৰ হাইস্কুল খেল পথাৰত চলি থকা 56 সংখ্যক ৰেজেক আলী সোঁৱৰণী চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত তীব্ৰ উত্তেজনাপূৰ্ণ ফাইনেল খেল খনত ডিমাকুছি চানৰাইজ ক্লাৱে 3-0 গলত আৰ ডি এচ এ ৰঙিয়াক পৰাজিত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। খেলৰ অন্তত বিজয়ী দলক নগদ 30 হেজাৰ টকা আৰু ট্ৰফীৰ বিপৰীতে বিজেতা দলক নগদ 20 হেজাৰ টকা আৰু ট্ৰফী প্ৰদান কৰা হয় । ক্ৰীড়া সন্থাৰ সম্পাদক তফিকুৰ ৰহমানে আঁত ধৰা অনুষ্ঠানটিত খেলখন উদ্বোধন কৰে সাংসদ দিলীপ শইকীয়াই ।অতিথি হিচাপে উপস্থিত থাকে তফিকউদ্দিন আহমেদ, অভিনেতা নয়ন লীলিম, প্ৰয়াত ৰেজেক আলীৰ বৰপুত্ৰ তাইজুদ্দিন আহমেদ,বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা আদিয়ে । খেলখন পৰিচালনা কৰে দুলু তালুকদাৰে। লাইনত সহায় কৰে গকুল কলিতা আৰু আনচাৰ উদ্দিন আহমেদে । চতুৰ্থ ৰেফাৰীৰ আসনত থাকে ধ্ৰুৱ কলিতা । শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে ডিমাকুছি ক্লাৱৰ ললিত মুচাহাৰীয়ে । শ্ৰেষ্ঠ গ'ল ৰক্ষকৰ বঁটা লাভ কৰে শশাংক বৈশ্যই।



# প্ৰাইজমানি ফুটবল আৰম্ভ

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ২ অক্টোবৰ ঃ** নগাঁও জিলাৰ কাছমাৰী আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত পলাশতল কাছমাৰী হাইস্কুল খেলপথাৰত আজিৰে পৰা এখনি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা আৰম্ভ হৈছে। নগাঁও আৰু মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ মুঠ 14 টা দলে যোগদান কৰা এই প্ৰতিযোগিতাৰ উদ্বোধনী খেলত কাছমাৰী ফুটবল ক্লাব দলে চকলাঘাট এছ ডি দলক ছাডেন ডেথযোগে 5-4(গলত পৰাজিত কৰে। নিৰ্ধাৰিত সময়ত গলশূণ্যভাৱে থকা খেলখনৰ টাইব্ৰেকাৰত কাছমাৰী এফ চিৰহৈ বিকাশ দেউৰী, নয়নজ্যোতি কোঁৱৰ, মানস কোঁৱৰ আৰু মৃগাংক মছৰঙে গল দিয়াৰ বিপৰীতে চকলাঘাট এছ.ডি দলৰহৈ লিকু বৰদলৈ, ছাবিৰ বৰদলৈ, ধন বৰদলৈ আৰু মনোজ বৰদলৈয়ে গলকেইটা দিয়ে। টাইব্ৰেকাৰতো খেলখন ড্ৰ হৈ থকাত ছাডেন ডেথত কাছমাৰী এফ চি-ক্সএক্সৰ হৈ সুমন ডেকাই নিৰ্ণায়ক গলটো স্কৰ কৰে। বিশিষ্ট সমাজকৰ্মী হেমন্ত কোঁৱৰে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা প্ৰতিযোগিতাৰ আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী বিপ্লৱ কোঁৱৰক সহায় কৰে সমীৰ বৰদলৈ, বিষ্ণু বৰদলৈ আৰু কণ্ঠিৰাম ৰাজাই। উদ্বোধনী অনুষ্ঠানত সমাজকৰ্মী অমিয় কুমাৰ ডেকা, স্বৰূপ ডেকা, প্ৰাঞ্জল ডেকা, বসন্ত দুৱৰা, চন্দ্ৰমোহন ডেকা, দিলীপ ডেকা, হিতৰাম কোঁৱৰ, তিলক ডেকা আদি উপস্থিত থাকে।

# মুকালমুৱা ছেমিত

**অগ্ৰদূত বাৰ্তা,বাহাৰঘাট,২ অক্টোবৰ ঃ** নলবাৰী জিলাৰ অন্যতম ক্ৰীড়ানুষ্ঠান বৰভাগ ইউনাইটেড স্প'ৰ্টচ ক্লাৱৰ উদ্যোগত আয়োজিত ডাঃ ৰামদত্ত বুজৰবৰুৱা আৰু ভূপেন শৰ্মা সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ আজিৰ তৃতীয় খন কোৱাৰ্টাৰ ফাইনেল মানিকপূৰ ক্ৰীড়া সংঘ আৰু মুকালমুৱা আঞ্চলিক ক্ৰীড়া সংঘৰ মাজত অনুষ্ঠিত হয়। খেলখনত মুকালমুৱা ক্ৰীড়া সংঘই মানিকপূৰ ক্ৰীড়া সংঘক 4-0 গলত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। খেলখন পৰিচালনা কৰে ৰেফাৰী নৰকুমাৰ কলিতাই। লাইনত সহায় কৰে কংকন শৰ্মা আৰু জিতু আলিয়ে।

### নৱেম্বৰত স্পেইনত অনুষ্ঠিত হ'ব যুৱ বিশ্ব বক্সিং চেম্পিয়নশ্বিপ

# গুৱাহাটীৰ ছাইত ভাৰতীয় দলৰ নিৰ্বাচন সম্পন্ন

**গুৱাহাটী, ২ অক্টোবৰ ঃ** অহা 13-27 নৱেম্বৰত স্পেইনত অনুষ্ঠিত হ'ব যুৱ বিশ্ব বক্সিং চেম্পিয়নশ্বিপ। এই প্ৰতিযোগিতাৰ বাবে ভাৰতীয় দলটো আজি গুৱাহাটীত ঘোষণা কৰা হৈছে। উল্লেখ্য যে ভাৰতীয় দলটো বাছনি কৰিবলৈ বক্সিং ফেডাৰেছন অব ইণ্ডিয়াই (বি এফ আই) গুৱাহাটীত দুদিনীয়া এক শিবিৰৰ আয়োজন কৰিছিল। যোৱা এক আৰু দুই অক্টোবৰত গুৱাহাটীৰ ছাই কেন্দ্ৰত ভাৰতীয় দলৰ বাছনি শিবিৰ অনুষ্ঠিত হয়। উল্লেখ্য যে শিবিৰত ৰাষ্ট্ৰীয় যুৱ বক্সিঙত পদকজয়ী 13 টা ওজন শাখাৰ খেলুৱৈয়ে অংশ লৈছিল। বক্সিং ফেডাৰেছন অব ইণ্ডিয়াৰ সচিব প্ৰধান হেমন্ত কুমাৰ কলিতাই জনোৱা অনুসৰি আজি খেলৰ অন্তত প্ৰতিটো ওজন শাখাৰ পৰা দুজনকৈ খেলুৱৈ নিৰ্বাচন কৰা হৈছে স্পেইনত অনুষ্ঠিত হ'বলগা যুৱ বিশ্ব বক্সিং চেম্পিয়নশ্বিপত অংশগ্ৰহণকাৰী ভাৰতীয় দলৰ বাবে। এতিয়া 26 জনীয়া ভাৰতীয় যুৱ বক্সিং দলৰ প্ৰশিক্ষণ শিবিৰো অনুষ্ঠিত হ'ব বুলি কয় বক্সিং ফেডাৰেছন অব ইণ্ডিয়াৰ সচিব প্ৰধান হেমন্ত কুমাৰ কলিতাই।



